
# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbowah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1930 (1852 Sak) | Edition: |
| Size: 23½ cms - 45+48+47+55+35 pages | Genre: |
| Volumes: 5 (3rd, 5th, 7th and 8th issue) | Condition of the original: Brittle |
| Remarks: মাহিত। | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

৫৪০৭/অা:
১৫.৮-৯৯




১৯শ বছৰ | ১৮৫২ শক
৪র্থ সংখ্যা | আহোন

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে"

## ছন্দ-ৰূপ

জগতত কোনে বিলাই দিলেহি
কিনো ই অমৃত ভাষা,—
মুখে মুখে হাহি, বিৰিখে, বিৰিখে
বিকশিল পুলি-পোখা।
উঠিলে অম্বৰ, সুপ্ত, নীৰৱ
কথাহীন ইকি ভাষা অভিনৱ
উঠে শব্দহীন গীতি কলৰৱ
ছুবি দিগ্ দিগন্ত
—ফুটিল কুসুম-ছন্দ ॥

• *

সঙ্গীত ঈশ্বৰী, বীণাৰ বাজিল
অলক্ষিতে এটি তাঁৰ
ঢউ সাগৰত,—তৰা আকাশত
জিকিবিলে বাৰধাৰ।
পাতে পাতে আজি ধ্বনি জৰ্-জৰ্
ডালে ডালে কিনো শব্দ মৰ্-মৰ্
কঁপিলে সিন্ধু,—কঁপিল সাগৰ
গুচিলে সকলো বন্ধ,
—বিকশি উঠিল ছন্দ ॥

• *

ধৰণীত হল চঞ্চল স্ফুৰণ
ঢালি দিলে সজীৱতা—
চমকি উঠিল, নৰ, বিহঙ্গম্
নাচে বায়ু, তৰু-লতা
নিকুট সুৰেৰে, নীৰৱ ভাষাৰ
বলে বন্ধহীন সঙ্গীতৰ ধাৰ
বনে বনে আজি উঠিলে জোঁকাৰ
মেঘে মেঘে হল মন্দ্ৰ
গগনে ভৰিল ছন্দ ॥

• •

ৰূপহীন আজি সৌন্দৰ্য্যে বিশ্বৰ
পৰশিলে স্তৰে স্তৰে—
ভাষা নাই আজি নিশব্দে মাথোন
ওঠে ওঠে কথা সৰে;
প্ৰাণে প্ৰাণে আজি আপুনি স্পন্দন,
ওঠে ওঠে হল মধুৰ চুম্বন,
বুকে বুকে কিনো প্ৰেম আলিঙ্গন,
গুচিলে প্ৰাণৰ দ্বন্দ
—বুকে বুকে ভৰা ছন্দ ॥

শ্ৰীভৱনাথ হাজৰিকা

# গীতাৰ সাৰ

## ভক্তি-যোগ

**ভক্তি কি ?**—ঈশ্বৰত একান্ত অনুৰক্তিৰ নাম ভক্তি। জ্ঞানৰ বাহিৰে আন একোৰে ঈশ্বৰক বুজিবৰ উপায় নাই। এতেকে ভক্তি জ্ঞান-সাপেক্ষ। জ্ঞান আকৌ কৰ্ম্ম-সাপেক্ষ। এতেকে ভক্তি - জ্ঞান আৰু কৰ্ম্ম উভয়ৰে সাহায্য-সাপেক্ষ। জ্ঞানৰ পিছত যি ভক্তি হয় সেয়ে প্ৰকৃত ভক্তি, পৰম ভক্তি। ৫৪০৭/অ:

**ঈশ্বৰ :**—ঈশ্বৰ এই বিশ্বৰ স্ৰষ্টা, পাতা আৰু প্ৰলয় কৰোতা। এক ঈশ্বৰকে জ্ঞানীয়ে ব্ৰহ্ম, যোগীয়ে পৰমাত্মা আৰু ভক্তই ভগৱান বোলে। তেওঁৰ পৰাই এক বিশ্ব উৎপন্ন হৈছে, তেওঁতেই অৱস্থিতি কৰিছে আৰু তেওঁতেই লয় প্ৰাপ্ত হব। ঈশ্বৰৰ আদি নাই, অন্ত নাই; তেওঁ অবিনশ্বৰ, সৰ্ব্বজ্ঞ, সৰ্ব্বদৰ্শী; সৰ্ব্বশক্তিমান, পুৰাণ, নিয়ন্তা, বিধাতা, সূক্ষ্মাণুসূক্ষ্ম, অচিন্ত্য, সৰ্ব্বত্ৰতে বৰ্ত্তমান। তেওঁ বিশ্বব্ৰহ্মাণ্ডৰ চৰাচৰ সকলোতে ভিতৰে বাহিৰে বিৰাজ কৰিছে। কিন্তু সৰ্ব্বভূত বিনষ্ট হলেও তেওঁ বিনষ্ট নহয়। আকাশ যেনেকৈ সৰ্ব্বত্ৰ পৰিব্যাপ্তি থাকিও কাৰো লগত লিপ্ত নহয়, ঈশ্বৰেও তেনেকৈ দেহত থাকিও দেহৰ লগত লিপ্ত নহয়। ঈশ্বৰে কাকো সুখ দুখ ৰূপে কৰ্ম্মফল প্ৰদান নকৰে; কিন্তু জীৱই নিজ নিজ স্বভাৱানুযায়ীয়ে সেইবিলাক লাভ কৰে। ঈশ্বৰে কাৰো পাপ পুণ্য গ্ৰহণ নকৰে; কাৰো পৰা পুণ্যৰ ভাগীও নহয়। গাঁথনি সূতাই যি দৰে ফুলৰ অদৃশ্য থাকি মালাৰ ফুল বিলাকৰ শৃঙ্খলা ৰক্ষা কৰে ঈশ্বৰেও তেনেকৈ এই বিশাল বিশ্বৰ মাজত অদৃশ্য থাকি তাৰ শৃঙ্খলা সম্পাদন কৰিছে।

**অজ্ঞান, অন্ধ, জড় প্ৰকৃতি বা পৰমাণু এই বিশ্বৰ স্ৰষ্টা হব নোৱাৰে :**—এই বিশ্বৰ সকলোতে স্ৰষ্টাৰ অসীম শক্তি বৰ্ত্তমান। তেনেহলে নিশ্চয় কোনো মহাজ্ঞানবান, সৰ্ব্বশক্তিমান ইয়াৰ স্ৰষ্টা। ঈশ্বৰেই সকলোৰে আদি কাৰণ। ঈশ্বৰ ভিন্ন বিশ্বৰ কোনো বস্তুৰে উৎপন্ন হব নোৱাৰে। প্ৰকৃতিকো যি শক্তিয়ে সৃষ্টি কৰা কাৰ্য্যত নিযুক্ত কৰিছে, সেই শক্তিয়ে ঈশ্বৰ। ঈশ্বৰেই প্ৰকৃতিৰ দ্বাৰা সৃষ্টি কৰে। প্ৰকৃতি আৰু পুৰুষ উভয়েই অনাদি। প্ৰকৃতি কাৰ্য্যৰ কাৰণ আৰু পুৰুষ সুখ দুখ ভোগৰ কাৰণ।

**ঈশ্বৰ আৰাধনা :**—ইয়াৰ কোনো বিশেষ বিধি নাই। যি, যিভাৱে তেওঁৰ অৰ্চ্চনা কৰক, যদি কায়মনোবাক্যে আৰাধনা কৰিব পাৰে, তেন্তে তাতেই তেওঁ ফল পায়। মোহান্ধ মানৱেই ঈশ্বৰক এৰি পেলাই ক্ষুদ্ৰ দেৱতাক বা জড় পদাৰ্থক পূজা কৰে; আৰু সিহঁতে সিবিলাকক হে পায়, কিন্তু ঈশ্বৰক নেপায়। যি ঈশ্বৰক উপাসনা কৰে তেওঁহে ঈশ্বৰক পায়। ঈশ্বৰ সকলোৰে লক্ষ্য হোৱা উচিত। তেওঁ নিত্য, অব্যক্ত। মূঢ়ে তেওঁক দেহ-বিশিষ্ট বিবেচনা কৰে। অতি দুৰাচাৰীও ঈশ্বৰত মন-প্ৰাণ অৰ্পণ কৰি জ্ঞানৰ দ্বাৰা জিতেন্দ্ৰিয় হৈ সাধু হব পাৰে, মুক্তি লাভ কৰিব পাৰে। ধৰ্ম্ম জীৱন লাভৰ উপায় বহুত। যি যি উপায়ে ভাবে, সাধনা কৰে, তেওঁ সেই উপায়েই ধৰ্ম্ম-জীৱন লাভ কৰিব পাৰে। সকলো ধৰ্ম্মৰে বাহ্যানুষ্ঠানবোৰ ত্যাগ কৰি একমাত্ৰ ঈশ্বৰৰ শৰণাগত হলেই মুক্তি লাভ কৰিব পাৰে। সকলো ধৰ্ম্মৰ সকলো সাধনাই ঈশ্বৰক পাবৰ উপায় মাত্ৰ। যি জনে গন্তব্য ঠাইত উপস্থিত হৈছে, তেওঁৰ আৰু বাহনৰ আৱশ্যক কি ?

**ঈশ্বৰৰ বিশ্বৰূপ দৰ্শন কৰা :**—এই বিৰাট সংসাৰেই তেওঁৰ ৰূপ, সকলো জীৱই তেওঁৰ স্বৰূপ, তেওঁৰ প্ৰকাশ, ইয়াক হৃদয়ত উপলব্ধি কৰা। ঈশ্বৰ সৰ্ব্বত্ৰতে, সকলো বস্তুতে, সকলো নৰ-নাৰীতে সমভাৱে বিৰাজ কৰিছে—ইয়াক দিব্যচক্ষুৰে দেখা। ইয়াকে দেখি, বুজি, ভক্তি ৰসত আপ্লুত হোৱা। যি জনে ঈশ্বৰক সকলো বস্তুতে দেখে, আৰু



ঈশ্বৰত সকলো বস্তুকে দেখে, ঈশ্বৰ কেতিয়াও তেওঁৰ অদৃশ্য নহয় আৰু তেওঁ কেতিয়াও ঈশ্বৰৰ অদৃশ্য নেথাকে।

**বিশ্ব-সেৱা কৰা :**—যি জনে ঈশ্বৰৰ বিশ্বৰূপ দৰ্শন কৰিছে, তেওঁৰ মনত আপোন পৰ নাই, ব্ৰাহ্মণ চণ্ডাল জ্ঞান নাই। সকলোৱে তেওঁৰ আপোন আত্মীয়। কাৰণ তেওঁ সকলোকে ঈশ্বৰময় দেখে। তেওঁৰ প্ৰাণ উদাৰ আৰু মহৎ হয়। সকলোকে সমজ্ঞানে সকলোৰে সমভাৱে হিত সাধন কৰে, আৰু তাৰ দ্বাৰায়ে ঈশ্বৰৰ সেৱা কৰে। দেশ-সেৱাই ঈশ্বৰ সেৱাৰ উপায়। যি জনে সকলোৰে হিত সাধন কৰে, তেওঁ ঈশ্বৰক পায়। মানৱেই ঈশ্বৰ পূজাৰ সৰ্ব্বশ্ৰেষ্ঠ প্ৰতিমা। তেৱেঁই প্ৰকৃত ঈশ্বৰ-প্ৰেমিক—যি প্ৰকৃততে সৰ্ব্বসাধাৰণৰ প্ৰেমিক। ঈশ্বৰ চিন্তাৰ কাৰণে সংসাৰ এৰি বনলৈ যাব নেলাগে। কিয়নো অৰণ্যবাসী সজ্জন আৰু সমুদ্ৰৰ তলৰ ৰত্ন একে। সমুদ্ৰৰ তলৰ ৰত্নৰ দ্বাৰা যেনেকৈ লোকৰ একো উপকাৰ নহয়, অৰণ্যবাসী সজ্জনৰ পৰাও তেনেকৈ দেশৰ, সমাজৰ একো উপকাৰ নহয়। একহাতে ঈশ্বৰক ধৰিবা, আনহাতেৰে ৰাতিদিনে দেশোন্নতিৰ কাৰণে পৰিশ্ৰম কৰিবা। সেয়ে হলে মনুষ্য জন্ম সাৰ্থক হব।

**ঈশ্বৰ কৰুণাময়, মঙ্গলময় :**—যাৰ অন্তৰত ভক্তি আছে, তেওঁ ঈশ্বৰক বিশ্বাস কৰে; সুখ-দুখ, হাঁহি-অশ্ৰু, হৰ্ষ-বিষাদ সকলোকে ঈশ্বৰৰ দান বুলি গ্ৰহণ কৰে; এই সকলোকে কৰুণাময় ঈশ্বৰে মঙ্গল সাধনৰ কাৰণেই দিয়া বুলি ভাবে। এইদৰেই তেওঁ সুখ-দুখ আদি দি মানুহক পুৰি সোণৰ দৰে বিশুদ্ধ কৰিছে।

**যোগ :**—যোগ অভ্যাস কৰিবা। তাৰ পৰা শৰীৰ বলবান আৰু নিৰোগী হয়; ৰিপু জয় কৰিব পাৰি; মনৰ স্থৈৰ্য্য আৰু ধৈৰ্য্য সঞ্চিত হয়।

**সন্ন্যাসী কোন ? ত্যাগী কোন ?**—জটা ধাৰণ কৰিলেই সন্যাসী নহয়, কৰ্ম্ম এৰিলেই ত্যাগী নহয়। যি জনে কাম-কৰ্ম্ম ত্যাগ কৰি দেশ-হিতাৰ্থে, লোক-হিতাৰ্থে নিষ্কাম কৰ্ম্ম-ব্ৰত ধৰিছে, তেৱেঁই সন্ন্যাসী; আৰু যি জনে সদায় কাম কৰে, অথচ নিজ কৰ্ম্মফল ভোগৰ বাসনা নৰাখে, তেৱেঁই ত্যাগী।

জ্ঞানহীন কৰ্ম্মই কুকৰ্ম্মত পৰিণত হয়। জ্ঞানহীন কৰ্ম্মই স্বেচ্ছাচাৰিতা বিস্তাৰ কৰে। কৰ্ম্মহীন জ্ঞান দুঃখপ্ৰদ, সি কোনো কামত নাহে। অৰ্থ অশেষ মঙ্গলৰ নিদান; কিন্তু মাটিত পুতি ৰাখিলে সি কোনো কামত নাহে। জ্ঞান সেইদৰে অশেষ কল্যাণৰ আকাৰ; কিন্তু অন্তৰত আবদ্ধ থাকিলে তাৰপৰা কোনো ফল নহয়। ভক্তিহীন জ্ঞানে নাস্তিকতা আনে; জ্ঞানহীন ভক্তি আকৌ কুধৰ্ম্ম বা অধৰ্ম্মৰ মূল, অন্ধ-বিশ্বাস আৰু কু-সংস্কাৰৰ জননী। এতেকে জ্ঞানী ভক্তই শ্ৰেষ্ঠ। কৰ্ম্মহীন ভক্তি কোনো কামত নাহে। কেৱল ধৰ্ম্মকে লৈ থাকিলে কু-সংস্কাৰ, আলস্য আৰু পৰাধীনতা বৃদ্ধি হয়। উৰ্দ্ধবাহু, উলঙ্গ, উদাসীনৰ দ্বাৰা জগতৰ কোনো মঙ্গল সাধন নহয়। ধৰ্ম্ম—অৰ্থ আৰু কামৰ নিচিনা। শ্ৰম,—লো আৰু সোণৰ নিচিনা। কৰ্ম্ম, জ্ঞান আৰু ভক্তি, দেশৰ অশেষ মঙ্গলৰ নিদান। এই কাৰণে এই তিনিওৰে সমকালে সমভাৱে অনুশীলন কৰিবা। কৰ্ত্তব্য কৰ্ম্ম কৰাই ধৰ্ম্ম; নকৰাই অধৰ্ম্ম। কৰ্ত্তব্য কৰ্ম্ম সুচাৰুৰূপে কৰিবৰ হলে নিষ্কাম হোৱা উচিত। নিষ্কাম হবৰ হলে জিতেন্দ্ৰিয় হোৱা দৰকাৰ; আৰু জিতেন্দ্ৰিয় হবৰ হলে কৰ্ম্ম-জ্ঞান আৰু ভক্তি ইহঁত তিনিওৰে আৱশ্যক। কিন্তু ইহঁতৰ এটাৰ অতি বৃদ্ধি হলে আন দুটা নষ্ট হয়। ইহঁত তিনিওৰে দ্বাৰা আত্মোন্নতি, দেশোন্নতি কৰিব লাগে। ইহঁত তিনিওৰে তুল্য-অনুশীলনেই মনুষ্যত্বৰ পূৰ্ণবিকাশ আৰু মুক্তি হয়, সকলো কামতে সিদ্ধি লাভ হয়।

**প্ৰবৃত্তি আৰু নিবৃত্তি :**—এক জীৱনতে এক সময়তে উভয় ধৰ্ম্মৰ আৱশ্যক। নিজৰ আৰু দেশৰ উন্নতিৰ কাৰণে উভয়ৰে একান্ত প্ৰয়োজন। মন-ৰূপ ৰথত এই দুটা অশ্ব সংযোজিত কৰি সংসাৰপথত ধাবিত হোৱা প্ৰবৃত্তিয়ে যেতিয়া তোমাক সুখৰ পথত, স্বাৰ্থ-সাধনৰ পথত লৈ যাব খুজিব, নিবৃত্তিক তেতিয়া

উত্তেজিত কৰি প্ৰবৃত্তিক সংযত ৰাখিবা। আকৌ নিবৃত্তিয়ে যেতিয়া সকলোৰে হিতসাধনৰ পথত দেশৰ উপকাৰৰ পথলৈ গৈ বৈৰাগ্য প্ৰদৰ্শন কৰিব, তেতিয়া প্ৰবৃত্তিক উত্তেজিত কৰি নিবৃত্তিক সংযত কৰি দেশোপকাৰৰ পথত ধাবিত কৰিবা। এইৰূপেই এই দুই অশ্বৰ ৰথত আৰোহণ কৰি আত্মোন্নতি আৰু দেশোন্নতি কৰি কৰি মহাসুখেৰে জীৱন পথত অগ্ৰসৰ হব পাৰি।

**শোক, তাপ, বিবাদ-বিসংবাদৰ কাৰণ কি?**—ৰিপুবিলাকৰ অধীন হোৱাই ইয়াৰ কাৰণ। প্ৰথমতে মোহে মানৱক অজ্ঞানান্ধ কৰে। তাৰ পিছত তাৰ অনুচৰ প্ৰবল ৰিপুবিলাকে ছলে, বলে, কৌশলে মানৱক পৰাজিত কৰি অধঃপতনৰ গভীৰ কূপত পেলাই দিয়ে। সেইকাৰণে ৰিপুবিলাকক পৰাজিত কৰি নিজৰ আৰু দেশৰ কামত নিষ্কাম ভাৱে আত্ম-নিয়োগ কৰিব লাগে। তেতিয়াহে বুজিব পাৰি—"সৰ্ব্বং পৰবশং দুঃখং সৰ্ব্বমাত্মবশং সুখং!" সকলোপ্ৰকাৰ পৰাধীনতাই দুঃখ আৰু সকলোপ্ৰকাৰ স্বাধীনতাই সুখ। ৰিপু দমনেই মুক্তিৰ উপায়। যি জনে ৰিপুবিলাকক দমন কৰিছে তেওঁৱে পৃথিৱীকো জয় কৰিছে। ৰিপুবিলাকৰপৰা মুক্ত হৈ স্বাধীন হব পাৰিলেই শোক-তাপ, বিবাদ-বিসংবাদ সকলোৰে পৰা মুক্ত হব পাৰি। তেতিয়া সকলোতে সাম্য, মৈত্ৰী আৰু স্বাধীনতা প্ৰতিষ্ঠিত হৈ পৃথিৱী সুখৰ নিকেতন হব। কৰ্ম্ম, জ্ঞান আৰু ভক্তিৰ সাহায্যত এই অভীষ্ট লাভৰ কাৰণে ৰিপুবিলাকৰ লগত তুমুল সংগ্ৰাম কৰা। (সেয়ে প্ৰকৃত পবিত্ৰ কুৰুক্ষেত্ৰ যুদ্ধ)। যি জনে এই বিষম সংগ্ৰামত ঈশ্বৰক, তথা সৰ্ব্বসাধাৰণৰ মঙ্গলক নিজ মনৰূপ ৰথৰ সাৰথি কৰি লব পাৰে, তেওঁৱেই জগজ্জয়ী হব পাৰে, কৃতকাৰ্য্য হব পাৰে, মুক্তিলাভ কৰিব পাৰে। এতেকে নিজ সুখ দুখৰ দ্বাৰা কৰ্ত্তব্য স্থিৰ নকৰি লোকহিত, দেশহিতৰ দ্বাৰা কৰ্ত্তব্য স্থিৰ কৰাই জ্ঞানীৰ কাম।

শ্ৰীভগৱানচন্দ্ৰ দাস

---

# ঘৰুৱা গীত

(২য় সংখ্যাৰ পাছৰ পৰা)

আনন্দ আৰু নিৰানন্দৰ মাজত বাস কৰোতে কবিৰ মনৰ ব্যক্তিগত ভাববিলাক যেতিয়া ওলাই পৰে, তেতিয়া সি ছন্দৰ জালত ধৰা পৰে। আমি যিটো বস্তুৰ পৰিবৰ্ত্তন আছে বুলি ভাবোঁ, শিশুৰ মনত সি চিৰ-নতুন, অপৰিবৰ্ত্তন। এই কথা ঘৰুৱা গীতবিলাকতো খাটে। এই গীতবিলাক বহুত বছৰৰ পুৰণি হলেও, ই শিশুৰ অতি আপুকগীয়া বস্তু। বাহ্যিক দৃষ্টিৰে চালে, এই গীতবিলাকৰ মূল্য নহব পাৰে, কিন্তু অন্তৰদৃষ্টিৰে চালে ইয়াৰ বহুত মৌলিক তথ্য দেখিবলৈ পোৱা যায়। নিভাঁজ-নিখুঁত ঘৰুৱা অসমীয়া ঠাচত লিখা সুমধুৰ গীতবিলাক যেতিয়া বুঢ়ী-আইৰ মুখত লানি-নিছিগাকৈ ওলায়, তেতিয়া কোমলমতি শিশুবিলাকৰ মন, নেজানো কিহে আহি আনন্দৰ ঢৌ তুলি সপোন-ৰাজ্যত থৌকি-বাথৌ লগায়হি। সেইহে প্ৰকৃতিৰ লগত আমাৰো, এনে অনুভূতি জাগি উঠে—

"চিৎ পখিলা, তিনি মুৰ, দহ ঠেং ক'ত দেখিলা?  
দেখিলোঁ, দেখিলোঁ বাটে যাওঁতে;  
ফুলৰে হাঁচটি গুৱা খাওঁতে।  
ফুলৰে হাঁচটিত কি কি আছে?  
ৰথে-সেন্দুৰে সমস্ত আছে।  
ৰথে-সেন্দুৰে কালৈ লাগে?  
ৰজাৰ জী মাদৈ শুভাইলৈ লাগে।



সাগৰৰ মাজতে শুভাই তামোল কাটে;  
কতীয়া শিঙৰাই গুৱা-পান কাটে;  
তিনিটি কঁকিলাই বেই-ঘৰ সাজে।  
মাগুৰ হাততে ফুলাম কটাৰী  
পুঠীমাছ আহিছে গুণা জোকাৰি।"

এই গীতটিৰ মূল কথা, মুকলি মূৰে পখিলাই ফুলে ফুলে পৰি ফুলৰ মৌ খাইছে; বেজাৰ নাই, ভাবনা নাই। মনত সুখ, আনন্দ। সেই আনন্দত মত্ত হৈ উৰি ফুৰা পখিলাৰ ওপৰত নানা প্ৰশ্নৰ আউৰি উঠিল। কিন্তু, এই বিষয়ে পখিলা, ধীৰ, স্থিৰ, গম্ভীৰ। "তিনি মুৰ দহ ঠেং" আদি পাক লগা প্ৰশ্নৰ বাবে, পখিলাই অলপো ভাবি মূৰ ঘূৰুৱালে। পখিলাই বেছকৈ জানে, মনৰ শান্তি আৰু নিৰ্জ্জনতাই সকলোতকৈ শ্ৰেষ্ঠ। সেই শান্তি আৰু নিৰ্জ্জনতাৰ মাজত সুখ ভোগ কৰিবলৈ যাওঁতে শ্যামল পথাৰৰ মাজত হালবাই থকা গোজা গাঁৱলীয়া কৰা নেদেখি থকা নাই। আৰু পখিলাই এইটোও জানে, ফুল সদায় পবিত্ৰ, ধুনীয়া। সেই ফুল অৰণ্যে, লাগীৰ পৰা এলাগীলৈ আন কি, অতুল ঐশ্বৰ্য্যৰে ভৰা—ৰজাৰ জীয়েক শুভাইলৈও লাগে। শুভা যে ধুনীয়া ছোৱালী, তাত সন্দেহ নাই। কিন্তু, ৰাজকুমাৰী শুভাই, কোন সাগৰৰ মাজত গৈ তামোল কাটে তাক কে ভাবি আচৰিত! যি কি নহওক, নাৱেদি যাওঁতে সাগৰৰ মাজত মুখখন বেয়া লগাৰ কাৰণে তামোল এখন কাটি খাবলৈ দিহা কৰিলে। আকৌ ক'ৰ পৰা আহি হালধীয়া চৰায়ে কি কাৰণে ৰাজকুমাৰীৰ আগত হালধি বাটে, তাকো ক'ব নোৱাৰোঁ। তাকে দেখিয়ে নে কি, কতীয়া শিঙৰাই গুৱা-পান কাটি ৰাজকুমাৰীৰ চাকলি-পীৰাৰ মেলত সন্মানৰ আগভাগ লবলৈ খি-খিয়াই উঠিল। ইয়াকেহে কয় বোলে 'দেখাক দেখি উঠিল গা, এদাই বোলে মোকো খা।" আৰু তেওঁৰ লগতো এশ এটা লগুৱা। সকলোৱে ৰাজকুমাৰীৰ আগত থিয় হ'ল। তিনটা কঁকিলা মাছে বেই-ঘৰ সাজিলে। বেই-ঘৰৰ সন্মুখত মাগুৰ মাছে হাতত ফুলাম কটাৰী লৈ থিয় দিলে। কতীয়া শিঙৰাই গুৱা-পান কটাত লাগি গ'ল। আৰু ইপিনে হালধীয়া চৰায়েও হালধি বাটি ঠিক কৰি থৈছে। বোধকৰোঁ, সিহঁতৰ উদ্দেশ্য, ৰাজকুমাৰীক সাগৰৰ মাজত থকা এজন গুণী মাছলৈ বিয়া দিব। এই কথা জানিয়েই নেকি, পুঠীমাছবোৰে জাকি পাতি হাতত গুণালৈ উছৰ চাবলৈ আহিল। আমনী ৰাজকুমাৰীয়ে এই কথা কাকে নোৱাৰিলে। গৈ আছে—নাৱত তামোল খাই ওঁঠ দুটি ৰঙা কৰি। এনেতে সন্ধিয়া লাগিল, নাও নোযোৱা হ'ল—"নাৱে বোলে টুলুং-ভুটু, বঠাই বোলে টুলুং-ভুটং, গধূলিতে ডবা কোবায়।" ডবাৰ মাতত ৰাজনগৰ খলকনি লাগিল। চাৰিওকালে ৰাজকুমাৰীৰ অমঙ্গলৰ বাতৰি বিয়পি পৰিল। তাৰ পাছত, গঞাঁলোকে ৰাজকুমাৰীক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ আহিলনে নাই, তাৰ একো সম্ভেদ পোৱা নগল। অভিমন্যুৱে মাকৰ গৰ্ভত থাকোতে, পিতাক অৰ্জ্জুনে কোৱা চক্ৰবেহুত সোমোৱাৰ কথা আধা শুনি টোপনি যোৱা দৰে মযো আইৰ কোচত গীত শুনি শুনি টোপনিৰ জালত ঢলি পৰিলোঁ। তাৰ পাছত, কাৰ কি হল একোকে কব নোৱাৰিলোঁ। টোপনিত পৰি নানা খেলি মেলি সপোন দেখিলোঁ।

শিশু-ৰাজ্যৰ প্ৰকৃতিয়েই এনে। এখন ঠাই আছে, যি ঠাইত হয়তো আমাৰ মন আৰু আত্মা সদাই বিচৰণ কৰিব লাগিছে। মুঠতে কবলৈ গলে সেইখনেই আমাৰ বাসস্থান। ইংৰাজীত আছে:—"Where the thoughts and the heart are, there is our true existence." বাস্তৱতে এই বাক্য চিৰানন্দ, সনাতন।

তাৰ পাছত "বতাহ"ৰ গীত। চহা কবিয়ে ক্লিতাপক্লিষ্ট কৰ্ম্মময় জীৱনৰ বাজ আলিত অবিৰাম ঘূৰি ফুৰোতে যেতিয়া নিঠুৰ নিদাঘত কষ্ট পায়, তেতিয়া তেওঁ মন-প্ৰাণ শীতলাবৰ কাৰণে মলয়া বতাহক আহ্বান কৰে—

'বাবৈচ বাবৈচ বা বলাই," বতাহ বলাই।  
বাউলী মাকক ওকণীয়ে খাই;  
বতাহ দিলে উৰি যায়।"

বাউলী মাকক ওকণীয়ে খোৱা কথা শুনিয়ে নেকি

বতাহ ৰবলৈ ধৰে। চহা কৰিয়েও বাউলী মাককে শাখা দি, নিজেই বতাহৰ শীতল পৰশ উপভোগ কৰে। এনেকুৱা উদাহৰণৰ মাজেদিয়েই কবিসকলৰ প্ৰতিভাশক্তি ফুটি উঠে।

এইখিনিতে 'বান্দৰ আৰু টোকোৰা চৰাইৰ বিষয়ে সাধু এটি উল্লেখ কৰা হল। মানুহৰ দৰে হাত-ভৰি থাকিও বান্দৰবিলাকে ৰ'দে বৰষুণে, হাবিয়ে-বননিয়ে ঘাম বা জাৰত কঁপি জপি ফুৰে; অথচ সিহঁতে সৰু সুৰা পঁজা এটিও সাজি লব নোৱাৰে।

এদিন এখন তামোলনী বাৰীৰ অলপ দূৰত থকা হাঁকলু এটাত, এজাক বান্দৰে বৰষুণত তিতি বুৰি কঁপি কঁপি আছিল। তাকে দেখি, টোকোৰা চৰাই-বিলাকৰ মনত সিহঁতলৈ অলপ দয়া জন্মিল। আৰু বান্দৰবিলাকৰ কাষলৈ গৈ কলে—

"হাত আছে, ভৰি আছে, মানুহৰ কায়;
বৰষুণত তিতি থাকা বান্দৰ ভাই।"

বোলো ককাইহঁত! তহঁতেনো এইদৰে বৰষুণত কঁপি-জপি মৰিছহঁক কেলৈ? ভগা ছিগা ব'দ-বৰষুণৰ অলপ হাত সাৰিব পৰা পঁজা এটি কৰি ললেও দেখোন গা বয়। আমালৈ চাচোন! তহঁতৰ নিচিনা হাত ভৰি নথকাতো কেনে পানী সৰকিব নোৱাৰা বাহ সাজি বসতি কৰিছোঁ।"

বান্দৰবিলাকে টোকোৰা চৰাইবিলাকৰ কথাত বৰ লাজ পালে, আৰু তাৰ একো উত্তৰ নিদি মনে মনে প্ৰতিজ্ঞা কৰিলে 'এদিন এই কথাৰ প্ৰতিদান দিয়া যাব।" সঁচাকৈ, সিহঁতে বান্দৰবিলাকক ঠাট্টা কৰা নাই। বৰঞ্চ সিহঁতক দুই চাৰিটা সজ উপদেশহে দিছিল। মূৰ্খক উপদেশ দিয়া মানে সিহঁতৰ খং দুগুণে বেছি কৰা। "উপদেশোহি মূৰ্খাণাং প্ৰকোপায় ন শান্তয়ে।"

যিকি নহওক, এদিন ছেগ বুজি যেতিয়া আটাই-বিলাক টোকোৰায়ে নিজে আৰু পোৱালীবিলাকে টোপ খাবৰ কাৰণে অকলে অকলে ধুনীয়া বাহবিলাক এৰি যায়, সেইসময়ত মূৰ্খ বান্দৰবিলাকে তামোল গছবিলাকৰ ওপৰলৈ উঠি গৈ এটা এটাকৈ সকলো বাহ ভাঙি চিঙি পোৱালী আৰু কণীবিলাক তেনেই খাৰমাছ কৰিলে। মূৰ্খ বান্দৰবিলাকৰ এনে কাণ্ড দেখি নিৰ্দ্দোষী টোকোৰা চৰাইবিলাকে কিনাবলৈ ধৰিলে—

"অবুজনক বুজালো, মনত পালে কষ্ট;
কণী-চনি ভাঙি পোৱালী কৰিলে নষ্ট।"

ইয়াৰ পাছত আকৌ "কমলা কুঁৱৰী"ৰ সাধু। এই সাধু, একালে যেনে দেশ-প্ৰেমৰ আৰ্হি, আনফালে তেনে শোকলগা। লৰা বুঢ়া সকলোৱে এনেকুৱা সাধু শুনিবলৈ মন কৰে। সেই কাৰণে বুঢ়ী আইৰ মুখৰপৰা যেনেকৈ শুনিছিলোঁ, সেইমতে তলত প্ৰকাশ কৰা হল—

"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
বেলি যে বহুতে হল।"
"শুনকচোন, শুনকচোন স্বৰ্গদেৱ ঈশ্বৰে
বাতি মুখ ধুবৰে হল।"
"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
বেলি যে দুপৰে হল।"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
তেল-টেঙা ঘঁহিবৰ হল।"
"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
বেলি ভাটি দিবৰে হল।"
শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
চুলি মেলাবৰে হল।"
"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
দোলাত গৈ উঠিবৰ হল।"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
আমাৰো যাবৰে হল।"

* * *

"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী মোৰ এভৰি হল।"
'কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"



"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী মোৰ এ আঁঠু হল।"
"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী মোৰ এককাল হল।"
'কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী মোৰ এবুকু হল।"
"কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"
'শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী মোৰ এডিঙি হল।"
'কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী এথুঁতৰি হল।"
'কমলা কুঁৱৰি! মোৰে প্ৰাণেশ্বৰী
পানী বা কিমানে হল?"
"শুনকচোন, শুনকচোন, স্বৰ্গদেৱ ঈশ্বৰে
পানী মোৰ এমুখে……।"

কমলা কুঁৱৰীৰ সাধু কথাই, সঁচাকৈ মানুহৰ প্ৰাণত অলপ নহয় অলপ, হৰিষ-বিষাদৰ ভাব জগাই দিয়ে। শ্ৰদ্ধা আৰু ভক্তিত ৰাণীৰ প্ৰতি মূৰ দোঁ খাই যায়। আৰু মাজে মাজে এবাৰি "আইয়ে দেহি!" আৰু এটি হুমুনিয়াও নওৱা লিক্‌চৌ হিছাপে আছে আৰু থাকিবও।

অতি পুৰণি কালত আমাৰ দেশত এবাৰ বোলে পানী নোহোৱা হৈছিল। ৰ'দৰ তাপত মাটিবিলাক তেনেই খৰাং হৈ পৰিল। মানুহ আৰু গৰু-ম'হবিলাকে পানী খাবলৈ নেপাই হাহাকাৰ লগালে। ৰজাৰ মনত ভয়ঙ্কৰ চিন্তা। কি কৰোঁ, কি নকৰোঁ। বহুত কথা ভাবি-গুণি ৰাতি বিছনাত টোপনি গল। ৰজাই টোপনি যোৱাৰ অলপ পাছতে বোলে এগৰাকী গোসাঁনী আহি ৰজাক সপোন দেখুৱালে, কিবা বুলিছেনে, যদি ৰজাই এৰাতিৰ ভিতৰতে এটা প্ৰকাণ্ড পুখুৰী খানি সেই পুখুৰীৰ সোঁ-মাজত ৰাণীক থৈ জলকুঁৱৰীক অৰ্পণ কৰিব পাৰে, পানীৰে গোটেই পুখুৰী ওপচি পৰিব, আৰু আন আন সকলো ঠাইতে পানী হব। এই সপোন দেখাৰ লগে লগে গোসাঁনী অন্তৰ্দ্ধান হল। ৰজাই সাৰ পালে। ৰজাৰ মন চিন্তা-সাগৰত খৌকি-বাখৌ কৰিবলৈ ধৰিলে। "সৰু নাৱত ডাঙৰ ভৰা, মহাপ্ৰভু ৰক্ষা কৰা" পালিত পৰিল। উপায় নাই। একালে তেওঁৰ প্ৰাণসম ভাৰ্য্যা আৰু আনকালে তৃষ্ণাতুৰ প্ৰজাবৰ্গ। বহুত কথা ভাবি-চিন্তি পাছৰটোকে বাছি ললে।

পাছদিনা ৰাণীৰ আগত ৰজাই সপোনৰ সকলো বিৱৰণ কলে। ৰাণীয়ে ৰাইজৰ হিতাৰ্থে নিজেই আগ বাঢ়ি জলকুঁৱৰীক দেহা অৰ্পণ কৰিবলৈ সাজু হল। ৰাণীৰ ব্যৱহাৰত ৰজাই মনত সন্তোষ পালে। ৰাজ-সভাতো মন্ত্ৰীবৰ্গৰ সৈতে এই বিষয়ে আলোচনা কৰা হল, আৰু শুভক্ষণ চাই, সেই কাম কৰিবলৈ দিহা-মেলা কৰা হল। ৰাণীৰ এনে দেশ-প্ৰেম দেখি সকলো প্ৰজাই ধইন্ ধইন্ কৰিবলৈ ধৰিলে। সকলোৰে মুখত পানী আহিল। নতুন বল পালে।

যথাসময়ত, এৰাতিৰ ভিতৰতে পুখুৰী শেষ কৰা হল। পাছদিনা ৰাণী পুখুৰীলৈ যাব, জলকুঁৱৰীক দেহা অৰ্পণ কৰিব। ৰাতিপুৱাৰ লগে লগে ৰাজনগৰ সুমঙ্গল বাদ্য ঘণ্টাই তোলপাৰ লগালে। সকলোৱে ৰাণীৰ মঙ্গল-কামনা কৰিলে। দুলীয়াই ৰাজ-চোতালত দোলা পাতি থৈ আছে, ৰাণী উঠিলে লৈ যাব। ৰজা আৰু ৰাণীৰ ভিতৰত দুয়োৰ কথা বতৰা হৈ ৰাইজক সেৱা জনাই ৰাণী দোলাত উঠিল। চাৰিওফালে আয়তী-সকলে জাত্ জাত্ কৰে নাম গালে। আকৌ বাদ্য-ঘণ্টা বাজি উঠিল। ৰাণী গৈ পুখুৰী পালেগৈ। ৰাণীয়ে ৰজাৰ পৰা শেষ বিদায়লৈ, পুখুৰীৰ মাজত থকা নাগ-ডালৰ কাষত থিয় হ'ল। ৰাণী, থিয় হোৱা মাত্ৰকে

শুকান, পানী-ছনি নোহোৱা পুখুৰীটোৰ মাজৰপৰা পানী কু-কু কৰে ওলাবলৈ ধৰিলে। ৰাইজে গিৰ্জনি মাৰি হৈ-ধ্বনি দিলে। ইপিনে পাৰৰ পৰা ৰজাই, ৰাণীক পানী কিমান হৈছে ইত্যাদি প্ৰশ্ন কৰিলে। ৰজাৰ উত্তৰত ৰাণীয়ে সকলো কথা কৈ গ'ল। অৱশেষত ৰজাৰ শেষ প্ৰশ্নৰ উত্তৰ ৰাণীয়ে দিব নোৱাৰিলে। "পানী মোৰ এমুখে........" বুলি কৈয়েই ৰাণী অন্তৰ্ধান হল, জলকুঁৱৰীয়ে ললে। চাই থাকোঁতেই পানীয়ে গোটেই পুখুৰী চপচপীয়াকৈ পেলালে। ঢোল-পেঁপা বাজি উঠিল। তাৰ পাছত সকলো নিস্তব্ধ, নিমাত। ৰজাৰ মন বিষন্ন হ'ল। ৰাজনগৰত ভালদৰে খেতি-বাতি হবলৈ ধৰিলে। সকলোৱে ৰাণীৰ যশ গুণ গালে। এদিন ৰাতি হেনো ৰজাই আমাৰ দেশত কোনোবা এজন যোগ্যবান কোঁৱৰক ৰজা পাতি, সেই পুখুৰীটো পাবলৈ গৈ তেৱোঁ জলকুঁৱৰীক দেহা অৰ্পণ কৰি কমলা কুঁৱৰীৰ সৈতে একেলগে থাকিবলৈ গ'ল। পাছত সেই পুখুৰীটোৰ নাম সকলোৱে "কমলা-পুখুৰী" থলে। ইত্যাদি।

ইয়াৰ পাছত আৰু "চিলনী আই" "পানেশৈ" "তেজীমলা" আদি অনেক অসমীয়া সাধুকথা ঘকুৰা গীতবিলাকত সোমাই আছে। বাহুল্যৰ ভয়ত সেই আটাইবিলাক সাধু উল্লেখ কৰিব পৰা নহ'ল।

"মণিৰাম দেৱানৰ গীত" (১) বিলাকো বিশেষ চাব লগীয়া। কোন নীৰৱ বাল্মীকি চহা কবিয়ে "মনিৰাম দেৱানৰ গীত"বিলাক ইমান শ্ৰুতিমধুৰ, ইমান ভাব আৰু ঘটনাৰে বিজড়িত কৰি থৈ গ'ল, তাক কব নোৱাৰোঁ। তেওঁ "মণিৰাম দেৱানৰ গীত"বিলাক ৰচিবলৈ লোৱাৰ আগতে, সপোনত যিদৰে ঘটনাৰ বিৱৰণ দেখিছিল সেই কথা বোধকৰো, তেওঁৰ অমৰ আত্মায়ো সুঁৱৰি থাকিব—

"তৰা শাৰী শাৰী দেখোঁ ঐ মণিৰাম
চাকি শাৰী শাৰী দেখোঁ;
মণিৰাম দেৱানৰ অমঙ্গল মিলিছে
ৰাতি সমাজিকত দেখোঁ।" ইত্যাদি।

সচাঁকৈয়ে অতি সকৰুণ! চহাকবিয়ে যিদৰে সপোন দেখিলে, বাস্তৱতে সচাঁকৈয়ে সি সিঠকত পৰিণত হ'ল—

"টেকেলি পৰিলে নাদত ঐ মণিৰাম
টেকেলি পৰিলে নাদত;
লগৰ লগৰীয়া বাগি বি সাৰিলে
মণিৰাম পৰিলে ফান্দত।" ইত্যাদি

"মণিৰাম দেৱানৰ গীত"বিলাকে সচাঁকৈয়ে আমাৰ প্ৰাণত বিষাদৰ ছাপ বহুৱাই দিয়ে। সম্প্ৰতি, ইয়াত তাৰ অলপ অলপ আভাস হে দিয়া হল।

ইয়াৰ পাছত আৰু দুটিমান সৰু, অথচ ভাৱপূৰ্ণ গীত। এই গীতবিলাকত বহুতৰ হয়তো শ্ৰদ্ধা নেথাকিব পাৰে; কিন্তু, ইয়াক বঢ়িয়াকৈ জানিব লাগিব যে, ই আমাৰ পৈত্ৰিক সম্পত্তি। ছন্দৰ সাজ-পাৰ নাই যদিও আমাৰ বোধেৰে এই গীতবিলাকৰ ঠাই অতি ওখ। কাৰণ, এই গীতবিলাকে লৰা-ছোৱালীৰ মন যিমান মুহিব পাৰে, আন কোনো কবিতা বা গীতে সিমান নোৱাৰে। শিশু ৰাজ্যৰ লগত ইয়াৰ বিশেষ সম্বন্ধ আছে, আৰু এই গুণেই ই এশ বছৰৰ পুৰণি হলেও ই চিৰ-নতুন। মুহূৰ্ত্তে মুহূৰ্ত্তে প্ৰকৃতিৰ পৰিবৰ্ত্তন ঘটিব লাগিছে, ইয়াৰ কিন্তু অলপো পৰিবৰ্ত্তন ঘটা নাই। বহুত বছৰৰ পূৰ্ব্বে যি প্ৰশ্ন চহা কবিৰ প্ৰাণত জাগি উঠিছিল, আজিও যেন সেই একে প্ৰশ্নই আমাৰ অন্তৰতো জাগি উঠে—

"বগলী ঐ বগলী, সৰাহলৈ নগলি কিয়?
গৈছিলোঁ, গৈছিলোঁ বাটত বৰষুণে পালে;
চেংদৰ ঘৰতে সোনাৰ খুজিলো
বলিয়া কুকুৰে খালে।
চেই চেই জপনা দেই।
বাঁহৰ মূঢ়া, বগলী ধোঁৱা;
ক'ৰ পৰা আহিলি টিকা চেলাই বুঢ়া?"

(১) "মণিৰাম দেৱানৰ গীত"বিলাক পাছত ভূমিকাৰে সৈতে প্ৰকাশ কৰা হ'ব—লিখক।



ইয়াৰ লগৰে আৰু এটি—

"চিকি-মিকি বাঁহৰ শলা;
সোমাইৰ পদূলিত বান্ধি থৈছো ঘোঁৰা।
বুঢ়ী ঐ!
ৰজাৰ জীয়েকে হাগিবলৈ যাওঁতে
পহুপোৱালী এটা পালে।
তাকে খাবলৈ
জালি চাই কোমোৰা এটা খুজিছে।"

বুঢ়াই বগলীক যি প্ৰশ্ন কৰিছে, তাৰ উত্তৰ টেঙৰ বগলীয়ে টপ্‌কৰে কৈ পেল'লে। কিন্তু, এটা কথাত দুখ লাগে; বৰষুণত তিতি জুকলি-জুপুৰি হৈ দুখ-কষ্ট পোৱাৰ বাহিৰেও তাক বলিয়া কুকুৰে খোৱাত বিষ উঠাৰ কাৰণেই নেকি, ৰাতি সোমায়েকৰ ঘৰৰ পদূলিমুখত ঘোঁৰা ৰখালে, আৰু কোমোৰা বেচিবলৈ অনা বুঢ়ী এজনীক লগ পাই ৰজাৰ জীয়েকে পহু-মঙহৰ লগত খাবলৈ কোমোৰা এটা খুজিছে বুলি কৈ পেলালে। মঙহৰ লগত যে কোমোৰা ভাজি খাবলৈ ভাল, তাক বগলীটোৱে বেছকৈ জানে। তাৰ পাছত, বুঢ়ীয়ে বগলীটোক কোমোৰা দিলে নে নাই তাক মই সোণৰ চৰাইৰ কথা ভাবি থাকোঁতেই কব নোৱাৰিলোঁ। আৰু আনপিনেও বতাহৰ হো-হাৱনিত, বগলীৰ কথাত বুঢ়ীয়ে কি উত্তৰ দিলে তাক নুশুনিলোঁ—

"উকুলি-মুকুলি, দুকুলি কাঁহী;
সদৌ-দৌ ডোমৰ ডাঁহী।
আমপাতে চাম যায়;
কঁঠালপাতে হৰ-হৰায়।
কি চৰাইৰ কি নাও?
সোণৰ চৰাইৰ নাও পাওঁ।"

"ফুল কোঁৱৰৰ গীত"বিলাকো শুনিবলৈ ভাল আৰু লালিত্যপূৰ্ণ। যেনে—

"অতি চেনেহৰ কাঠৰ তেজী ঘোঁৰা
তোমাৰ গাৰ একোটি জীও;
জেঙত নেপেলাবা, ডোঙত নেপেলাবা
ফুলনি-বাৰীলৈ নিও।
ফুলনি-মাজতে পৰিল ফুলেকোঁৱৰ
ভৰিৰে মাৰিলে টিপা;
সেউতী, মালতী, তগৰ, কথনা
চোঁফুলে ধৰিলে শিপা।
ফুলনি মাজতে পৰিল ফুলেকোঁৱৰ
চাৰিফালে মেলিলে হাত;
সেউতী, মালতী, তগৰ, কথনা
চোফুলে মেলিলে পাত।
ফুলনি-বাৰীতে পৰিল ফুলেকোঁৱৰ
চাৰিফালে মাৰিলে দলি;
সেউতী, মালতী, তগৰ, কথনা
চোফুলে ধৰিলে কলি।
ক'ৰপৰা পালিহি ৰজাৰ জী বাহুলি
মোৰে ফুলে চুহি খাব?—
বাহুলি নহওঁ মই, বাছুলী নহওঁ মই,
স্বৰ্গদেৱ ঈশ্বৰৰ নাতি;
তোৰে ফুলনিত পৰিলোঁ মালিনী
খোলালোঁ বাহুলি জাতি।" ইত্যাদি।

চৰি-পাঁচশ নামেৰে ফুলকোঁৱৰৰ গীত সম্পূৰ্ণ হৈছে। ইয়াত তাৰ অলপ আভাসহে দিলোঁ।

"বদন বৰফুকনৰ গীত" (১) বিলাকো সঁচাকৈয়ে শোকপূৰ্ণ। আহোম ৰজা আৰু বদন বৰফুকনৰ লগত কিবা ভিতৰুৱা কন্দল লগাত আৰু সংবাম আদি লগৰীয়াৰ সৈতে ৰাজ-বিদ্ৰোহত পৰাত, মহেশ্বৰ পৰ্ব্বতীয়া-ফুকনক ৰজাই বদনক ধৰাই আনিবলৈ গুৱাহাটীলৈ পঠিয়ায়। এই কথা বদন বৰফুকনৰ জীয়েক পিজৌ গাভৰুৱে গম পায়, পৰ্ব্বতীয়াফুকন গুৱাহাটীলৈ নৌ-যাওঁতেই বাপেকলৈ সমস্ত ঘটনাৰ বিৱৰণ দি এখন চিঠি লিখিলে, আৰু অসমৰপৰা পলাই যাবলৈ অনুৰোধ কৰিলে। জীয়েকৰ চিঠি পাই পাঁচ-ছখন নাৱত বয়-বস্ত

(১) "বদন বৰফুকনৰ গীত"বিলাকো পাছত ভূমিকাৰে সৈতে প্ৰকাশ কৰা হ'ব—লিখক।

ভৰাই সপৰিবাৰে সংবাদৰ লগত বদন ব্ৰহ্মপুত্ৰেদি ভটি যাই তিনি-চাৰি দিনৰ মূৰত ভাটি (কলিকতা) পালেগৈ। গৈয়ে বদন বৰফুকনে লৰ্ড আমহাৰ্ষ্টৰ লগত দেখা কৰিলে আৰু অসমৰ ভিতৰুৱা কন্দলৰ কথা তেওঁক জনাই অসমত কোম্পানীয়ে শান্তি স্থাপন কৰিবলৈ অনুৰোধ কৰিলে। এই অনুৰোধ বেলেগ কোম্পানী বাহাদুৰে নেৰাখিলে। গতিকে বদন বৰফুকনে নিৰাশ হৈ, মান্দেশৰ কটকী এজনৰে সৈতে চিনা-পৰিচয় হৈ মানদেশলৈ গল, আৰু মানৰজাক সকলো কথা কলেগৈ। মানৰজায়ো বদনৰ কথাত বিশ্বাস কৰি আঠ হেজাৰ মান সেনা দি, তেওঁৰ লগত কামৰূপ বা অসম আক্ৰমণ কৰিবলৈ পাটকাই পৰ্ব্বতৰ মাজৰ বাট মুংকাহুকাডে দি পঠিয়াই দিলে। ইত্যাদি।

সঁচাকৈয়ে অতি দুখ লাগে। নিজ মাতৃভূমিক পিশাচৰ হাতত লণ্ড-ভণ্ড হ'বলৈ দিয়া বাবে বদন সঁচা-কৈয়ে কাপুৰুষ। ভালেটিহে চহা কবিয়েও সেই বিষাদৰ সুৰ বীণত বজাইছিল—

"গৈ নো গৈ পালেগৈ কতবা দূৰ ;
মালচি পেলাও কামে-সেন্দুৰ।
কাউৰী কৰিলে কোৱা ;
ওলাল মানদেশৰে ধোৱাঁ।
কোনে বুলি যাব ভেশ—
বৰফুকন পালেগৈ কত বা দেশ।
ধানে নো দাবৰে কাচি ;
খেতোক দিলে বৰশী
খেতোক দিলে কাঁচি।
কিনো সৰিয়হৰ ফুল ;
সাধু মহাজনৰ মাৰিলে কুল।

* * *

ওপৰে উৰিলে কৰ্‌চন্ কমুৰা
লৰি ধৰিলে লাই ;
অসমৰ জীয়াৰী মানৰজাৰ কুঁৱৰী
গা ধুই আছিলে চাই।" ইত্যাদি

উজনি আৰু নামনি অসমত অনেক ৰকমৰ ঘৰুৱা গীত আছে, যিবিলাক গীত "মৈমনসিংহ গীতিকা"তকৈও গোটালে সহস্ৰ গুণে ডাঙৰ হ'ব। অৱশ্যে, এনে এটি মহৎ কাম কৰিবলৈ আশাশুধীয়া আগ্ৰহ আৰু অকৃত্ৰিম যত্ন লাগিব, তাত সন্দেহ নাই। আৰু বহুত লোকৰ সম্মিলিত হে এনে কাৰ্য্য সম্পাদন হৈ উঠিব পাৰিব। এই প্ৰবন্ধৰ দুই খণ্ডত যিবিলাক গীত আলোচনা কৰা হৈছে, সি নিচেই সামান্য ; আৰু কোনো কোনো ঠাইত কিছুমান গীত, বাহুল্য হোৱাৰ ভয়ত আধাডুখৰীয়াও কৰা গৈছে। কাৰণ, সাধাৰণ ভূমিকা স্বৰূপেহে উক্ত গীতখিনি প্ৰকাশ কৰা হ'ল। সম্প্ৰতি আমাৰ ঘৰুৱা গীতবিলাক জাতীয় সাহিত্যৰ এটি অমূল্য বস্তু।

প্ৰবন্ধৰ সামৰণিত ইয়াকে কওঁ, বৰ্ত্তমান আমাৰ উঠি অহা ডেকা সাহিত্যিকসকলে অসমৰ পুৰণি গীত-বিলাক অনায়াসে সংগ্ৰহ, আৰু ইয়াৰ লগে লগে বহুত খাতি অসমীয়া শব্দ উদ্ধাৰ কৰি, মাতৃ-ভাষা সুচাৰুৰূপে টনকিয়াল আৰু চহকী হ'বলৈ বাট মুকলি কৰিব পাৰে। তেতিয়া হ'লে, পুৰণি গীতবিলাকৰ উদ্ধাৰৰ লগে লগে অসমৰ বহুত বুৰঞ্জীমূলক ঘটনা আদি জানিবলৈ বা আলোচনা কৰিবলৈ পোৱা যাব।

শ্ৰীজ্ঞানেশ্বৰ চেতিয়া ফুকন

---

# অপৰাজিতা

চুচুকচামাক কই, থমকি থমকি ৰই,
জুমিছাহি কাক বাক ;
লাজৰ ওৰণি টানি, ঢালি প্ৰেম শান্তি-পানী,
কি বঙ চাইছা আক !
ওঁঠত ৰাঙলী আভা, গালত গোলাপী বিভা,
দেহত সৰগী শোভা ;
নয়নত তীব্ৰ দৃষ্টি, চেনেহৰ পুষ্প বৃষ্টি,
কৰিছা কনক প্ৰভা !
কোন সৰগৰ তৰা, আকাশৰ অপেস্বৰা,
আজি মোৰ দুৱাৰত ;
আহিলা ইন্দ্ৰক এৰি হে উৰ্ব্বশি, বিদ্যাধৰি,
কিবা মোৰ ভাইগত !
আহিছা ত্ৰিদিববালা, হাতে পাৰিজাতমালা,
ওঁঠে সুধা অধৰৰ ;
দেহত গাভৰু সাজ সেয়েহে ইমান লাজ
পোনে নব যৌৱনৰ !
খোজত ফুটিছে ফুল, তৰাই পাতিছে গুল,
জোনায়ে হাহিছে চাই ;
আউলি বাউলী চুলি, বতাহত ঢউ খেলি,
আহিছা যে নচুৱাই।
উথন বুকুত থাকি কিবা সুধা দিছে বাকি
দিগ্বিজয়ী দুটি স্তন,
দেখুৱাই আধা তাৰ কল্পেকতে কৰি আঁৰ
কৰি বিশ্ব বিমোহন।
ভৰপুৰ যৌৱনৰ, তেজ লই উলাহৰ,
পুষ্প-ধনু মদনৰ ;
গাৰ বলে টানি ধৰি, চোকা পঞ্চ-শৰ জুৰি,
শক্তি দিলা শৰীৰৰ।
ভাবৰ লহৰী তুলি, কিয় বাৰু হিয়া খুলি,
পাতিছা প্ৰণয় জাল ;
দিবলৈ আহি ধৰা, পলাই কাষৰপৰা,
পাইছানো কিটো ভাল !
হৃদয় সিন্ধুত মোৰ, তুলি খলকনি ঘোৰ,
আকাঙ্খা সুমন্দ বায়ু ;
আহিলো কেলেই নাহা, নিলগত থাকি হাহা
বলিয়া তোমাতে মগো।
মোহিনী চুৰুনী তুমি, খেলি লুকালুকি ঘামি,
কাঢ়ি নিলা মোৰ প্ৰাণ ;
আগত দিয়াহি থিয়, ইমান ধেমালি কিয়,
দিওঁ বুলি হিয়া দান !
ভাগৰৰ ঘাম মচি, কবিতাৰ শয্যা ৰচি,
বহুৱাই দিম বাৰ ;
অঙ্গে অঙ্গে পৰশন, কৰি প্ৰিয়া-দৰশন,
তোষিম চঞ্চল গাৰ।
বসন্তৰ পৰশত, মাধবীয়ে হৰষত,
পায় যেনে নব প্ৰাণ ;
শুনিলে তোমাৰ গীত, মোৰ প্ৰাণো পুলকিত,
নিবিচাৰোঁ একো আন।
নিজৰাৰ কুলু তান, পানীৰ সুৰদি গান,
ফুলৰ সুগন্ধি ঘ্ৰাণ ;
তোমাৰ জেউতি চাম, তাতেই সকলো পাম,
দিম ক্ষুদ্ৰ হিয়া দান।
মূৰ্ত্তিমতী সৌন্দৰ্য্যৰ, ছবিখনি সৰগৰ,
কাষৰতে পাই ঘনে ;
শৰীৰ বিভত কৰা, পিব খোজে শতধাৰা,
সৌন্দৰ্য্য লোলুপ প্ৰাণে।
সুন্দৰতে সত্য শিৱ, আৰাধিলে পায় জীৱ,
ব্ৰহ্মা বিষ্ণু হয় প্ৰিয় ;
তেন্তেনো সুন্দৰি, মই তোমাক বুকুত লই
নাৰাখিম বাৰু কিয় ?

সৰগৰ বাট কেনি, ক'ত বয় মন্দাকিনী,
বহুদিন ভাবি চালোঁ,
সৌন্দৰ্য্যৰ উপাসকে, নিতে পায় স্বৰগকে,
আজি এই সত্য পালোঁ।
আজি বৰণৰ বেলা প্ৰেম-অমৃতৰ খেলা
পাতিছা ৰসৰ মেলা;
ৰূপৰ পোহাৰ খুলি, পুষ্প-প্ৰাণ দিছা মেলি
মোদক মদিৰা ঢালা।
পাৰোনে থিৰেৰে ৰব, ইমান ধেমালি সব,
নিদি তাৰ প্ৰতিদান;
নোহোঁ কামজয়ী হৰ, কামনাৰ দাস নৰ,
প্ৰাণ-বিনিময়ে প্ৰাণ।
দেহা মন সকলোতে, বোৱাঁয় বিজুলী সোঁত,
বলিয়া বাৰিষা ধল
ভাঙি আহি হিল্‌দোল্‌ তুলিছাহি হিল্লোল্‌
সুনিৰ্ম্মল সুবিমল।
ধৰা দিও দিও কৰি, পলকতে যোৱা লৰি,
থৰ লাগি থাকোঁ চাই—
হাঁহি মাৰি মিচিকাই, কাষ চাপি পুনৰায়,
নিয়া মোক উটুৱাই।
মানসমোহিনী মোৰ কৰিলা যে দৰ্প চুৰ
অহঙ্কাৰ মৰিমূৰ,
দেহৰ শকতি হৰি, প্ৰেমময়ী তুমি নাৰী,
কৰিলা হৃদয় জুৰ।
হক তোমাৰেই জয়,— তাতো পাম সুখ মই
ভোগদৈ ভোগৰ ন'ই
বক মাথোঁ হৃদয়েদি ছুয়োৰো শৰীৰ ভেদি
সৰগী সম্ভাৰ লই।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

---

# বৰপেটা শঙ্কৰ হলত

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱ প্ৰমুখ্যে পৰম বৈষ্ণৱসকলৰ ধৰ্ম্মময় আৰু কৰ্ম্মময় জীৱনৰ লীলাভূমি, তেখেতসকলৰ পুণ্য পদৰেণুৰে পবিত্ৰ আৰু নানা সদানুষ্ঠান আদিৰে পৰিপূৰ্ণ এই ঠাই চাম বুলি সাগ্ৰহে আৰু সন্তৰ্পনে আহি এই কেদিনৰ বাবে মই আপোনাসকলৰ অতিথি হবলৈ পালোঁ; ই মোৰ পৰম সৌভাগ্য, সন্দেহ নাই। ইয়াৰ লগে লগে আৰু জানিবলৈ পালোঁ, বৰপেটাৰ ছাত্ৰসমূহে বোলে মোৰ পৰা দুআষাৰ কথা শুনিবলৈ ইচ্ছা কৰে; এইটো মোৰ পক্ষে নিশ্চয় আৰু এটি শুভ বাতৰি, কিয়নো ই আপোনাসকলৰ মোৰ প্ৰতি এক নিৰ্ভেজ স্নেহ আৰু প্ৰীতিৰ পৰিচয় বুলি মই বুজিছোঁ।

শুভ বাতৰি হলেও কিন্তু, কথাটো শুনিবৰেপৰা মই মনে পেটে পেটে প্ৰমাদ গণিব লাগিছোঁ। মই ভয় কৰিছোঁ, আপোনালোকে নিশ্চয় আমাৰ আলোচনী আৰু বাতৰিকাকত কেৰনত বা দুই এখন কিতাপত মোৰ নামটো পাইছে, আৰু তাৰ লগতে মাজে সময়ে মোৰ দুই-চাৰি-আষাৰ গদ্য বা পদ্যও পঢ়ি চাইছে; তাৰপৰা হয়তো আপোনাসকলৰ অনেকৰ মনত সহজে এই প্ৰাণীটোনো কি প্ৰকাৰৰ, কিমান ৰসথকা সুৱলা কথাকেনো চাগৈ এওঁ কব, এনে ভাবৰ অনেক ভাবে বাহ লৈছে। মই দোঁ শৰীৰে দেখা দিয়াৰ আৰু মোৰ মুখৰপৰা এই দুই-চাইটা কথা ওলোৱাৰ লগে লগেই নিশ্চয় আপোনালোকৰ এনেবিধ কুসংস্কাৰ অন্ততঃ মোৰ বিষয়ে আঁতৰ হব বুলি ভাবিছোঁ।

তথাপি আপোনাসকলক সাধাৰণ ভাবেই জনাওঁ, কবি নামৰ প্ৰাণীবিশেষো আন দহ জনৰ দৰেই পথালি চকুৰা মনিচ্; আন দহজনৰ দৰেই তেওঁলোকৰো



দুখ সুখ আৰু ভোক-পিয়াহ আছে। কবিয়ে ফুলৰ শোভা, জোনৰ জেউতি, বেলিৰ কিৰণ আৰু ৰামধেনুৰ সাতৰবণ চাই অপাৰ আনন্দ পায় সঁচা; সেই বুলি তেওঁলোকে ফুলৰ মৌ চুহি, জোনাকত গা ধুই, বেলিৰ কিৰণৰ সাজ পিন্ধি, ৰামধেনু গাত মেৰিয়াই জীৱন ধাৰণ কৰিব নোৱাৰে। আকৌ সেইদৰে, আন দহজনেও প্ৰকৃতিৰ এই মনোৰম ছবিবোৰ দেখি সমূলি আনন্দ নাপাই নাথাকে। সেই দেখিয়েই মই কব খুজিছোঁ বোলো, সকলো কবিয়েই অলপ অলপ অকবিও, আৰু সকলো অকবিও অলপ অলপ কবি।

আৰু এটা কথা। কবি বনৰ চৰাইৰ দৰে মুক্ত-প্ৰাণ কেতিয়াও পোহ নামানে। আপোনাসকলে বনৰীয়া চৰাইৰ মুকলিমুৰীয়া প্ৰাণৰ গীত শুনি যদি তাক সজাত ভৰাই লৈ পুনৰ সেই গীত শুনিব খোজে, তেন্তে শুনিতে ভুল হব; ছিঙি আনি চাওঁতে ফুলৰ আধা সৌন্দৰ্য্য আগতে চুৰমাৰ হয়, কিয়নো পাতৰ আঁৰত থাকিহে ফুলে নিজ ৰূপ-মাধুৰীৰ সম্পূৰ্ণ বিকাশ দেখাব পাৰে। মুঠতে, ধৰি অনা বনৰ চৰাইৰ দৰে, ছিঙি অনা গোলাপ পাহিৰ নিচিনাকৈ, সমাজৰ মাজত কবি পানীৰপৰা পোনে পোনে তুলি অনা মাছৰ নিচিনা, সুখৰ সামাজিকৰ পৰা হঠাতে সাৰ পাই উঠা মানুহৰ দৰে। সেইদেখি, মোৰ ভিতৰত লুকাই থকা আপোনালোকৰ কবি জনৰ প্ৰাণৰ বীণা যদি এনে অহনাত বিষুনীয়া হৈ বাজিব খোজে, তাৰ বাবে নিশ্চয় আপোনাসকলে মোক জগৰীয়া নকৰিব।

মোৰ নিজৰ বিষয়ে আৰু এটি কথাত মোৰ পেটত শঙ্কা উপজিছে, যেন মই ভিতৰি ভিতৰি কিছুমান দিনৰ পৰা কবিতকৈ সৰহ অকবিহে হৈ আহিছোঁ! আজি ভালেমান দিন দেখোন প্ৰাণৰ সুৰ মুক্তভাৱে বাজিবলৈ এৰি দিলে, তাৰ পৰা শৈশৱৰ সেই সৌন্দৰ্য্যৰ মৌ নৱৰবি, জুইৰ ফিৰিঙটিহে ওলাব খোজে। সেই জুইৰ ফিৰিঙটিও বিজুলীলতাৰ তীব্ৰ সৌন্দৰ্য্যৰে উজ্জ্বল হব পাৰে বুলি মোৰ বিশ্বাস, কিন্তু আপোনাসকলৰ এই কোমল বয়সত তেনে তীব্ৰ সৌন্দৰ্য্যই আনন্দ সঞ্চাৰ নকৰিব পাৰে বুলি আশঙ্কা কৰিহে এই কেইটা কথাৰ পাতনি মেলিব লগা হল। আৰু ৭।৮ বছৰৰ আগত হোৱা হলে এনে আশঙ্কা মনত ঠাই দিব নেলাগিলহেঁতেন বুলিয়ে ভাবোঁ, কিয়নো তেতিয়া মোৰো মন আৰু হিয়া শৰতৰ পুৱাৰ দৰে সুনিৰ্ম্মল আৰু ৰাংঢালি আছিল; কিন্তু এতিয়া সেই মন শৰতৰ পুৱা গুছি শৰতৰ মেঘৰ দৰে গুৰু-গম্ভীৰ হৈ পৰিছে। তথাপি সেই মেঘৰ তৰ্জ্জন গৰ্জ্জন হঠাৎ শুনিলে আপোনাসকলে ভয় নাখাব, কিয়নো তাৰ ভিতৰতো শৰত কালৰ প্ৰীতি আৰু ফলদাত্ৰী প্ৰকৃতিৰ স্বভাৱ লুকাই থাকিব পাৰে।

আপোনাসকল শিক্ষাৰ্থী, সেই দেখি শিক্ষাৰ বিষয়েই দুই-এটা কথা কোৱা মোৰ কৰ্ত্তব্য। কিন্তু সেই বুলি, 'পঢ়া, আপুনি ডাঙৰ মানুহ হবা'—এই বিনামূল্যে বিতৰণ কৰা উপদেশটি আপোনাসকলক দি মই দায় সাৰিব নোৱাৰোঁ। শিক্ষা, আৰু শিক্ষা লাগে; 'জ্ঞানতকৈ পবিত্ৰ আৰু ইয়াত একো নাই'—এই কথা হাজাৰমুখে ঘোষিত হওক! তথাপি, চন্দ্ৰৰ বিমল জোনাকে যেতিয়া পৃথিৱীক পুণ্যস্নান কৰায়, তেতিয়া কাৰাচিন তেলৰ ঢিমিকুঢামাক্‌ জলা চাকিৰ আগত, আৰু চাৰিবেৰৰ মাজত সজাৰ চৰাইৰ দৰে মূৰ গুজি পঢ়ি নাথাকিলেই কোনোবা বেয়া লৰা হয়; মহাশক্তি আৰু তেজোময় সূৰ্য্যদেৱে যেতিয়া জগতক একেলগে শক্তি আৰু আনন্দ বিতৰণ কৰে, তেতিয়া গোঁটালিত সোমাই, মূৰ ইফালে-সিফালে মুহুৰ্ত্তোকৈ পঢ়ি নথকা লৰাৰ কোনো আশা নাই, এনেবোৰ বিপৰীত কথা সৈ কাঢ়িবলৈ মই নাৰাজ। তেনেহলে মই কব খুজিছোঁ কি?

মই কব খুজিছো, ফুলে যেনেকৈ প্ৰকৃতিৰ কোলাত জন্ম লভি, তাৰ বুকুতে হাঁহি-মাতি বিশ্বকৰ্ত্তাৰ মহিমা ঘোষণা কৰে, আমিও সেইদৰে আমাৰ অন্তৰত লুকাই থকা মনুষ্যত্বৰ সৌন্দৰ্য্য ফুটাই তুলিব লাগিব প্ৰকৃতিৰ কোলাত। প্ৰকৃতি আমাৰো ধাত্ৰী; এই ধাত্ৰীৰ কোলাৰপৰা আঁতৰি যোৱাতেই আমাৰ যত বিপদ, এইদৰে আঁতৰি গৈয়েই আমি ব চেৰা হৈ পৰোঁ। উদ্ভিদে পৃথিৱীৰপৰা ৰস টানি লৈ জীৱাৰ

দৰে আমিও প্ৰকৃতিৰপৰা জীপ লৈ জীব লাগিব; নহলেই আমাৰ অৱস্থা ৰ লগা পলুৰ দৰে হব, প্ৰাণত আনন্দ নাথাকিলেই আমি প্ৰকৃততে মৰোঁ। মানুহে হে কিতাপ গঢ়ে; কিতাপে মানুহ গঢ়িব নোৱাৰে, মানুহ গঢ়াত সহায় কৰিব পৰে মাথোন। 'কিতাপ পঢ়াই শিক্ষা' এই ভুল ধাৰণাটোৰ প্ৰতিপত্তিৰ কাৰণেই আজি আমি 'শিক্ষিত ভাটৌ' অনেক পাওঁ, কিন্তু 'শিক্ষিত মানুহ' তাকৰ। আমাৰ পঢ়া-মানুহৰ ভিতৰত্ বহুতেই হয়তো কিতাপৰ পোক আৰু চেঁচুকৰ দাম-ডেউকা; সংসাৰৰ বাবে, সমাজৰ নিমিত্তে বহুতেই আলাইবাহু। এনে পঢ়া, এনে শিক্ষাৰ লগত হে মোৰ বিৰোধ, আৰু আনৰো বিৰোধ হব লাগে বুলি মই ভাবোঁ। এনে ছাত্ৰ অপোনাসকলৰ মাজত এজনো নোলালে নিশ্চয় ভাল পাম, কিন্তু নোলাই নাথাকে বুলি ভয় কৰিছোঁ, যি 'পঢ়াশালিৰপৰা বিশ্বব্ৰহ্মাণ্ডত' কিতাপৰ ভিতৰেদি গোটেইখন ভ্ৰমণ কৰিছে, কিন্তু নিজৰ ঘৰৰপৰা ১০।১২ মাইলৰ ভিতৰৰ এডোখৰ লাগতিয়াল ঠাই বা এটা পুৰণি স্মৃতি চিন চাবলৈ ঠেং এখোজ আগবঢ়োৱা নাই, তেনেহলে এনেজনৰ ব্ৰহ্মাণ্ডৰ জ্ঞান ফুটুকাৰ ফেনসোপা নহয় নে কি? সন্থান হীন পুৰুষ বা স্ত্ৰীৰ দৰে কৰ্ম্মহীন ভাব, জ্ঞান আৰু আৰু আদৰ্শও বঁজা আৰু অপবিত্ৰ। তেনে ভাব, জ্ঞান আৰু আদৰ্শক প্ৰশ্ৰয় দিয়া শিক্ষা অশিক্ষাৰ নামান্তৰ মাথোন। ভাল শাৰীৰিক ব্যায়ামে যেনেকৈ ঢোৰোহা মানুহৰ গা আঁটিল কৰি কৰ্ম্মপটু কৰে, সুশিক্ষায়ো সেইদৰে জ্ঞানৰ বিলাসিতা দূৰ কৰি প্ৰকৃত মানুহ গঢ়ে।

যাইকৈ শাৰীৰিক বিষয়ত বৰপেটাৰ ছাত্ৰসকলৰ বিশেষ সুখ্যাতি শুনি আহিছোঁ। কিন্তু টুৰ্ণমেণ্টত ফুটবল ক্ৰিকেট আৰু টগ্-অৱ্-ৱাৰৰ প্ৰতিযোগিতাত জিকাটোকে মই হলে শাৰীৰিক উৎকৰ্ষৰ চৰম লক্ষ্য বুলি কেতিয়াও নকওঁ। কামৰ সমানবোধক সাৰথি লৈ এই শাৰীৰিক উৎকৰ্ষ আপোনাসকলে ফলদায়ক কামত লগাব লাগে। এনে ছাত্ৰো আপোনাসকলৰ মাজত কেতিয়াবা দুৰ্ভাগ্য-ক্ৰমে দেখিবলৈ পাওঁ, যি শাৰীৰিক ব্যায়ামৰ কাৰণে স্কুলৰপৰা আহিয়ে কিতাপকলি পেলাই ফুটবল খেলিবলৈ লৰ দিব, কিন্তু ঘৰত মাকে গধূলি ভাত খাবলৈ খৰি এডাল ফালিবলৈ কৈ ফলাব নোৱাৰি নিজে হাতত কুঠাৰ লয়। এনে শাৰীৰিক ব্যায়ামৰ আদৰ্শ আপোনা-সকলে নিশ্চয় গৰিহণা দিব। বিলাসিতাক আপোনা-সকলে আশ্ৰয় নিদিয়ে বুলি মোৰ বিশ্বাস; এই বিলাসিতাই আমাৰ সমাজত পুৰুষৰ সংখ্যা খৰ্ব্ব কৰি তিকতাৰ লেখ বঢ়াইছে। পুতলাই মানুহৰ ভাও দিয়া চাবলৈ নিশ্চয় তৃপ্তিকৰ, কিন্তু মানুহে পুতলাৰ ভাও দিয়া চাবলৈ আপোনাসকলেও নিশ্চয় কষ্ট নাপাই নাথাকে।

লেখত তাকৰ হলেও, অনেক ছাত্ৰৰ দেশ-হিতৈষিতাৰ ভাব বাহিৰে বৰ প্ৰবল দেখা যায়; বাকী সৰহখিনিয়ে হয়তো প্ৰায়ে এনে অনুভাৱেই নকৰে। দুকালৰপৰা দুইটাকে মই দোষণীয় বুলিছোঁ। সমাজৰ প্ৰতি, দেশৰ প্ৰতি সকলোৰে নিজ কৰ্ত্তব্য আছে; এই কৰ্ত্তব্য-বোধ সকলোৰে অন্তৰত জাগ্ৰত থকা আৱশ্যক। কিন্তু ছাত্ৰজীৱনত বিশেষকৈ এই বিষয়ে অতি ধীৰ আৰু সংযত হৈ চলিবলৈ শিকিব লাগে, কিয়নো ই শিক্ষাৰ সময়, সাজু হোৱাৰ কাল। ভালকৈ ফুলা ফুলহে দেৱতাৰ পূজাত লাগে, কলি পূজাৰ বাবে অলাগক। দেশ মাতৃৰ পূজাৰ কাৰণেও ছাত্ৰসকলে সেইদৰে ফুলিবলৈ অৰ্থাৎ নিজে যোগ্যতা লাভ কৰা সময়লৈ বাট চাব লাগিব। সেৱাতেই জীৱনৰ সফলতা, সেই পৰম সেৱাধৰ্ম্মৰ ধৰমী হৈ আপোনাসকলে ভৱিষ্যত জীৱনত সমাজৰ আৰু জগতৰ সুখ-সমৃদ্ধি বঢ়াব, ইয়াকেই সৰ্ব্বান্তঃকৰণে মই আশা কৰিছোঁ। *

শ্ৰীডিম্বেশ্বৰ নেওগ

* যোৱা ১০ পুহ, ১৮৫০ শক, তাৰিখে বৰপেটাৰ শংকৰ হলত ছাত্ৰসমূহৰ সভাত দিয়া অভিভাষণৰ সাৰাংশ।

# বুৰঞ্জীৰ টোকা

(সংগ্ৰহ)

স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী

## ৰাজেশ্বৰ সিংহ

প্ৰমত্তসিংহ স্বৰ্গদেওৰ দিন উঠাৰ পাচত, তেওঁৰ ভায়েক সৰুজনা গোহাঞিদেও ১৬৭৩ শকৰ ৩০ আহিনত ৰজা হয়। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ কথা মতে প্ৰমত্ত-সিংহৰ পাচত তেওঁৰ বৰ ভায়েক বৰজনা গোহাঞি ৰজা হব লাগিছিল কিন্তু তেওঁ সৰুতে গুটি ওলাই বৃণীয়া হোৱা বাবে ৰজা হব নোৱাৰিলে। তেওঁ কেতিয়াবা ৰজাৰ দ্ৰোহ আচৰিব পাৰে, এই বুলি গেন্ধেলা বড়বৰুৱাই ৰজাত লগাই তেওঁক নগৰৰপৰা বাজ কৰি থোৱালে। ১৬৭৪ শকত স্বৰ্গদেৱে বৰ ধুমধামেৰে সাদিনীয়া উৎসৱ পাতি শিঙৰি ঘৰত উঠি আহোম মতে চুৰেম ফা আৰু হিন্দুমতে ৰাজেশ্বৰ-সিংহ নাম ললে। এই উৎসৱত দৰঙৰ ৰজা, গড়গঞা আৰু গুৱাহাটীয়া সকলোবিলাক ৰাজবিষয়া আৰু অসমৰ সকলো মহন্ত গোট খাইছিল। স্বৰ্গদেৱে সকলোকে যোগ্যতা অনুসাৰে বটা-বাহন আৰু দান-দক্ষিণা দি সন্তুষ্ট কৰি বিদায় দিলে।

**ৰজা**

এই জনা ৰজাৰ দিনত বুঢ়াগোহাঞি আছিল পোনতে লাংমাই কলীয়া আৰু তাৰ পাচত কুঁৱৈগঞা ভগী; বড়পাত্ৰগোহাঞি আছিল পোনতে কম্বুকণ্ঠ আৰু তাৰ পাচত লেবেঙ্গিয়াল। বড়গোহাঞি আছিল পোনতে ঘুমলী গোহাঞি আৰু তাৰ পাচত মাছৰিয়ালৰ বড়জনা গোহাঞি; বড়ফুকন আছিল পোনতে তৰুণ দুৱৰাৰ নাতি বহিখোৱা আৰু তাৰ পাচত তেওঁৰে দদায়েক তামুলি বোলা জনা। এইসকল ডাঙ্গৰীয়াৰ ভিতৰত ঘুমলী বড়গোহাঞিক ৰাজ-মন্ত্ৰী পতা হৈছিল কিন্তু তেওঁ ধুকালত লেবেঙ্গিয়াল বড়পাত্ৰ ৰাজমন্ত্ৰী হয়। বকতিয়ালৰ গেন্ধেলা বড়বৰুৱা এইজনা ৰজাৰ বড় প্ৰিয়পাত্ৰ আছিল আৰু তেওঁৰ বুধি পৰামৰ্শ স্বৰ্গদেৱে বড়কৈ শুনিছিল।

**ৰাজবিষয়া**

স্বৰ্গদেৱে নামনি অসম চাবৰ শুণে আৰু তাৰ তীৰ্থবিলাক দৰ্শন কৰিবৰ নিমিত্তে ১৬৭৮ শকৰ পুহ মাহত গুৱাহাটীলৈ আহিল। তেওঁ কমাখ্যাকে আদি কৰি সকলোবিলাক তীৰ্থ দৰ্শন কৰিলে আৰু মাছ-পহু মাৰি অনেক ৰং-ধেমালি কৰি ফিৰিকা বছৰৰ চত মাহত ৰংপুৰলৈ উভটি আহিল। স্বৰ্গদেৱৰ লগত যোৱা বহুত মানুহ হানি পৰিল।

**তীৰ্থদৰ্শন**

বকতিয়ালৰ ঘৰৰ গেন্ধেলা, প্ৰমত্তসিংহ স্বৰ্গদেৱৰ দিনতে বড়বৰুৱা হয় আৰু যাইকৈ তেওঁৰ পৰাই ৰাজেশ্বৰসিংহই সিংহাসন পায়। সেই আগাহতে ৰাজেশ্বৰ-সিংহই তেওঁৰ বুধি-পৰামৰ্শলৈয়ে সকলো কাম কৰিছিল।

**গেন্ধেলা বড়বৰুৱা**

গেন্ধেলা বড়বৰুৱা অতি বুধিয়ক আৰু ক্ষমতাপ্ৰিয় লোক আছিল, সেই গুণে অইন অইন ডাঙৰীয়াসকলে তেওঁক দেখিব নোৱাৰিছিল। বড়গোহাঞি ডাঙ্গৰীয়াই "চকৰিফেটী" নামে বুৰঞ্জী এখন উলিয়াই, বকতিয়ালৰ ঘৰ আগেয়ে জলধৰটাকাঁড়ী আছিল বুলি প্ৰকাশ কৰে। বড়বৰুৱাই এই কথাত লাজ পাই নড়াদেশৰপৰা তেওঁৰ বংশৰ মানুহ আনি, তেওঁবিলাকৰ ঘৰ যে আগৰে ভাল আহোম তাক বুজালে আৰু স্বৰ্গদেৱৰ হতুৱাই যাৰ ঘৰত যি বুৰঞ্জী পালে সকলোখিনি গোটোৱাই যিবোৰ বুৰঞ্জীত আছুটীয়া কথা পালে সেইবোৰ খুড়ি পেলালে। তেতিয়াই আমাৰ দেশৰ বহুত বুৰঞ্জী পুথি লোপ পালে আৰু অনেক ঐতিহাসিক কথাও নষ্ট হল। বড়বৰুৱাৰ এই কামত ডাঙ্গৰীয়াবিলাকে তেওঁক আৰু বিষম পোৱা হল। নাওশলীয়া ফুকন, ঢেকিয়াল বৰুৱা আৰু বেজবৰুৱা প্ৰমুখ্যে ১০জন মান মানুহে বড়বৰুৱাক চোৰাংকৈ বধ কৰিবৰ নিমিত্তে আলচ পাতিলে। ১৬৮৫ শকৰ, কাতি

মাহত এদিন বড়বৰুৱা ৰজাৰ ঘৰলৈ যাওঁতে সিংহ-দুৱাৰৰ মুখতে এটা মানুহে তেওঁৰ ডিঙিতে ধৰিলে, কথমপি নেলু নিছিগিল। সৰ্গদেৱে এই কথা শুনি বৰ বেজাৰ পালে আৰু চোলধৰা ফুকন, ৰাইডঙ্গিয়া ফুকন আৰু পংৰী ডেকাক, ইয়াৰ বিচাৰ কৰিবলৈ ভাৰ দিলে। তেওঁবিলাকৰ বিচাৰত নাওশলীয়া ফুকন, ঢেকিয়াল বৰুৱা আৰু বামুণ বেজবৰুৱা প্ৰমুখ্যে দহজন দোষী চাবুদ হল আৰু সৰ্গদেৱে অপৰাধীবিলাকক নাক, কাণ, ছুলি কাটি উগ্ৰদণ্ড কৰিলে। আৰু তেতিয়াৰে পৰা বৰবৰুৱাৰ গা-ৰখীয়াকৈ টাঙ্গোন ধৰা দিলে। ৰসেন্দ্ৰৰ ঘৰৰ শূলপাণি বৰুৱাই বৰবৰুৱাক সৰ্গদেৱৰ কথামতে এমাহৰ নূৰত সভাত ৰহিব পৰা কৰি দিয়া বাবে সৰ্গদেৱে তেওঁক বড়ভণ্ডাৰ বৰুৱা খিতাপ দি বিশেষ মান-মৰ্য্যাদা দিলে।

## কমলেশ্বৰসিংহ

১৭৩২ শকৰ মাঘ মাহৰ ৫ দিন যাওতে বৃহস্পতি-বাৰে পুৱা ৪ তাৰ বেলি হোৱাত সপ্তমি তিথিত, কমলেশ্বৰসিংহ ৰজা বসন্ত ৰোগত স্বৰ্গী হল। সৰ্গদেৱৰ ভাই চাৰিঙ্গিয়া গোহাঞিদেৱক সেই শকতে শুকুৰবাৰে অৰ্থাৎ পাচদিনা ৰজা পাতিলে। দিলীহিয়ালৰ ৰাম কটকী আহি গুৱাহাটীত গোহাঞি পানীফুকনকে মোক্ষ কৰি সকলো ফুকন ৰাজখোৱাক দোপদৰ ঘৰত চপাই এই আজ্ঞা শুনালে।

## প্ৰতাপবল্লভ বৰফুকন।

১৭৩২ শকৰ আঘোণ মাহৰ ৭ দিন যাওতে বুধ-বাৰে পুৱা ১ দণ্ড বেলি হোৱাত দশমী তিথিত মৃত্যু হয়। তেওঁক অশ্বক্ৰান্তত দাহ কৰা হল, তেওঁ সন্দিকৈ বংশৰ আছিল। স্বৰ্গদেওত এই বাৰ্ত্তা জনালত কুকুৰা-চোৱা বড়া আৰু চাওদাঙ বড়াক পঠিয়াই বৰফুকনৰ ঘৰ আৰু তেওঁৰ খাটনিয়াৰ আৰু লিগিৰাৰ ঘৰও লুৰিলে। এইজন বৰফুকনকে কলিয়া ভোমোৰা বৰ-ফুকনো বুলিছিল।

## পুৰন্দৰসিংহ। (১৭৪০—১৭৪১)

ব্ৰজনাথৰ শৰীৰত ঘুণ থকা বাবে তেওঁ ৰজা হব নোৱাৰিলে। তেওঁৰ পুতেক পুৰন্দৰসিংহ ৰজা হল। তেওঁক ইংৰাজে ১৮৩৩ চনৰ নবেম্বৰ মাহত যোৰহাটত ৰজা পাতে।

তেওঁৰ কোনো সৈন্য সামন্ত নাছিল। কেৱল ৫০০ অসমীয়া চিপাহী আছিল। সিহঁতে ৰাজঘৰৰ ৰখীয়া আদি civil কাম কৰিছিল। তেওঁৰ সেনাৰ নায়ক আছিল এজন ইউৰেচিয়ান আৰু নাম আছিল কাপ্তান ব্ৰুচ। তেওঁ মাহে ৩০ টকা দৰ্মহা পাইছিল আৰু মাটী দিছিল। চিপাহীবিলাকে মাহে ১৸০ কৈ পাইছিল আৰু মাটী পাইছিল। চিপাহীবিলাকৰ বন্দুক পাথৰ কলাই আছিল আৰু এচাল কিৰিচ কঁকালত বন্ধা আছিল এছটা কলা চামৰাৰ পেটিত। সিহঁতৰ পোষাক কপাহী আছিল আৰু ছুৰীয়া পিন্ধিছিল হিন্দুস্থানী ধৰণেৰে। সিহঁত সাহীয়াল আছিল কিন্তু ৰজাই কলে সিহঁতৰ ওপৰত অলপো বিশ্বাস নকৰিছিল। ৰজাই যে অকল চিপাহীক বিশ্বাস নকৰিছিল এনে নহয় কোনো বিষয়াকে বিশ্বাস নকৰিছিল। তেওঁৰ অনুৰোধত এটা ফৌজ ৰখা হৈছিল এজন দেশী বিষয়াৰ তলত। যোৰহাতত আছিল। যেতিয়া পুৰন্দৰসিংহক ৰজা পাতিলে তেতিয়া ডাঙৰ ডাঙৰ বিষয়াবিলাকে নজৰ দিব লাগিছিল। তেওঁবিলাকে তেওঁবিলাকৰ আগৰ খেলবোৰ পাবৰ নিমিত্তে। এইদৰে পুৰন্দৰসিংহয় চিকাৰূপ ১১০০০ পাইছিল, গৰু-মহ আৰু আন আন বস্তু এৰি। যজ্ঞোৰাম খাৰঘৰীয়াফুকনে সকলোতকৈ বেছি নজৰ দিছিল। তেওঁৰ খেলেই সকলোতকৈ ডাঙৰ আছিল আৰু তেওঁ ১০০০ চিকাৰূপ নজৰ দিছিল। যজ্ঞোৰাম খাৰঘৰীয়াফুকন ইমান চতুৰ আছিল যে তেওঁ যেনে শুনিলে যে চৰকাৰে পুৰন্দৰক ৰজা পাতিব, তেওঁ উজনীৰ খেললৈ গৈ পাইকবিলাকৰ পৰা ২০০০ টকা নতুন ৰজাক দিব লাগে বুলি তুলিলে। তাৰে ১০০০ ৰজাক দি ১০০০ নিজে খালে। পলিটিকেল এজেণ্ট মেজৰ হোৱাইটে পুৰন্দৰ-সিংহক গদিত বহুৱালে।

আসাম লাইট ইনফেনট্ৰিৰ সেনাবিলাকক লাইন কৰা হৈছিল, বন্দুক ৰৰটোপ সজোৱা হৈছিল। ৰজাৰ হাতীবিলাক নানা ৰঙ্গেৰে চিত্ৰিত হৈছিল। ৰজা ৰহা খোটালিত বগা কাপোৰৰ কেপকৰা পৰা হল। মাটি-তকৈ কেইবা থাকো ওখকৈ (এয়ে সিংহাসন) ওপৰত চন্দ্ৰতাপ অড়া হয়। মেজৰ হোৱাইটে ৰজাক হাতত ধৰি সিংহাসনত তুলি দিলে। তেতিয়া কেউফালে কালি আৰু ভেৰিৰ শব্দ হবলৈ ধৰিলে। মেজৰ চাহাবে সক-লোকে শুনাই কলে, যে চৰকাৰ বাহাদুৰে তেওঁক এই গদি দিছে আৰু আশা কৰিছে যে তেওঁ প্ৰজাৰ ন্যায়-মতে শাসন কৰিব আৰু ইংৰাজৰ কোমল আইনমতে অসমৰ কঠোৰ আইনেৰে শাসন নকৰিব। যেতিয়া সেই কাজ হৈ গল, তেতিয়া তাত থকা চাহাব কেইজনক থালত কৰি উপহাৰ দিয়া হল। উপহাৰৰ ভিতৰত সোণৰ থালত এটা পোষাক।

## পুৰন্দৰ ৰজাৰ মৃত্যু

যোৰহাট নগৰত মহাৰাজা পুৰন্দৰ সিংহৰ ৩ দিন পৰ্য্যন্ত মধুমেহৰ পীড়া উপস্থিত হৈ ১৮৪৬ সনৰ ১ লা অক্টোবৰ বৃহস্পতিবাৰৰ দিনা বেলি ২ বজাৰ সময়ত মৃত্যু হল। তেতিয়া দুৰ্গা পূজা চাবলৈ ফুকন, বৰুৱা আদি বৰবৰুৱা ডাঙৰীয়াসকল গোট খাই মহাৰাজক নগৰৰ পৰা বাহিৰ কৰি দহন আদি কৰিবৰ নিমিত্তে শ্ৰীযুত কামেশ্বৰসিংহক মৃত্যু ৰজাৰ শ থকা ঠাইতে বৰ চ'ৰাত কাপোৰ পাৰি বহুৱাই। বৰবৰুৱা আৰু ডাঙৰীয়াসকলে ৪ বজাৰ সম-য়ত পূৰ্ব্বে পিতৃ ৰজাই যুবৰাজ নাম দিয়া শ্ৰীযুত কামে-শ্বৰসিংহক এক সেৱা কৰি যুৱৰাজ মৰ্য্যদা দিলে। পাছে যুৱৰাজে সোণ, ৰূপ, কাঁহ আৰু তাম এই চাৰি কলহেৰে মৃত ৰজাক গা ধুৱাই, ৰাজ অলঙ্কাৰ পিন্ধাই, সবাইত সাজ কাপোৰ দি, কুঁৱৰী আৰু গোহাঞিসকলে সেৱা জনাই, চাঙ্গটি চান্দোৱৰ তৰি, চৌদোলাত তুলি দিচৈ নৈৰ ওচৰলৈ নি আঁৰ কাপোৰ তৰি চন্দন কাঠ আদিৰে দহন কৰিলে। শ নিওঁতে বৰলোক আৰু সৰুলোক অনেক গৈছিল।"

১৮৪৬। অক্টোবৰ।

## পুৰন্দৰসিংহৰ বাণী

পুৰন্দৰসিংহ ৰজাৰ বৰৰাণী গুৱাহাটীৰপৰা উজাই আহোঁতে মুনিচন্দ্ৰ ব্ৰাহ্মণে আগবাঢ়ি গৈ আপোনাৰ নাৱত তুলি আনি ৰাণী অলপ বেমাৰ হোৱাত দৰৱ খুৱাও বুলি বিষম দৰৱ খুৱাই মাৰিলে। পাচে ধৰা পৰিলত ধনৰ লোভত মাৰিলে বুলি জানি বিচাৰকৰ্ত্তাসকলে জনমভৰ ফাটেকত দিলে।

## ৰজাৰ ঘৰত চোৰ

১৮৪৩ চনৰ ৩০ জুলাই তাৰিখে যোৰহাটৰ শ্ৰীযুত পুৰন্দৰসিংহ মহাৰাজৰ ঘৰত চোৰ সোমাই পেৰা আৰু ৰূপাৰ টিঙ্গিৰি কাটি কাপোৰ আৰু অলঙ্কাৰ ২৪১৪৲ টকাৰ বস্তু নিলে।

## বগা বাঘ

কমলেশ্বৰ ৰজাৰ দিনত সদিয়াত এটা বগা বাঘ ধৰি জীয়াই ৰজাক ভেটিবলৈ আনিছিল। ১৮৫১ সনৰ মাৰ্চ্চ মাহত ডিব্ৰুগড়ত কোনো বাঘ-মৰিয়াই শ্ৰীযুত ডাক্তৰ ম্যাৰ্ক চাহাবক এটা বগা বাঘৰ চাল আৰু মূৰ দিছিল। নেজ দীঘল গোটেই গা সুধ বগা। তাক চাবলৈ চাৰিওফালৰ পৰা বহু মানুহ আহিছিল।

## বানপানী

১৮৪৬ সনৰ জুলাই মাহত ব্ৰহ্মপুত্ৰৰ পানী ইমানকৈ বাঢ়িছিল যে মানুহে ঘৰৰ চালৰ ওপৰত উঠি থাকিব লগা হৈছিল। বুঢ়াগোহাঁইৰ দিনৰপৰা ইমান পানী উঠা নাছিল।

১৮৪৬। জুলাই।

## কাকতি ফৰিঙ্গ

মানৰ দিনৰ পূৰ্ব্বে আসাম দেশত কাকতি ফৰিঙ্গ উজাইছিল। তাৰ পিছত মানে দেশ ললে। মৰানে দেশ লুটিলে, ৰজা আৰু আন আন বিষয়াবিলাক ভাগিল। দেশত মাউৰ লাগিল আৰু বৰ ডাঙৰ আকাল হৈছিল। অনেক মানুহ খাবলৈ নেপাই মৰিল। ১৮৪৪ সনৰ ২৭ জানুৱাৰীত শনিবাৰে আন্দাজ বেলি এপৰ ডেৰপৰ উঠা সময়ত শিৱসাগৰত কাকতি ফৰিঙ্গ উজাইছিল। আকাশ মেঘৰদৰে ঢাকি পেলাইছিল।

অৰুণোদয়—১০৪৬ জুন মাহৰ।

১৮৪৩ সনত কোনো কোনো অসমীয়া লৰাই কলি-কতা মেডিকেল কলেজত পঢ়িবৰ নিমিত্তে ভৰ্ত্তি হৈছিল।

### আসামলৈ অহা প্ৰথম জাহাজ

১৮৪৭ সনৰ ১৩ আগষ্ট তাৰিখে “কমলা” জাহাজ কলিকতা এৰি আগষ্টৰ ২৯ তাৰিখে গুৱাহাটী পালেহি। সেই জিলাৰ চাহাব, মেম আৰু অসমীয়া ভদ্ৰলোক মুঠতে তিনি শ মানুহ তাৰ ওপৰত উঠি অলপ উজুৱা ভটিয়া কৰি দেখায়। এখন নাও কলিকতাৰপৰা গুৱাহাটী পাওঁতে চাৰিমাহমান লাগিছিল। কলিকতাৰ পৰা গুৱাহাটীলৈ জাহাজ উজাওঁতে ১৩ দিন আৰু ভটিয়াই যাওঁতে ৯ দিন লাগে। তেতিয়া ভাড়া প্ৰথম শ্ৰেণীত ১৫০৲ টকা আছিল। তৃতীয় শ্ৰেণীত ১৮৫০ অনা আছিল।

---

## জীৱন-কবিতা

কি কবিতা লিখিম ছুনাই !
হাঁহি-অশ্ৰু নানা-ৰসনাৰে,
সুখ-দুখ বিবিধ ছন্দেৰে
জীৱনেই কবিতা, সোণাই !
কি কবিতা লিখিম ছুনাই ?

•

হাঁহি-ৰেখা তিৰ্‌বিৰ্ কৰি,
মোৰ অশ্ৰু কণিকাত পৰি
ইন্দ্ৰধনু কৰিলে ৰচনা,—
মোৰ এই অকিঞ্চিৎকৰ
কিয় হীন মানৱী কল্পনা ?
কি কবিতা কৰিম ৰচনা !

•

তাতে মায়া-কুঁৱৰীসকলে
জুৰি দিগ্‌দিগন্তৰ বাণ,
দিলে ভেদি ত্ৰিদিৱৰ হিয়া,—
ঘূৰি আহি ললে নিজ স্থান :—
কি কবিতা কৰিম নিৰ্ম্মাণ ?

•

ত্ৰিদিৱৰ হিয়া-ভেদা সেই
সকৰুণ বিননিটি উৰি
সেই শৰ পিছে পিছে খেদি
আহি আহি পৃথিৱীৰ কালে,
নাপাই সি শৰৰ সন্ধান
মোকে হায় অভিশাপ দিলে :—
'যাৰ হাঁহি-চকুলোৰ সতে
ৰচা ই বিচিত্ৰ ইন্দ্ৰচাপ,
সিয়েই ভোগক এই তাপ !!'
পেলালে জীৱন সেয়ে পুৰি,—
কি কবিতা দিম আৰু জুৰি ?

•

এনে অভিশাপ শৰেৰেই
ক্ৰৌঞ্চ পখী নিষাদে বধিলে,
এনে দীপ্ত প্ৰতিভা-বাণেৰে
বাল্মীকিকো বাণীয়ে বিন্ধিলে !—
তাৰে ৰামায়ণ অনুপম,—
কি কবিতা কৰিম ৰচন ?

•

সেয়ে জীৱনৰ ৰামায়ণ,
সেয়ে ৰাম-সীতা-বনবাস,
সেয়ে হায় পাতাল-গমন,
হৃদয়ৰ মধুৰ উচ্ছ্বাস !
এয়ে নৱ-সংসাৰৰ এটি মাত্ৰ
কল্পনাৰ জলন্ত সবিতা,—
মই কিনো ৰচিম কবিতা ?

•

হাঁহি-অশ্ৰু নানা ৰসনাৰে,
সুখ দুখ বিবিধ ছন্দেৰে
জীৱনেই কবিতা, সোণাই !
কি কবিতা ৰচিম ছুনাই ?

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# মহাত্মা গান্ধীৰ গীতাৰ প্ৰথম অধ্যায়ৰ আধ্যাত্মিক ব্যাখ্যা

(“ইয়ং ইণ্ডিয়া”ত ওলোৱা প্ৰৱন্ধৰ ভাঙনী)

গীতা মহাভাৰতৰ এটা ক্ষুদ্ৰ অংশ। মহাভাৰতক বুৰঞ্জীমূলক পুথি বুলি ধৰা হয়। কিন্তু আমাৰ পক্ষে মহাভাৰত আৰু ৰামায়ণ উভয়েই বুৰঞ্জীমূলক পুথি নহয়, কিন্তু ধৰ্ম্মসম্বন্ধীয় পুথিহে আৰু যদি আমি সেইবোৰক বুৰঞ্জী বোলো তেন্তে সেইবোৰ আত্মাৰ হে বুৰঞ্জী। হাজাৰ হাজাৰ বছৰ পূৰ্ব্বে কি ঘটিছিল তাৰ বিৱৰণ ই নহয়, কিন্তু আজি প্ৰত্যেক মানুহৰ হৃদয়ত কি ঘটিব লাগিছে তাৰ হে ই ছবি।

মহাভাৰত আৰু ৰামায়ণ উভয়তে দেৱতা আৰু অসুৰ, ৰাম আৰু ৰাৱণৰ ভিতৰত নিতৌ যি সংগ্ৰাম চলিব লাগিছে তাৰ বিৱৰণ আছে। গীতাত দিয়া শ্ৰীকৃষ্ণ আৰু অৰ্জ্জুনৰ কথোপকথনো এনেকুৱা এটা বিৱৰণ। সেই কথোপকথন সঞ্জয়ে অন্ধ ধৃতৰাষ্ট্ৰৰ আগত আবৃত্তি কৰে। গীতা মানে গান। ইয়াত উপনিষদ শব্দটো উহ্য আছে। সেই কাৰণে ইয়াৰ সম্পূৰ্ণ মানে হৈছে 'যি উপনিষদ গোৱা হয়'। উপনিষদ মানে জ্ঞান—উপদেশ। সুতৰাং গীতা মানে শ্ৰীকৃষ্ণই অৰ্জ্জুনক দিয়া উপদেশ।

### অন্তঃস্থ ঋষি

আমি এই উপলব্ধিৰে গীতা পঢ়িব লাগে যে আমাৰ অন্তঃস্থ ঋষি ভগৱন্ত শ্ৰীকৃষ্ণ যেন আমাৰ হৃদয়ত সদায় আছে আৰু যেতিয়াই আমি অৰ্জ্জুনৰ নিচিনাকৈ জ্ঞানাকাঙ্খী হৈ তেওঁৰ শৰণ লওঁ তেতিয়াই তেওঁ আশ্ৰয় দিবলৈ সাজু। আমি সুপ্ত, কিন্তু আমাৰ অন্তঃস্থ ঋষি সদায় জাগ্ৰত। আমাৰ অন্তৰত জ্ঞানৰ স্পৃহা জাগিবলৈকে তেওঁ বাট চাই আছে। কেনেকৈ সুধিব লাগে আমি নাজানো আৰু আমি আন কি সুধিবলৈকো ইচ্ছুকো নহওঁ সেই বাবে আমি নিতৌ গীতাৰ নিচিনা শাস্ত্ৰৰ ধ্যান কৰোঁ।

ইয়াৰ বিষয়ে ধ্যান কৰি আমি আমাৰ অন্তৰত এটা ধৰ্ম্মজ্ঞানৰ আকাঙ্ক্ষা আৰু আধ্যাত্মিক অনুসন্ধানৰপৰা শিক্ষাৰ আকাঙ্ক্ষা জন্মাবলৈ ইচ্ছা কৰো। যেতিয়াই আমি টানত পৰি সান্ত্বনাৰ বাবে গীতাৰ শৰণ লওঁ আৰু সান্ত্বনা পাওঁ তেতিয়া গীতা আমাৰ পক্ষে গুৰু আৰু জননী হয়। আৰু আমাৰ বিশ্বাস হব লাগে যে তেওঁৰ কোলাত মূৰ সুমুৱালেই আমি সদায় নিৰাপদ হয়।

গীতাই আমাৰ সকলো আধ্যাত্মিক বিবুদ্ধিতা দূৰ কৰিব। যিসকলে এই ভাৱে গীতাৰ বিষয়ে ধ্যান কৰিব তেওঁলোকে ইয়াৰপৰা নিতৌ নতুন আনন্দ আৰু নতুন অৰ্থ পাব। এনেকুৱা এটাও আধ্যাত্মিক বিবুদ্ধিতা নাই যাক গীতাই দূৰ কৰিব নোৱাৰে। যদি আমাৰ অলপীয়া বিশ্বাসৰ বাবে আমি ইয়াক কেনেকৈ পঢ়িব বা বুজিব লাগে নাজানো তেন্তে সি সুকীয়া কথা! আমি দিনৌ গীতা আবৃত্তি কৰো যাতে আমাৰ বিশ্বাস ক্ৰমাৎ বৃদ্ধি হয় আৰু যাতে আমি সদায় জাগ্ৰত হৈ থাকিব পাৰো। গীতাৰ বিষয়ে এনেকৈ ধ্যান কৰি মই যি অৰ্থ পাইছিলো আৰু এতিয়াও পায়েই আছোঁ তাৰ সাৰাংশ আশ্ৰমবাসীৰ সাহাযাৰ কাৰণে ইয়াত দিলো।

পাণ্ডৱ আৰু কৌৰৱসকলে সসৈন্যে যেতিয়া কুৰুক্ষেত্ৰৰ যুদ্ধত উপস্থিত হয় তেতিয়া কৌৰৱৰ নেতা দুৰ্য্যোধনে গুৰু দ্ৰোণৰ আগত উভয় পক্ষৰ প্ৰধান প্ৰধান যোদ্ধাসকলৰ বিৱৰণ দিয়ে। উভয় পক্ষৰে সৈন্যদল প্ৰস্তুত হৈ শঙ্খধ্বনি কৰিলত অৰ্জ্জুনৰ ৰথৰ সাৰথি ভগৱন্ত শ্ৰীকৃষ্ণই

তেওঁলোকৰ বধ লৈ উভয় সৈন্যদলৰ মাজত উপস্থিত হয়। ইয়াকে দেখি অৰ্জ্জুনৰ মনত চাঞ্চল্য উপস্থিত হয় আৰু তেওঁ শ্ৰীকৃষ্ণক কয় "এইবিলাক লোকেৰে সৈতে মই কেনেকৈ যুদ্ধ কৰো? এওঁলোক আন মানুহ হোৱাহেতেন মই এতিয়াই এওঁলোকেৰে সৈতে যুদ্ধ কৰিলোহেঁতেন। কিন্তু এওঁলোক মোৰ মানুহ—মোৰ সম্পূৰ্ণ আপোন মানুহ। কৌৰৱ আৰু পাণ্ডৱৰ মাজত বিভিন্নতাই বা কত? তেওঁলোক খুৰা, পেহা আৰু মোমাইৰ পুতেক ভাই। আমি সকলো একেলগে লালিত-পালিত হৈছিলো। দ্ৰোণক অকল কৌৰৱে গুৰু বুলিব নোৱাৰি। তেৱেঁই আমাৰ আটাইকে সকলো বিদ্যা শিকাইছিল। ভীষ্ম আমাৰ গোটেই পৰিয়ালৰ ভিতৰত ডাঙৰ। তেওঁৰ লগতেই বা কেনেকৈ যুদ্ধ কৰা যায়?"

"সঁচা যে কৌৰৱসকল হত্যাকামী। তেওঁলোকে বহু দুষ্কাৰ্য্য আৰু অন্যায় কৰিছে। তেওঁলোকে পাণ্ডৱসকলক ৰাজ্যৰপৰা বঞ্চিত কৰিছে। তেওঁলোকে দ্ৰৌপদীৰ নিচিনা মহতী আৰু সতী নাৰীৰ অপমান কৰিছে। এইবোৰ তেওঁলোকৰ দোষ সঁচা, কিন্তু তেওঁলোকক বধ কৰিলে কি লাভ হব? তেওঁলোকৰ বুজা শক্তি নাই। মই কিয় তেওঁলোকৰ দৰে ব্যৱহাৰ কৰিম? মোৰ অন্ততঃ অলপ জ্ঞান আছে। মই ভাল-বেয়াৰ বিচাৰ কৰিব পাৰো; সেই কাৰণে মোৰ অৱশ্যে জনা উচিত যে সম্বন্ধীয়ৰ লগত যুদ্ধ কৰাটো পাপ। তেওঁলোকে পাণ্ডৱ-পৰিয়ালৰ অংশ গ্ৰাস কৰাত নো কি ক্ষতি হৈছে? তেওঁলোকেই আমাক বধ কৰক। তেওঁলোকৰ বিপক্ষে আমি কেনেকৈ হাত দাঙিম? হে কৃষ্ণ, এইবোৰ মোৰ নিজৰ সম্বন্ধীয়ৰ লগত মই যুদ্ধ নকৰো।"

### ঈশ্বৰৰ থকা ঠাই

এনেকৈ প্ৰথম অধ্যায়ৰ সামৰণি পৰে। এই অধ্যায়ৰ নাম অৰ্জ্জুন-বিষাদ যোগ। বিষাদ মানে মানসিক কষ্ট। অৰ্জ্জুনে যেনেকুৱা মানসিক কষ্ট পাইছিল আমিও তেনেকুৱা মানসিক কষ্ট পাব লাগে। আধ্যাত্মিক যন্ত্ৰণা আৰু জ্ঞানলৈ তৃষ্ণা নহলে জ্ঞান লাভ হব নোৱাৰে। ভাল কি বেয়া কি তাক জানিবলৈ যি মানুহৰ মনত আন কি ইচ্ছাৰ অনুভূতিও নহয় সেই মানুহৰ ধৰ্ম্ম বিষয়ক ব্যাখ্যাৰে কি উপকাৰ হব?

কুৰুক্ষেত্ৰৰ যুদ্ধক্ষেত্ৰ কথা-প্ৰসঙ্গত হে, আচল কুৰুক্ষেত্ৰ হৈছে আমাৰ দেহা। ই কুৰুক্ষেত্ৰ আৰু ধৰ্ম্মক্ষেত্ৰও। যদি আমি ইয়াক ঈশ্বৰৰ থকা ঠাই বুলি ভাবো আৰু কৰো তেন্তে ই ধৰ্ম্মক্ষেত্ৰ। এই যুদ্ধক্ষেত্ৰত এখন নহয় এখন সংগ্ৰাম আমাৰ আগত লাগিয়েই আছে আৰু এনেকুৱা বেছি ভাগ সংগ্ৰামেই "মোৰ' এইটো, তোমাৰ এইটো" এই ভাবৰপৰা লাগে। "মোৰ মানুহ আৰু তোমাৰ মানুহ" এই বিভিন্নতাৰপৰা এনেকুৱা সংগ্ৰামবোৰৰ উৎপত্তি হয়। সেই হেতু ভগৱন্তই অৰ্জ্জুনক পিছত উপদেশ দিব যে আসক্তি আৰু ঘৃণাই সকলো অধৰ্ম্মৰ মূল। এটা বস্তু মোৰ বুলি বিশ্বাস হলেই তালৈ এটা আসক্তি জন্মে আৰু এটা বস্তু মোৰ নহয় বুলি বিশ্বাস হলেই এটা ঘৃণা আৰু শত্ৰুতা জন্মে।

### মোৰ আৰু তোমাৰ

গীতা আৰু পৃথিবীৰ আন আন ধৰ্ম্ম-শাস্ত্ৰই আমাক কয় যে মোৰ আৰু তোমাৰ বিভিন্নতা পাহৰি পেলাব লাগে, অৰ্থাৎ আসক্তি আৰু ঘৃণা উভয়কে পৰিত্যাগ কৰিব লাগে। ইয়াক কোৱা এক কথা আৰু এইমতে কাৰ্য্য কৰা আন কথা। গীতাই আমাক এই কাৰ্য্য কৰিবলৈকো শিকনি দিয়ে। সেইটো কেনেকৈ তাক পিছত বুজিবলৈ চেষ্টা কৰিম।

(অসমীয়াৰপৰা উদ্ধৃত)

## প্ৰদ্যুম্ন

দূত— সবিনয়ে কুণ্ডিলৰ ৰাজদূতে প্ৰভু,
নিবেদিছে আপোনাৰ সাক্ষাৎ প্ৰাৰ্থনা।
কৃষ্ণ— কুণ্ডিলৰ ৰাজদূত? উপযুক্ত বেলা
সি আহিছে। মাতি আন তাক এতিয়াই।
(দ্বাৰকাৰ দূত ওলাই যায়; পাছতে কুণ্ডিলৰ দূত সোমাই
আহি প্ৰণাম জনায়)
কিনো দূত? কুণ্ডিলৰ পূজ্য নৃপতিয়ে
কিয় পঠিয়ালে তোক? আছেনে ৰাজ্যত
সদউ কুণ্ডিলবাসী কুশলে-কল্যাণে?
দূত— সবাৰে কুশল প্ৰভু, কুণ্ডিলপুৰত।
ৰাজমহাদেৱে মাথোঁ জীয়েকৰ ফালে
বাতৰি লবলে' মোক দিলে পঠিয়াই।
দ্বাৰকাৰ ৰাজদূতে কোৱাৰে পৰাই
সেই অসুখৰ কথা, চিন্তাকুলা ৰাণী;
আহিবৰ বাবে মোক নিদিলে তৰণি।
কৃষ্ণ— বৰ ভাল কথা। উপযুক্ত বেলাতেই
পঠিয়ালে তোক মহাদেৱে। যাবি তেন্তে,
ৰজা আৰু মহাদেই দুইকো আমাৰ
সবিনয়ে জনাই প্ৰণাম, কবি বাৰ্ত্তা—
ৰাজনন্দিনীৰ এটি জন্মিছে সন্তান;
পুত্ৰ মোৰ সকলো গুণেই সুলক্ষণা,
জীয়েকো কুশলে আছে সূতিকা-ঘৰত।
দূত— তেন্তে প্ৰভু, সেৱা মোৰ কৰিব গ্ৰহণ।
(যাব খোজে)
কৃষ্ণ— আৰু এটি কথা, দূত! কবি নৃপতিক,
ৰাজমহাদেৱে যেন এনে সুক্ষণত
দ্বাৰকাত এটিবাৰ চৰণৰ ধুলা
কৰেহি ৰঙেৰে দান। কেনে ভাল পাম
দেখি এনে সুখ-সময়ত! জীয়েকেও
কেনেনো হৰিষ দেহি লভিব হিয়াত!
বাৰু দূত, যাবি তই; এই কথা যেন
নাপাহৰ। যেনে তেনে আহে যেন ৰাণী।
দূত— নলোঁ। তুলি আদেশ শিৰত। ততালিকে
গই মই ৰাজনক জনাম বাতৰি।
(গুচি যায়)
কৃষ্ণ— দৰশন লাভ হলে প্ৰথম পুত্ৰৰ
সঁচাই উদ্ধাৰ হয় মানুহ জীৱন
পুং-নাম-ৰূপী ঘোৰ নৰকৰপৰা!
কিমান পৱিত্ৰ এই পুত্ৰ দৰিশন!
অহা দেখি স্বৰগৰ পৰা আৰু এটি
নতুন অতিথি, মৰতত কেউ পিনে
যাচে যেন সকলোৱে মঙ্গল-উৰুলি,
দেৱৰ দন্দুভি উঠে বাজি আকাশত!
পিতৃ-মাতৃ জ্ঞাতি-বন্ধু সবাৰে হিয়াত
অভিনৱ কিবা এটি আনন্দই যেন
মূৰ্ত্তি ধৰি উঠে নাচি নানা ভঙ্গিমাৰে!
সঁচা, সঁচা; ইদৰেই মানৱীক আহি
সংসাৰৰ মায়াজালে ধৰে মেৰিয়াই।
(ভিতৰত কান্দোনৰ বোল শুনি হঠাৎ থমকি ৰয়)
ই কি? ভিতৰত কোনে যেন ক্ৰন্দনৰ
বোল দিয়ে তুলি! সঁচাকৈয়ে বাৰু এনে
আনন্দত নিৰানন্দ আছে ক'ৰ পৰা?
ৰুক্মিণী— (ভিতৰত কান্দি কান্দি)
হায়, হেৰ ৰুক্মিণীৰ হিয়াৰ প্ৰদীপ!
কৰ লৰা-ঘৰে তোক নিলে পলুৱাই?
পাই হেৰুৱালোঁ হাততেই! প্ৰভু মোৰ!—
কৃষ্ণ— সঁচাকৈয়ে, ৰুক্মিণীৰ মাত যেন শুনো!
কিবা অমঙ্গল জানো সূতিকা-ঘৰত?
(দূত সোমাই আহে)
দূত— ঘোৰ অমঙ্গল, প্ৰভু! সূতিকা-ঘৰত

শুৱাই থোৱাৰে পৰা কেচুৱা পোনাটি
ক'ৰ পৰা কোনে জানো গল হৰি লই !
কৃষ্ণ— বৰ টান কথা ! নাছিল কেওনে বাক
সূতিকা ঘৰত ? নাছিল কাষত যাক ?
দূত— সকলো আছিল, প্ৰভু ! তথাপি দেখোন
সবাৰে মাজৰ পৰা লৰা কেনি গল
কোনেও নাজানে ! সকলো বিবুধি প্ৰায় ।
কৃষ্ণ— মুবুজোঁ ছলনা কৰি কোন দেৱতাই
পুত্ৰ মোৰ নিছে পলুৱাই ! ব'ল দূত,
শুনোগই সবিশেষ সকলো কাহিনী ।
(দুয়ো ওলাই যায়)

## দ্বিতীয় দৃশ্য—ৰুক্মিণীৰ সূতিকা-ঘৰ

(ৰুক্মিণী আৰু দাসীসকল ; কৃষ্ণ পোনেই সোমাই আছে)
ৰুক্মিণী— (কান্দি কান্দি)
নাথ ! ক'ত মোৰ পুত্ৰ-ৰত্ন ? ক'ত থলে,
কোনে নিলে, আনি মোক দিয়ক পুনৰ ।
উস ! হেৰ' ৰুক্মিণীৰ চকুৰ মণিটি,
কোন যমকালে আহি নিলে হৰি তোক,
দিনতে আন্ধাৰ কৰি মাতৃৰ হৃদয় ?
কৃষ্ণ— সঁচাকৈয়ে তেন্তে মোৰ পুত্ৰ আজি নাই ?
কোৱাঁ প্ৰিয়ে, তুমিয়েই কোৱাঁ আজি মোক,
কি কৰিলা পুত্ৰ মোৰ ? কাৰনো হাতত
তাক দিছিলা গতাই ? প্ৰথমতে ফুলা
মোৰ আশাৰ কলিটি, ক'ৰ কাল-কীটে
কুটি বাক পেলালেহি জঁয় ? হে অদৃষ্ট !
ভাল মোক শতুক শালিলি ! হায় পুত্ৰ !—
ৰুক্মিণী— প্ৰাণনাথ, পুত্ৰক কৰাতো নাই মই
নিজে কাকো সমৰ্পণ । আছিলোঁ ইয়াতে
সকলোৰে স'তে মই বহি ৰঙমনে
কাষতেই পুত্ৰক শুৱাই ; পাছে দেখোঁ
উদঙ্‌ উদঙ্‌ মোৰ লাগিল হৃদয়,
পাটিত পুত্ৰক আৰু নেদেখিলো মই ।
কৃষ্ণ— তেন্তে কোনো দেৱতাই কিবা ছল কৰি
নিশ্চয়েই হৰিছে পুত্ৰক ! মুবুজিলো
কিবা পাপ আৰ্জ্জিছিলো সিটো জনমত ।
(নাৰদ সোমাই আহে)
আহা মোৰ সুহৃদ নাৰদ ! মোৰ এই
শোকৰ ভাওনা তুমি চোৱাঁহি এবাৰ ।
নাৰদ— কিবা কয় প্ৰভু, মই মুবুজো একোকে ।
আপোনাৰ শোকৰ ভাবনা ? জগতৰ
আদি-অন্ত সৃষ্টি-স্থিতি-সংহাৰ-নাটৰ
মহাভাবনাৰ যেয়ে মহানাট্যকাৰ,
তেওঁৰেই শোকৰ ভাওনা ? ভাঙি-পাতি
নকলে এবাৰ, মুবুজো একোকে মই ।
কৃষ্ণ— নোলায় মুখত মাত শোকৰ হেঁচাত ;
তথাপিও কওঁ শুনা, এটি পুত্ৰ মোৰ
জন্মিছিল অতি সুকুমাৰ ; কিন্তু হেৰা,
সূতিকা ঘৰৰে পৰা চকু-পচাৰতে
কৰবাৰ লৰা যমে নিলে তাক হৰি ।
নাৰদ— বুজিলো এতিয়া, প্ৰভু ! তেতিয়ানো বাৰু
নাছিল নে কোনোৱেই সূতিকা-ঘৰত ?
ৰুক্মিণী— নিজেই আছিলো বহি পুত্ৰক শুৱাই ।
নাৰদ— সঁচাকৈয়ে আচৰিত লাগিছে সকলো ।
কৃষ্ণ— ভাবিছোঁ, নাৰদ, মই পূৰ্ব্ব জনমত
আচৰিলো কিবা মহাপাপ ; তাৰে বাবে
বিধাতাই আজি মোক দণ্ডিছে ইদৰে ।
নাৰদ— আপুনি নিজেই প্ৰভু, সবাৰে গৰাকি ;
সংসাৰত থাকি মাথোঁ সংসাৰীৰ দৰে
ব্যৱহাৰ কৰিছে এতিয়া । কোনে পাৰে
আদি-অন্ত ধৰিব তোমাৰ, লীলাময় !
তথাপিও সামান্য এটি পুত্ৰৰ কাৰণে
এইদৰে ম্ৰিয়মান হলে প্ৰভু নিজে,
জগতক কোনে বাৰু যাচিব সান্ত্বনা ?
আই সতী ৰুক্মিণীক উদ্ধাৰ কৰিব
কোনে শোক-সাগৰৰ পৰা ? সেইদেখি,
কৰিছোঁ মিনতি,—সম্বৰক সম্বৰক
দাৰুণ চকুলো এই অনুশোচনাৰ ।



আকাশীবাণী—সম্বৰা সম্বৰা প্ৰভু বিষাদ মনৰ,
লভিবা হেৰুৱা পুত্ৰ অচিৰে পুনৰ ।
নাৰদ— শুনিছে শ্ৰীহৰি, সেয়া মোৰ বাক্যকেই
দিছে কৰি প্ৰতিধ্বনি আকাশীবাণীয়ে ।
কৃষ্ণ— আহাঁ প্ৰিয়ে, আৰু তেন্তে নকৰো বেজাৰ,
হেৰুৱা পুত্ৰক আমি লভিম পুনৰ ;
দেৱতাৰ এই বাণী নাযায় অথলে ।
(নাৰদৰ একালে আৰু কৃষ্ণ-ৰুক্মিণীৰ আনকালে
প্ৰস্থান)

## তৃতীয় দৃশ্য - সম্বৰৰ ঘৰ

সম্বৰ— শেষবাৰ আঁতৰালোঁ জীৱন—কণ্টক !
কৰি গল মহা হিত দেৱতা নাৰদে ।
কোনে বাৰু ভাবিলেহেঁতেন, এই ক্ষুদ্ৰ
শিশুৱেই যমকাল ৰূপে আহি মোৰ
এনেকই জনমিব বুলি ? এনেদৰে
স্বয়ং কৃষ্ণৰ ভাৰ্য্যা ৰুক্মিণী দেৱীৰ
সূতিকা ঘৰৰ পৰা কোনে মোত বিনে
পাৰিলেহেঁতেন হৰি আনিব শিশুক ?
এতিয়া নিশ্চয় চাগে' সেই শিশু গই
পানীৰ জন্তুৰ খাদ্য ধৰিছে যোগান ।
এতিয়া, এতিয়া—সম্বৰ অমৰ হল ;
মৰণৰ শঙ্কা আঁতৰিল ! আৰু মই
পাপৰ মূৰত ভৰি থই হেলাৰঙ্গে
মায়াৱতী স'তে মজোঁ ৰতি-সম্ভোগত ।
আহা ! মায়াৱতি, আহাঁ কাষ চাপি ।
[মায়াৱতী সোমাই আহে]

মায়া—কি হেঁ, আজি দেখোন ৰঙ্‌ ৰহইচৰ পাৰ নোহোৱা হল ? বোলো কিহৰ বাবে বা এনে চপৰা-তেলে খাইছে ?

সম্বৰ—কাৰণটো নো মই কৈ দিব লাগিছে নে ? ৰহইচ্‌ লাগিছে ৰহদৈ মায়াৱতীৰ সেই সবিস্ময় ফুল যেন মুখখনি দেখি ।

মায়া—থোৱাঁ, থোৱাঁ ; হোৱাই-নোহোৱাই তুমি আৰু সেই এষাৰ কথাকে কবলৈ নেৰা । কৰবাত কিবা কৰি আহিবা, লুকাবলৈ হলে দিবা ফাঁকিটো, ক'বা মায়াৱতীৰ কথা !

সম্বৰ—(হাঁহি হাঁহি) মই তেনেহলে এতিয়া ফাঁকিহে দিলোঁ ?

মায়া—ফাঁকি নহয় নো কি ? বাৰু তুমি শপত খাই কব পাৰা নে 'এইটো ফাঁকি নহয়' ?

সম্বৰ—কাৰ শপত খাম ? তোমাৰ ?

মায়া—মোৰ শপত খাবলৈ হলে তো ভালেই পোৱা ! কেতিয়া মই মৰোঁ, তালৈ হে বাট চাই আছা ?

সম্বৰ—(কাষ চাপি) কেলেই এনে কথা কোৱা, মায়াৱতি ! পাছে আজি সঁচাকৈয়ে এটা কথা কৰি আহিলোঁ । ৰুক্মিণীৰ গৰ্ভত জন্ম লোৱা এটা লৰাৰ হাতত যে মোৰ মৃত্যু আছে বুলি নাৰদে কৈছিল, আজি সেই লৰাটিৰে শৰাধ কৰি থৈ আহিলোঁ ; কোনেও গম নোপোৱাকৈ চুৰকৈ আনি আৰু—

মায়া—আনি কি কৰিলা ?—ডোখৰ-ডোখৰকৈ কুটি পেলালা ?

সম্বৰ—তেনেকুৱাই । তাৰ ঠেং দুটিত ধৰি একেবাৰে পানীৰ মাজলৈ পতন্ !

মায়া—ছিঃ ! তুমি অনাহক দেৱতাৰ কথাতে এনে এটা ডাঙৰ পাপ কৰিলা নহয় ? কিজানি সি তোমাৰ শত্ৰু নহয়েই ; তাক নো বাৰু ডাঙৰ হবলৈ দি সি কেনে কৰে নাচালা কিয় ?

সম্বৰ—পাপ ? সম্বৰে তেনে পাপৰ মূৰত ভৰি দি সদায়েই নাচিব লাগিছোঁ । মোক পাপলৈ ভয় কৰিবলৈ কৈছা ? হাঃ হাঃ !

মায়া—মাকৰ বুকুৰ পৰা এটা কেচুৱাক চিৰি আনিছা, সি কন্দা নাছিল নে ? তাৰ মুখলৈ চাই তোমাৰ দয়া নালাগিল নে ?

সম্বৰ—অসুৰৰ আকৌ দয়া-ময়া ? তাক দয়া কৰা মানে যে মোৰ মৃত্যু মাতি অনা ? বাৰু, মায়াৱতি, আহাঁ এতিয়া আমি নিশ্চিন্তমনে প্ৰমোদত মজি যাওঁগৈ ?
(ওলাই যায়)

মায়া—অসুৰ ! কেলেই এনেদৰে মূৰে-ভৰি কাঢ়িছ ?

দেৱতাৰ মায়া তই কি বুজিবি ? এইদৰে মৰণৰ হাত সাৰিলোঁ বুলি ভাবিছ হয়, কিন্তু সেই বুলি তই নিজকহে প্ৰবঞ্চনা কৰিছ। মৰণ এদিন আহিবই ; কেনেকৈ আহিব, তই গম নাপাবি, মই গম নাপাম ; কিন্তু তই মৰিবি, মই মৰিম, সকলো মৰিব। শিশু হত্যা পাপ! উস্, হে প্ৰভু, তুমি ভাল ৰঙ চাইছা।

( ওলাই যায় )

## চতুৰ্থ দৃশ্য—সম্বৰৰ ভিতৰ চোতাল

( সম্বৰৰ দাস আৰু এটা কেঁচুৱা হাতত লৈ এজনী দাসী )

দাস—হেৰ বাঘেখাতি, মোৰে শপত কচোন, এই লৰাটোনো বাৰু মাছৰ পেটতে পালি নে ?

দাসী—বাঘেখোৰ', মাছৰ পেটত নাপালে নো বাৰু মই কত পালোঁ অ' ?

দাস—নহয় পায়, কথা কেনেবাহে ; মই গৈ আমাৰ আইদেউক কথাটো জনাই থৈ আহোঁগৈ।

( সি ওলাই যায়, আৰু অলপ পাছতে মায়াৱতীৰ সৈতে সোমাই আহে )

মায়া—বৰ আচৰিত ! মাছৰ পেটত এনে এটি দেৱোপম লৰা কেনেকৈ হব পাৰে ? বাৰু, মাছটো কোনে আনিছিল, কেনেকৈ পালি, সকলো কথা মোক ভাঙি কচোন।

দাসী—আই, এয়া মাপোন অলপতে ছটা জালোৱাই পাঙি কৰি এই বিয়াগুম্ মাছটো বজাৰ ঘৰত পেলাই দি গলহি ; সিহঁত গৈ কিজানি এতিয়াও ঘৰ পোৱাগৈ নাই। মাছটো বাচোঁ-কুটোঁ বুলি মই লাহে লাহে পেটটো ফালিয়েই এই নোহোঁৱা-নোপজা কথাটো দেখিলোঁ। মোৰ গাৰ কঁপনি এতিয়ালৈকে মৰা নাই।

দাস—আই, মঞো এই কথা শুনি পোনতে এই হতচিৰীইতীয়ে মোক কিবা ফাঁকি ফুঁকা কৰিছে বুলিহে আছিলোঁ, পিছে এতিয়া দেখিছোঁ, কথা মিছা নহয়। লৰাটি ধুৱাই পখলাই লোৱা দেখি মই বোলোঁ কথা কিবা হে, এইটো নো ক'ৰ লেবেলী হাঁহৰ লোথোৰা কণী হল !

মায়—বাৰু, তহঁত এতিয়া ইয়াৰ পৰা যা, লৰাটো মোৰ হাতত দে। তহঁতে খোৱা-বোৱাৰ সকলো দিহা কৰগৈ। কিন্তু সাৱধান, এই লৰাৰ কথা যেন অসুৰে কোনোমতেই গম নাপায় ; এই কথাৰ কিবা গুং দিব লাগিলে এই লৰা জীয়াই নাথাকে, আৰু তহঁতো তাৰ বাবে শুদাই নাসাৰ।

দাস-দাসী—আই, আমাৰ পৰা কেতিয়াও এই কথাৰ ফুটকে নোলায়।

( দুয়ো ওলাই যায় )

মায়া— মাছৰ পেটত জন্মে অতি দেৱোপম
এনে এটি মানব সন্তান, কোনে বাৰু
মানিব প্ৰত্যয় ? তাতোকৈ আচৰিত,
ইয়াক দেখাৰে পৰা বাৰু, চিত মোৰ
ঘনে ঘনে কিয় হব খোজে বিচলিত ?
হৃদয়ত নজনা বাসনা, অজানিত
কোনোবা দেশৰ কিবা গুপুত আনন্দ
আৰু বিস্ময়েৰে ভৰা ৰহস্য-দুৱাৰ—
কোনে আহি বাৰে পতি যায় খুন্দিয়াই ?
নিশ্চয়, নিশ্চয়, মন্দেৰে নোপোৱা ঢুকি
কৰবাত কিবা এটি ৰহস্য মধুৰ
আছে, আছে বুলি, সঘনে হৃদয়ে মোৰ
জনায় ইঙ্গিত। যতে যি থাকোক লাগে
পবিত্ৰ দেহাৰ মোৰ এফালিৰ দৰে
এই পোনাটিক মই কৰিম যতন।—
আকউ পালেহি সউ দুৰ্জ্জন অসুৰ !
( মায়াৱতী খিতাতে লৰাটি লুকাই থৈ আহে )

সম্বৰ—মায়াৱতি, অলপতে কৰবাত কেচুৱা লৰাৰ কিবা গম পাওঁ যেন কৰিছিল।

মায়া—অ' তুমি পগলা হৈছা ! ক'ৰ লোকৰ লৰা পানীত পেলাই মাৰিবা, ঘৰত আহি তাৰে সপোন দেখিবা।

সম্বৰ—তেনেহলে মোৰ অনুমান মিছা। বাৰু, মায়াৱতি, ইয়াত অকলে কি কৰিছা ? ভিতৰত বিশ্ৰাম কৰোগৈ, আহাঁ !

( ওলাই যায় )



মায়া— ব'লা, মই তোমাৰ পিছতেই গৈছোঁ।
( আকৌ সন্তানটি নিজৰ হাতলৈ আনি লয়হি)
ইদৰেই, ইদৰেই জীউ মোৰ, তোক
সযতনে সঙ্গোপনে কৰিম পালন।
দুৰন্ত অসুৰ, কেতিয়াও কদাপিও
এই সন্তানৰ তই নাপাব সম্ভেদ ;
আন্ধাৰ হিয়াৰ এই অচিন প্ৰদীপ,
নোৱাৰিবি সতকাই নুমাব সম্বৰে।
( ওলাই যায় )

## ৫ম দৃশ্য—সম্বৰৰ ঘৰ

ৰতি (অকলে)—বুজা নাই, আই ভগৱতি ! পুনৰাই,
কি মায়া জালত মোক পেলাব খুজিছা।
কত যুগ কাল-সাগৰৰ, ধীৰে ধীৰে
গৰজি গৰজি গল অনন্তত মাৰ,
বিৰহত ভস্মীভূত কৰি মোৰ হিয়া
লুপ্ত হল মদন-অনল ; তথাপিও,
তথাপিও কিয় বাৰু ৰতিৰ শৰীৰ—
সৰ্ব্বাঙ্গ উঠিছে জ্বলি, পুত্ৰতুল্য এই
সামান্য সন্তানটিৰ বাবে ? বুজিছোঁ,
বুজিছোঁ, নাৰীৰ চিত পাপ সাগৰত
সদায়েই থাকে নিমগন ; নহলেনো—
নহয় নহয় ; কিয় কওঁ সেইদৰে মই ?
মই তো নিজেই ৰতি, যাৰ ই জীৱন
সতীত্ব যজ্ঞৰ এক জীৱন্ত আহুতি।
তেন্তে এই বাসনাৰ ভস্মবোৰ বাৰু
ক'ৰ পৰা আহে উৰি মোৰ কাললই ?
ধন জুই—মন-জুই জ্বলি বাৰু কাৰ
বসন্তত উৰিছে কুকুহা ? এই শিশু—
ইয়ে জানো মূল সকলোৰে ? অভাগিনি !
কিয় ভাব তেনে কথা ? সৰগৰ পৰা
নামি আহি পৃথিবীৰ দুৱাৰ দলিত
পোনে পোনে দিছে ভৰি, নৱীন অতিথি—
পবিত্ৰতা' পূৰ্ণ অৱতাৰ ; তাত কিয়
এইদৰে কলঙ্কৰ ৰেখা দিয় আঁকি ?

প্ৰদ্যুম্ন—( সোমাই আহি )—আই, তুমি মোক অকলে এৰি আহিলা কিয় ?

ৰতি (আন ফালে)—সঁচাকৈয়ে মৰতৰ মৰ-আউসীৰ
মাজতে উদিত এই পবিত্ৰ মুৰতি
দ্বিতীয়াৰ জোনটিৰ দৰে ; তাত কিয়
কলঙ্ক-কালিমা মই সানোঁ এইদৰে ?—
কিন্তু, বাৰু মোৰে নেকি দোষ যতমানে ?
দ্বিতীয়াৰ জোনটিতো কোনোবা শৰতে
যদি সানে উত্তলোৱা বাসনাৰ কণা,
যদি সেয়ে পূৰি ছাই কৰে হৃদয়ৰ
সকলো সাত্ত্বিক ভাব, তেন্তে তাৰ বাবে
ৰতিয়েই অপৰাধী হব নে অকলে ?
( প্ৰদ্যুম্নৰ ফালে চাই থাকে )

প্ৰদ্যুম্ন আই, তুমি মোৰ ফালে এইদৰে চাইছা কিয় ? মোক নামাতা কেলেই ? তুমি জানো মোৰ আই নোহোৱা ?

ৰতি— নুবুলিবা 'আই' তুমি মোক। পিশাচিনী
ৰতি মই ; মোৰ হৃদয়ত পৈশাচিক
নৃত্য আজি পূৰ্ণ ভাবে চলিব লাগিছে !

আকাশীবাণী—সোঁৱৰা পূৰ্ব্বৰ কথা ; সম্বৰ অসুৰে
ৰুক্মিণীৰ গৰ্ভজাত এই সন্তানকে
পানীলৈ দিছিল পেলাই ; সেয়ে আহি
পৰিছে ভাগ্যৰ গুণে তোমাৰ হাতত ;
সত্যে এয়ে কামদেৱ, চোৱামী তোমাৰ।

ৰতি— আকাশৰ মাত তুমি, বতাহত উৰি
কিবা কথা কই বতাহৰ দৰে
কৰিলা বাউলী পুনু ? ৰ'বা, নপলাবা ;
কই যোৱাঁ বিৰহীক দুনাই ইবাৰ
যিটি বাণী উচ্চাৰিলা তুমি। ই কি স্বপ্ন ?
ই কি মায়া ? ই কি কুহেলিকা সপোনৰ ?
স্বৰ্গ আৰু মৰ্ত্যৰ মাজত, মযে নে কি
এটি মাথোঁ দুভগীয়া জীৱ ? আৰু আছে !
কোন আছে ? কোন আছা, ৰক্ষা কৰা মোক ?

প্ৰদ্যুম্ন—আই, মই আছোঁ। তোমাৰ কি হল ? কি কৰিব লাগে কোৱাঁ।

ৰতি— হাঃ হাঃ ! তুমি আছাঁ ? কোন তুমি বাৰু ?
যোৱাঁ জানো তুমি সিটি, যিটি বুলি মাথোঁ
এতিয়াই কই গল আকাশী-বাণীয়ে ?
নোহোৱা যদিও, এতিয়াৰ বাবে মোক
কই যোৱাঁ 'সেয়ে হওঁ' বুলি ; এই মিছা
সহস্ৰ সঁচাতকৈ শত মূল্যবান !—
নহয়, নহয় ; সঁচা হক, মিছা হক
দেৱতাৰ বাণী, মুখৰ অগনি মই
মুখেৰে সুমাম ! সত্বগুণ যত আছে,
টোপোলা-টাপলি বান্ধি পলা এতিয়াই ;
তমোগুণ যত আছ আন্ধাৰ হিয়াৰ
কোনোবা চুকত মোৰ, আহ চাপি-কুচি,
পাতি দেহি মদন-উছৱ ; জগতত
আজিৰেই জয়ে জয়ে মানস ৰাজ্যত
কোমল আপত্য স্নেহ দাম্পত্য প্ৰণয়ে
পেলায়ক গ্ৰাসি, জয় হক মদনৰ !
( প্ৰদ্যুম্নৰ কালে আগবাঢ়ি যায় )

প্ৰদ্যুম্ন—আই, মোৰ ভয় লাগিছে। তুমি কিয় এনে কৰিছা, কোৱাঁচোন।

ৰতি—( পিছ হুঁহকি )— আই ? উস্ !
কোনে মাতে 'আই' বুলি কাক ?
অসম্ভৱ ! অসম্ভৱ !! আকাশী-বাণীয়ে
ছল কৰি আনি মোক পেলাব খুজিছে
এইদৰে পাপৰ গৰাত ! নাই, নাই—
পলাওঁ, পলাওঁ ; ৰক্ষা—ৰক্ষা কৰা মোক !
( ৰতি লৰ মাৰি একালে যাব খোজে, প্ৰদ্যুম্নই
বাট ভেটি গৈ সাৱটি ধৰে ; ৰতিয়েও
প্ৰদ্যুম্নক গাঢ় আলিঙ্গন কৰে )

প্ৰদ্যুম্ন— তুমি কোৱাঁচোন, কোৱাঁচোন—

ৰতি—( ওপৰলৈ চাই ) ভগৱতি, তুমি কোৱাঁচোন,
কোৱাঁচোন !!

( আৰু কাপোৰ পৰে )।

---

# কাহুঁদী আৰু খাৰলি

ডাক্তৰ বিল ডুৰাণ্ট ( Will Durant ) আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ এজন দাৰ্শনিক অধ্যাপক। "The Story of Philosophy", "The Mansion of Philosophy" নামেৰে দৰ্শনৰ বিষয়ে তেওঁ দুখন সুবিখ্যাত কিতাপ লেখিছে। কিতাপ দুখনৰ প্ৰচাৰ আমেৰিকাত অনেক বেছি। তেওঁ ভাৰত ভ্ৰমণ কৰিবলৈ আহি অলপতে উভতি গৈছে। ভাৰতবৰ্ষত তেওঁ ছমাহ আছিল। তেওঁ উলটি গৈ আমেৰিকাত এটা বক্তৃতাত কৈছে ;—

ভাৰতৰ মানুহ আৰু আমি একে বংশৰে। ইন্দু-য়ুৰোপীয়। তেওঁলোকৰ মুখৰ গঢ় য়ুৰোপীয়ৰ দৰেই। খুব সম্ভৱ, পুৰণি কালত ইন্দু-য়ুৰোপীয় জাতৰ মানুহৰ ঘাই ঘৰ ভাৰতবৰ্ষই আছিল। সংস্কৃত ভাষা নিশ্চয় সকলোবোৰ য়ুৰোপীয় ভাষাৰ গুৰি। ভাৰতবৰ্ষ আমাৰ ভাষাৰ জননী, আমাৰ দৰ্শনশাস্ত্ৰ আৰু অঙ্ক শাস্ত্ৰৰ জননী। ভাৰত গ্ৰাম্য পঞ্চায়ৎ (Village Community) আমাৰ গণতন্ত্ৰ প্ৰজাতন্ত্ৰৰ আদি। ভাৰতমাতা সঁচাকৈয়ে আমাৰ সকলোৰে মাতা।

ভাৰতীয় সভ্যতাৰ বয়স ৫০০০ বছৰ। সম্প্ৰতি মোহন-দাজিৰোত মাটি খানি যিবোৰ বস্তু দেখা পোৱা গৈছে সিয়েই খৃষ্টপূৰ্ব্ব ৩০০০ বছৰৰ ভাৰতীয় সভ্যতা প্ৰকাশ কৰে। সি স্পষ্টকৈ প্ৰমাণ কৰে যে সেই সময়ৰ বেবিলন আৰু ইজিপ্টৰ সামাজিক সভ্যতাতকৈ ভাৰতীয় সামাজিক সভ্যতা শ্ৰেষ্ঠ আছিল। খৃষ্ট পূৰ্ব্ব ৭০০ সনত পঞ্জাবৰ তক্ষশিলাত অতি ওখ থাপৰ সভ্যতাৰ অস্তিত্ব আছিল। খৃষ্টপূৰ্ব্ব ৩২৩ সনত যেতিয়া আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰিছিল, তেতিয়া তেওঁৰ বুৰঞ্জী-লেখক মেগে-স্থেনিছ আচৰিত হৈ পৰিছিল, গ্ৰীছৰ দৰে ভাৰতৰ সভ্যতা দেখি। অথচ সেই সময়ত গ্ৰীছৰ সভ্যতাই মুধছ পাইছিলগৈ। বুদ্ধদেৱৰ সময়ৰপৰা চন্দ্ৰগুপ্ত, অশোকৰ সময়লৈকে আৰু দক্ষিণৰ বিজয় নগৰ আৰু উত্তৰৰ আকবৰৰ দিনলৈকে ভাৰতত ওখ শাৰীৰ সভ্যতা, জ্ঞান, বিদ্যা ঐশ্বৰ্য্য আদি থকাৰেহে বুৰঞ্জীয়ে সাক্ষি দিয়ে। বৃটিঃশৰ হিলৈয়ে যি সভ্যতাৰ কণকঠীয়া মাৰিলে, সেই সভ্যতাৰ গোঁত ভাৰতত পঞ্চাশ শতিকা বৈছিল। সেই সভ্যতাই বুদ্ধৰপৰা গান্ধীলৈকে, বেদ আৰু দৰ্শনৰে পৰা আৰম্ভ কৰি ভাৰতৰ ভিতৰত আৰু ভাৰতৰ বাহিৰত ছপেন্‌হাৱাৰ, এমাৰ্ছন, থৰো, বৰ্গছন, কেইছলিং প্ৰভৃতিক জন্ম দি আহিছে। ওপৰত নাম দিয়া য়ুৰোপীয় আৰু আমেৰিকানসকলে ভাৰতীয় জ্ঞান আৰু ভাবৰ ঋণ স্বীকাৰ কৰিছে। ভাৰততে মহাভাৰত আৰু ভগৱদ্গীতাৰ জন্ম। ভাৰততে তাঞ্জোৰ, ইলোৰা, আগ্ৰা দিল্লীৰ কাৰুকাৰ্য্যৰ উৎপত্তি। এইবোৰ সভ্যতাৰ জখলাৰ তল খাপত থকা মানুহৰ তল থাপৰ কীৰ্ত্তি নহয়। বৰং পৃথিৱীৰ বুৰঞ্জীত এইবোৰ-সভ্যতা মন্দিৰৰ মূৰৰ কলচী চোৱা সুসভ্য কীৰ্ত্তি কলাপহে। ১৮০৩ খৃষ্টাব্দত বৃটিঃশে আগ্ৰা দুৰ্গ আক্ৰমণ কৰোতে তেওঁলোকৰ হিলৈয়ে যেতিয়া তাজমহল চুলে তেতিয়া সেই অপৰূপ সুন্দৰ বস্তুটিৰ ৰক্ষাৰ নিমিত্তে ভাৰতীয়সকলে বৃটিঃশৰ ওচৰত আত্মসমৰ্পণ কৰিলে। তেন্তে কাক সভ্য বোলা যায় ?

* * *

বাতৰি কাকতত দেখিলোঁ যে আমাৰ অসমৰ কোনো কোনো জাতৰ মানুহে অহা চেন্সছত নিজক "ডিপ্ৰেছ্‌ড্ ক্লাছ" বুলি লেখাবলৈ ব্যস্ত হৈ পৰিছে। কাৰণটো কি তেওঁলোকেহে জানে। মই কওঁ, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱৰ কৃপাত অসমত "ডিপ্ৰেছ্‌ড্ ক্লাছ" নাই। আজি যিসকলে সেই শ্ৰেণীত নিজক ভৰ্ত্তি কৰিবলৈ খদমুদম্ লগাইছে, তেওঁলোকে ভালকৈ নাজানে যে দক্ষিণ ভাৰতত, ঘাইকৈ মান্দ্ৰাজত ডিপ্ৰেছ্‌ড্ ক্লাছ কোন আৰু সেই শ্ৰেণীৰ মানুহৰ কি দুৰবস্থা। অসমত মহাপুৰুষীয়া ধৰ্ম্মৰ বলত নীহ জাত আৰু ওখ জাতৰ ভিতৰৰ ব্যৱধান অতি কম। কালত সিয়ো নাইকিয়া হব ; আৰু নাইকিয়া হৈ পৰিবৰ কালো চেকুৰি আহিব লাগিছে। এনে স্থলত তেওঁলোকে অনাহকতে ডিপ্ৰেছ্‌ড্ ক্লাছৰ চাৰ গাত মাৰিবলৈ গৈছে কিয় কব নোৱাৰোঁ। অসমীয়াই অসমৰ কালে চকু ৰাখিহে নিজক চলোৱা উচিত, মান্দ্ৰাজ আৰু আৰবৰ ফালে নহয়। ধৰ্ম্ম বস্তুটো যি ফালৰ পৰাই আহক, সি আপু-কগীয়াভাৱে মস্‌জিদ মন্দিৰৰ আৰু নামঘৰৰ থাপনাত থাকি সেই ধৰ্ম্মাৱলম্বীসকলক পৰকালৰ বিত্তস্বৰূপে ধনী কৰি ৰখাই হে তাৰ কাম ; নিজৰ দেশ, মাতৃভূমি আৰু ভাই ভাইৰ লগত ব্যৱহাৰৰ সময়ত সেই সকলে অনাহকতে পলাই আহি বাধা-বিঘিনি জন্মোৱাটো উচিত নহয়। সি অন্তৰৰ বিত, অন্তৰতম পুৰুষৰ বস্তু।

সকলোৰে পিতা ঈশ্বৰে কিছুমানক গুৰিৰেপৰা অন্ত্যজ কৰি পঠিৱা নাই, আৰু বাকীবোৰক ওপজাৰেপৰা ওখ কৰিও পঠিৱা নাই। মানুহৰ সামাজিক চাকনৈয়াত পৰিহে তেনে ঘটিছে। ঈশ্বৰৰ প্ৰেৰিত মহাপুৰুষসকলে, এই কথা সদায় নিজৰ কাৰ্য্য আৰু কথাৰে কৈ আহিছে। এই এছিয়া মহাদেশতে জৰথুষ্ট্ৰ খৃষ্ট আৰু মহম্মদৰ জন্ম। মনুষ্য-সমাজৰ নিমিত্তে তেওঁলোকৰ বাণী কি ? এছিয়াৰ ভিতৰৰ ভাৰততে উপনিষদ শাস্ত্ৰবোৰৰ উদ্ভৱ। উপনিষদে উচ্চকণ্ঠেৰে সকলোকে কি কয় ? কয়—

"শৃণ্বন্তু বিশ্বেঽমৃতস্য পুত্ৰা" !

অৰ্থাৎ সকলোকে সম্বোধন কৰি কৈছে হে অমৃত-পুৰুষৰ পুত্ৰসকল !

মানুহ মাত্ৰকতে অমৃতপুৰুষ ঈশ্বৰৰ সন্তান। সেই পুৰুষৰ সন্তানৰ ভিতৰত জন্মগত ওখ, গৰু, ডাঙৰ, নীহ নাই। মনুহৰ দ্বাৰাই কৃত সামাজিক আচাৰ ব্যৱহাৰত হে ওখ নীহ হৈছে। অনাচাৰ এৰি সদাচাৰত প্ৰবৃত্ত হলে, নীহকুলৰ জনবো ওখ হবৰ অধিকাৰ আছে।

শ্ৰীমদ্ভাগৱত প্ৰথম স্কন্ধৰ পদৰ আৰম্ভতে আমাৰ পৰম গুৰু শ্ৰীশঙ্কৰদেৱে কৈছে—

—"নমো নমো মধু মুৰ ৰিপু মহা হৰি।
অন্ত্যজো উত্তম অতি হোৱে যাক স্মৰি॥"

সদাচাৰী হৈ ঈশ্বৰৰ নাম-গুণ শ্ৰৱণ কীৰ্ত্তন কৰি ভক্তি-পন্থক আশ্ৰয় কৰিলে নীহজাতিৰ মানুহো ওখ জাতিতকৈয়ো শ্ৰেষ্ঠ হয়। সেই প্ৰথম স্কন্ধ ভাগৱতত নাৰদে ব্যাসক কৈছে—

"উৰ্দ্ধবাহু কৰি হেৰা কৰো অঙ্গীকাৰ।
অধম জাতিতে যদি জন্ম ভৈল তাৰ॥
জ্ঞানীতো কৰ্ম্মীতো কৰি তথাপি অধিক।
দেৱৰো বন্দনী সিটো ভকতিৰসিক॥"

"মহা ভকতৰ পৰম আশ্ৰয়
ভগৱন্ত আত্মাৰাম।
যিটোজনে এক শৰণ ধৰিয়া
স্মৰে তাহাৰ নাম॥
সেহি ভকতৰ যদি নাম লৱে
চণ্ডালো হোৱে পবিত্ৰ॥"

* * *

অন্ত্যজ সূতে নৈমিষাৰণ্যৰ ঋষি সত্ৰত ষাঠি হাজাৰ বিদগ্ধ পণ্ডিত ব্ৰাহ্মণ ঋষিৰ আগত ব্যাসৰ আসনত বহি ধৰ্ম্মোপদেশ দিছিল। সূতে ঋষিসকলক কৈছিল—

যদি সূত জাতি আমি অকুলীন,
একোৰো মুক্তিকে কাজী।
তুমি সব মহা- জ্ঞানীৰ সাদৰে
সাফলিলোঁ জন্ম আজি।
আমি অন্ত্যজাতি হেন মনদুখ,
আবেসে মোৰ গুচিল।
তুমি সব মহা- জনে কৃষ্ণ কথা
যিহেতু মোত পুছিল॥"

শ্ৰীৰামচন্দ্ৰই গুহক চণ্ডালক আঁকোৱাল মাৰি ধৰি মিতা বুলি মাতিছিল, আৰু অস্পৃশ্য শবৰীয়ে দিয়া ফল খাইছিল। ওখ ৰজাৰ লৰা ক্ষত্ৰিয় জাতৰ বুদ্ধদেৱে নীহ কুলীয়া মানুহৰ ঘৰে ঘৰে গৈ ধৰ্ম্মোপদেশ দি ফুৰিছিল। ৰামানুজে নিজ গুৰুৰ আজ্ঞা অমান্য কৰি জাতিবৰ্ণ নিৰ্ব্বিশেষে শিষ্য কৰি সেইসকলক মন্ত্ৰ দিছিল। নানক, কবীৰ, গুৰুগোবিন্দ, দাদুয়ে সক বৰ সকলো জাতৰ মানুহক সমান ভাৱে ধৰ্ম্মোপদেশ দান কৰিছিল। আমাৰ শ্ৰীশঙ্কৰদেৱে গাৰো, ভোট, যৱনকো শিষ্য কৰি ওখ আসন দি গৈছে। ঘোষাত তাৰে ইঙ্গিত মাধৱদেৱে দিছে—

"গাৰো ভোট যৱনে হৰিৰ নাম লৱে।"

ঈশ্বৰৰ ৰাজ্যত জাতিভেদ নাই। সকলো ঈশ্বৰ-বিশ্বাসী সদাচাৰী মানুহে ঈশ্বৰৰ পবিত্ৰ ধামত প্ৰৱেশ কৰিব পাৰে। গীতাত এই কথাকে দঢ়াই দঢ়াই কৈছে। এতেকে আহা, আমি সকলোৱে গাওঁ—

"নোহো আমি চাৰি জাতি চাৰিয়ো আশ্ৰমী নোহোঁ।আতি,
নোহো ৰাজা ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপী ভৰ্ত্তা পদ কমলৰ
দাসৰো দাসৰ তান দাস ভৈলোঁ আমি॥"

* * *

লৰ্ড কৰ্জনে কৈছিল, যে সঁচা কথা কোৱাটো পাশ্চাত্য দেশৰ হে গুণ, প্ৰাচ্যৰ নহয়। সেই সময়ত এই কথাৰ তীব্ৰ প্ৰতিবাদ হৈছিল; আৰু লৰ্ড কৰ্জনে যে কোৰিয়ালৈ গৈ কোৰিয়াৰ ৰজাৰ আগত কেইবাটাও মিছা কথা কৈছিল, কৰ্জনে লেখা কিতাপৰেপৰা অমৃত-বাজাৰ পত্ৰিকাই সেইবোৰ তুলি দি দেখুৱাই তেওঁক মিছা পেলাইছিল। ইয়াৰ পিছতো পচিমীয়াসকলৰ সত্য-প্ৰিয়তাৰ দাবী যে মিছা সেইবোৰ বহুত কাকত-পত্ৰ আৰু বক্তৃতাত প্ৰমাণ দি দেখুৱা হৈছিল। আজিকালি জগতে চকুৰ আগতে দেখি আছে, পাশ্চাত্য দেশীসকলৰ কথায় কথায় কেনেকৈ সত্যপ্ৰিয়তা ফুটি ওলাই থাকে। অৱশ্যে ভাৰতৰ অধোগতিৰ সময়ৰপৰা যে ভাৰতীয়ৰ সৰহ ভাগে মিছাৰ আশ্ৰয় লৈ নিজৰ হীন অৱস্থাৰ চিনাকি দিছে, সেইটো মুই কৰিব নোৱাৰি। স্বাধীনতা হেৰুৱাই পৰৰ পদানত হোৱাই তাৰ কাৰণ, আৰু সেইবাবেই ঘাইকৈ ভাৰত পৰপদানত হল। কিন্তু অতীত ভাৰতত সত্যক ভাৰতীয়ই কেনেকৈ সমাদৰ কৰি তাৰপৰা এখোজো নলৰিছিল, তাৰ ভুৰি ভুৰি উদাহৰণ আছে। সত্যৰ প্ৰতি হিন্দুৰ কেনে ধাৰণা আছিল, তাৰে এটি উদাহৰণ তলত দিলোঁ।



শ্ৰীকৃষ্ণ বৈকুণ্ঠলৈ প্ৰয়াণ কৰিলত পৃথিৱীত কলি প্ৰৱেশ কৰিলে। যুধিষ্ঠিৰকে আদি কৰি পাঁচ পাণ্ডৱে স্বৰ্গাৰোহণ কৰিলে, আৰু তেওঁলোকৰ নাতি পৰীক্ষিত জম্বুদ্বীপত ৰজা হল। তেওঁ নিজৰ ৰাজ্যত ফুৰি ফুৰোতে এদিন দেখিলে, যে ৰাজপোচাক পিন্ধা শূদ্ৰ এজনে এটি বৃষৰ তিনটা ভৰি মৰিয়াই ভাঙিলে, আৰু চতুৰ্থটোতো নিৰ্দ্দয়ভাৱে প্ৰহাৰ কৰিছে। ওচৰতে গাই এজনী থিয় হৈ চকুৰ পানী পেলাব লাগিছে। তেওঁ সেই দৃশ্য দেখি শূদ্ৰজনক ডাবি দি থাপৰপৰা খাণ্ডা উলিয়াই লৈ কাটিবলৈ প্ৰস্তুত হৈ বৃষক সুধিলে, তেওঁ কোন, আৰু কিয় তেওঁৰ এনে দুৰ্গতি কৰা হৈছে। বৃষই ৰজাক এই বুলি উত্তৰ দিলে—

"কোনে দুঃখ দেয় যিটো পুছিলা সংশয়।
কৰিবে নাপাৰো তাক নৃপতি নিশ্চয়॥
জ্ঞানী বোলে দেয় দুঃখ আত্মাই আত্মাক।
কুতৰ্কী পণ্ডিতে দোষে নানা দেৱতাক॥
গ্ৰহে পীড়ে দৈবজ্ঞৰ জ্যোতিষে প্ৰমাণ।
মীমাংসীসকলে বোলে কৰ্ম্মসে প্ৰধান।
লোকাৱৰ্ত্তী শাস্ত্ৰত স্বভাৱ ইটো কয়।
যাৰ যেন মতি কহে নাজানে নিশ্চয়॥
একান্ত ভকতে কহে হেন অভিপ্ৰায়।
মিলে সুখ দুঃখ আসি ঈশ্বৰ ইচ্ছায়॥
তত্ত্ব নাপাই কহে সবে যাৰ যেন মতি।
কৰিয়োক বিমাৰিষা আপুনি নৃপতি॥"
হেন শুনি পাইলা ৰাজা মনত বিচাৰি।
জানিলোঁ এহেন্তে ধৰ্ম্ম বৃষৰূপধাৰী॥
এতেকেসে পৰ পাপ নকৰে বিদিত।
কহে যিটো হোৱে সিটো সেই পাপ চিত॥"
হে ধৰ্ম্ম কেনে ভৈল তোমাৰ বিষাদ।
ভাঙিলেক তপ, শৌচ, দয়া তিনিপাদ॥
কেৱলে আছয় মাত্ৰ সত্যনাম ভৰি।
তাকো ভাঙিবাক চাহে কলি দণ্ড ধৰি॥
ধেনুৰূপ জানিলোঁ এহেন্তে বসুমতী।
কৃষ্ণৰ বিৰহ তাপে ক্ষীণ ভৈল অতি॥

এই ডোখৰ আমি শ্ৰীশঙ্কৰদেৱে পদ কৰা প্ৰথম স্কন্ধ ভাগৱতৰ পৰা তুলিলোঁ। সেই সময়ত হিন্দুৰ ধৰ্ম্ম-প্ৰিয়তা আৰু সত্যৰ সম্পৰ্কে কেনে ওখতকৈও ওখ ধাৰণা আছিল, ওপৰৰ কথাই কেনে সুন্দৰকৈ প্ৰমাণ কৰে।—

"এতেকেসে পৰপাপ নকৰে বিদিত।
কহে যিটো হোৱে সিটো সেই পাপ চিত॥"

কি ওখ শাৰীৰ ধাৰণা!

* * *

আজি তেৰ বছৰ হল, ৰুছিয়াত জাৰৰ ৰাজত্বৰ ঠাইত বল্‌ছেভিক ৰাজ্যশাসনপ্ৰণালী স্থাপিত হৈছে। এই শাসন প্ৰণালী কি আমি ভালকৈ ধাৰণা কৰিব পৰা নাছিলোঁ। য়ুৰোপীয় লেখক আৰু বক্তাসকলৰ সৰহ ভাগে তেওঁলোকৰ লেখাত আৰু বক্তৃতাত বল্‌ছেভিকৰ বিষয়ে যেনে বৰ্ণনা দিয়ে শুনি আমাৰ পেটতে হাত ভৰি লুকায়। কোনো কোনো বৰ্ণনাৰ পৰা এনে ধাৰণা হয় যে বল্‌ছেভিক গৱৰ্ণমেণ্ট ঠিক যেন ভূত প্ৰেত দানহ। বিশ্বকবী ৰবীন্দ্ৰনাথ ঠাকুৰ অলপতে ৰুছিয়ালৈ গৈছিল। সিদিনা বঙ্গলা প্ৰবাসী কাকতত বল্‌ছেভিজ্‌মৰ বিষয়ে তেওঁৰ এখন চিঠি পঢ়িলোঁ। তাৰ পৰা আৱাৰচেৰেক চমুকৈ তুলি দিলোঁ;—

"ৰাশিয়ায় যা দেখ্‌চি আশ্চৰ্য্য ঠেক্‌চে। আগা-গোড়া সকল মনুষ্যকেই এরা সমান করে জাগিয়ে তুলচে। চিরকালই মানুষের সভ্যতায় একদল অখ্যাত লোক থাকে, তাদেরই সংখ্যা বেশি, তারাই বাহন; তাদের মানুষ হবার সময় নেই; দেশের সম্পদের উচ্ছিষ্টে তারা পালিত। সকলের চেয়ে বেশি তাদের পরিশ্রম, সকলের চেয়ে বেশি তাদের অসম্মান। * * * নিরন্ন ভারতবর্ষের অন্নে ইংলণ্ড পরিপুষ্ট হয়েছে। ইংলণ্ডের অনেক লোকেরই মনের ভাব এই যে ইংলণ্ডকে চিরদিন পোষণ করাই ভারত-বর্ষের সার্থকতা। ইংলণ্ড বড় হয়ে উঠে মানব-সমাজে বড় কাজ করচে এই উদ্দেশ্য সাধনের জন্য চিরকালের জন্যে একটা জাতিকে দাসত্বে বদ্ধ করে রেখে দিলে দোষ

নেই। এই জাতি যদি কম খায় কম পরে তাতে কি যায় আসে, তবুও দয়া করে তাদের অবস্থার কিছু উন্নতি করা উচিত এমন কথা তাদের মনে আসে। কিন্তু একশো বছর হয়ে গেল না পেলুন শিক্ষা, না পেলুম স্বাস্থ্য, না পেলুম সম্পদ। প্রত্যেক সমাজের নিজের ভিতরেও এই একই কথা। যে-মানুষকে মানুষ সম্মান করতে পারেনা সে মানুষকে মানুষ উপকার করতে অক্ষম। রাশিয়ায় একেবারে গোড়া ঘেঁষে এই সমস্যা সমাধান করবার চেষ্টা চলচে। আপাততঃ যা চোখে পড়চে তা দেখে আশ্চর্য্য হচ্চি। সকল সমস্যার সব চেয়ে বড় রাস্তা হচ্ছে শিক্ষা। এতকাল সমাজের অধিকাংশ লোক শিক্ষার পূর্ণ সুযোগ থেকে বঞ্চিত— ভারতবর্ষ ত প্রায় সম্পূর্ণ ই বঞ্চিত। এখানে সেই শিক্ষা কি আশ্চর্য্য উদ্যমে সমাজের সর্ব্বত্র ব্যাপ্ত হচ্ছে তা দেখলে বিস্মিত হতে হয়। শুধু শ্বেত রাশিয়ার জন্যে নয়—মধ্য এসিয়ার অর্দ্ধ সভ্য জাতের মধ্যেও এরা বন্যার মতো বেগে শিক্ষা বিস্তার করে চলচে। সর্ব্বত্রই লক্ষ্য করেচি এদের চিত্তের জাগরণ এবং আত্মমর্য্যাদায় আনন্দ। আমাদের দেশের জনসাধারণের ত কথাই নেই—ইংলণ্ডে মজুর শ্রেণীর সঙ্গে তুলনা করলে আকাশ-পাতাল তফাৎ দেখা যায়। কয়েক বৎসর পূর্ব্বে ভারতবর্ষের অবস্থার সঙ্গে এদের জনসাধারণের অবস্থার সম্পূর্ণ সাদৃশ্য ছিল—এই অল্পকালের মধ্যে দ্রুতবেগে বদলে গেছে—আমরা পরে আছি জড়তার পাঁকের মধ্যে আকণ্ঠ নিমগ্ন।"

আৰু এঠাইত "সাইমন কমিশনের কবুল" নামৰ চিঠিত ঠাকুৰে লেখিছে—

"ভারতবর্ষের বুকের উপর যত কিছু দুঃখ আজ অভ্রভেদী হয়ে দাঁড়িয়ে আছে তার একটি মাত্র ভিত্তি হচ্ছে অশিক্ষা। জাতিভেদ, ধর্ম্মবিরোধ, কর্ম্মজড়তা, আর্থিক দৌর্ব্বল্য—সমস্তই আঁকড়ে আছে এই শিক্ষার অভাবকে। সাইমন কমিশনে ভারতবর্ষের সমস্ত অপরাধের তালিকা শেষ করে ব্রিটিশ শাসনের কেবল একটি মাত্র অপরাধ কবুল করেচে। সে হচ্ছে যথেষ্ট পরিমাণে শিক্ষাবিধানের ত্রুটি। মনে করুন যদি বলা হয়, গৃহস্থ সাবধান হতে শেখেনি, এক ঘর থেকে আর এক ঘরে যেতে চৌকাঠে হুঁচট লেগে সে আছাড় খেয়ে পড়ে, জিনিষ পত্র কেবলি হারায় তার পরে খুঁজে পায়না, ছায়া দেখলে তাকে জুজু বলে ভয় করে, নিজের ভাইকে দেখে চোর এসেচে বলে লাঠি উচিয়ে মারতে যায়—কেবলি বিছানা আঁকড়ে পড়ে থাকে, উঠে হেঁটে বেড়াবার সাহসই নেই, ক্ষিধে পায় কিন্তু খাবার কোথায় আছে খুঁজে পায়না, অদৃষ্টের উপর অন্ধ নির্ভর করে থাকা ছাড়া অন্য সমস্ত পথ তার কাছে লুপ্ত—অতএব নিজের গৃহস্থালির তদারকের ভার তার উপর দেওয়া চলেনা—তার পরে সবশেষে গলা অত্যন্ত খাটো করে যদি বলা হয়, আমি ওর বাতি নিবিয়ে রেখেছি। তাহলে সেটা কেমন হয়? • • • রাশিয়ার প্রজাসাধারণের উন্নতি বিধান ভারতবর্ষের চেয়ে বেশি দুরূহ বই কম নয়। জনসাধারণকে সক্ষম ও শিক্ষিত করে তোলবার জন্য তারা যে পণ করেচে তার "ডিফিকাল্‌টি" ভারত-কর্ত্তৃপক্ষের ডিফিকাল্‌টির চেয়ে বহু গুণে বড়ো। গিয়ে যা দেখলুম তাতে বিস্ময়ে অভিভূত হয়েছি। যারা একবারেই অচল ছিল তারা সচল হয়ে উঠেচে। দেখ্‌তে দেখ্‌তে খুঁড়িয়ে চলবার লাঠি দিয়ে এরা ছুটে চলবার রথ বানিয়ে নিচ্ছে—পদাতিকের অধম যারা ছিল, তারা বছর দশেকের মধ্যে হয়ে উঠেছে রথী। মানব সমাজে তারা মাথা তুলে দাঁড়িয়েছে; তাদের বুদ্ধি স্ববশ, তাদের হাত-হাতিয়ার স্ববশ।"

শ্রীলক্ষ্মীনাথ বেজবৰুৱা

---

# সতী নে অসতী ?

[ ১ ]

বসন্তৰ ৰূপহী প্ৰকৃতি। শীতৰ চেপাত লালকাল হৈ থকা প্ৰকৃতিৰ প্ৰাণ আজি বসন্তৰ কোমল মধুৰ পৰশ পাই কিবা এক অতৃপ্ত আনন্দত নাচি উঠিছে। আজি প্ৰকৃতিয়ে ৰঙা-বগা গুটিফুলোৱা কাপোৰখনি গাত লৈ কুলি-কেতেকী সখীয়েকহঁতৰ সৈতে ভুমুকি মাৰিছেহি।......বসন্তী ৰাঙলী ৰাণীৰ প্ৰত্যাগমন, তটিনীৰ মধুৰ নিস্বন, আৰু মলয়ৰ প্ৰীতি সম্ভাষণ। মধুৰ আজি,......সকলো মধুৰ......আকাশ পৱন তৰুণ-তপন সকলোতে মধুৰ কণিকাসনা।

বসন্তৰ পৰশত ফুলনিবোৰ যৌৱন গৰ্ব্বত ওফন্দি পৰিছে। ৰমক-জমক কাচোন কাচি ফুল-কুঁৱৰীসকলে আপোনাৰ ৰূপ চাই আপুনি ভুলি প্ৰেমিকৰ শুভাগমনলৈ বাট চাই আছে। গুণ গুণ গীত গাই কলীয়া ভোমোৰাই তেওঁলোকক প্ৰেম আলিঙ্গন যাচি ফুৰিছে। বসন্তৰ ফেৰফেৰিয়া মধুৰ মলয়াই ৰিব্ ৰিব্ কৰি গছ-বন কঁপাই কোনোবা এক অজান দেশত গৈ লীন হৈছে। এই মধুৰ দিনত এবাৰ ফুলনি সোমালে কাৰ মন-প্ৰাণত আনন্দ নেলাগিব ?

[ ২ ]

চন্দ্ৰ সদাই পুৱাতে উঠি ফুলনি সোমাই মনৰ হেঁপাহেৰে কোঁচ ভৰাই ফুল তোলে—তাৰ ভায়েক কুমুদলৈ আৰু কেৱলমাত্ৰ সঙ্গিনী কমলিনালৈ। কমলিনীয়ে তাৰে ভাল ভাল চাই খোপা ভৰাই পিন্ধে; আৰু কিছুমানেৰে মালা গাঁথে। কেতিয়াবা কেতিয়াবা কমলিনীয়ো চন্দ্ৰৰ লগতে আহে আৰু সেউজীয়া পাত ফুলৰ জোপোহাৰ মাজৰপৰা কুলিৰ কুউ কুউ মধুময় মাত শুনি পাৰেমানে সিঁয়াৰে—কুউ···কুউ···কুউ। সখিয়তীৰ সখিও—সখিও মাত শুনি জোকায়—'হেৰা সখিয়তী বাই, তোমাৰনো সখিয়েৰাক কেলৈ ?" কেতিয়াবা হয়তো নামৰ গছত পৰা দেখিলে দুয়ো ব্যাকুল হৈ ধৰিবলৈ খেদি যায়। কিন্তু সিহঁতে ধৰা নিদি ভুকং কৰি ইজোপা গছৰপৰা সিজোপা গছলৈ লৰ মাৰে। চন্দ্ৰ আৰু কমলিনীয়েও নৈৰাশ নহৈ হাবাগুৰি খাই খেদি ফুৰে আৰু দুয়োহাত মেলি কোমল কোমল মাতেৰে মাতে।—

ফুলিও, কুলি !
আমাৰ তালৈ যাবি,
ভাত দিম, মাছ দিম
কিমান খাব খাবি।
কোঁচ ভৰি, ফুল দিম
কিমান লব লবি ॥
কচো গছৰ বতো পাত হাতীখাতৰ পানী।
সিহঁকে খোজ তই তাকে দিম আনি আনি ॥

এইদৰে সদায় ফুলনি সোমাই মনৰ হেঁপাহেৰে খেমালি-ধুমুলা কৰে আৰু বেলা পৰত আনন্দেৰে ঘৰলৈ ওলটে।

[ ৩ ]

ধনীৰাম বৰুৱাৰ ঘৰ নাহৰবাৰীত। নগৰৰপৰা অৱশ্যে বেছি দূৰ নহয়;—অতি বেছিকৈ ডেৰ মাইলমান হব। নামজলা মৌজাদাৰ। মৌজাটোও প্ৰায়-বোৰতকৈ ডাঙৰ। চাকৰে নাকৰে, ধনে-ধানে, বাৰীয়ে-মাটিয়ে কেউফালে জাকত জিলিকা। তাৰোপৰি ককাকৰ দিনৰেপৰা চলি অহা তিনিখন ডাঙৰ বাগিচা। চাহৰ দৰ কম হোৱাত লোকচান হোৱাৰ কাৰণে তাৰে এখন বেচি বাকী দুখনকে ভালমতে চলাইছে। ঘৰত তেখেতৰ নিজৰ বুলিবলৈ প্ৰিয় সঙ্গিনী আৰু একেটি মাত্ৰ সুমলীয়া চেনেহৰ পো—চন্দ্ৰ। কুমুদ চন্দ্ৰৰ মাহীয়েকৰ এটি মাথোন লৰা। কুমুদক ভুমিষ্ঠ কৰিয়েই তাৰ মাকে তাক এৰি থৈ অনন্ত ধামলৈ গতি কৰিলে। বুঢ়া কালত চন্দ্ৰৰ জন্ম, সেই কাৰণে তাৰ সমনীয়াই তাক এইদৰে জোকায়।—

ডেকা কালত লৰা হলে নাম দিবা ভেলোৰাম।
বুঢ়া কালত লৰা হলে নাম দিবা চেলোৰাম ॥

বাপেক-মাক দুয়োৱে কুমুদতকৈ চন্দ্ৰকহে বেছি ভাল পাইছিল। তাক সদায় চকুৰ আগত লৈ থাকে। তাৰ অলপ হেৰফেৰ হলেই তেওঁলোকৰ মাজত হাঁহাকাৰ। মুঠতে চন্দ্ৰ বাপেক-মাকৰ আলাসৰ লাড়ু। ক'তো মাথি এটাকে পৰিবলৈ নিদিয়ে যানোচা কেনেবাকৈ কৰবাত দুখ পায়!

[ ৪ ]

কমলিনী আৰু চন্দ্ৰৰ দুয়োৰো ঘৰ ওচৰা ওচৰি। কমলিনীয়েই তাইৰ বাপেকৰ কেৱলমাত্ৰ সম্বল। আগলৈ পিচলৈ বুলিবলৈ মুঠেই তায়েই। কমলিনীৰ বাপেক বৰ দুখীয়া, কোনোমতে পেটে ভাতে খাই আছে। তাইৰ মাকে মুঠেই তাইকে বাপেকৰ হাতত অৰ্পণ কৰি চিৰশান্তি লাভ কৰিলে। তেতিয়াৰেপৰা আন কাকো বিয়া কৰোৱা নাই। কমলিনীৰ কিন্তু ভালকৈ মনত নপৰে—কেতিয়ানো তাইৰ মাকে তাইক সংসাৰত অলাই আথানিকৈ এৰি গুচি গল। কোনোবাই যদি তাইক সোধে,—"আইকণ, তোৰ মাৰ কলৈ গল?" তেতিয়াই তাইৰ চকু চুলচুলিয়া পৰি যায়, সৰ্ সৰ্ কৰি দু-ধাৰি চকু-লো ওলাই দুগালেদি বৈ যায় আৰু কেঁকুৰি কেঁকুৰি কয়,—"আমাৰ আই কলৈ গ'ল মই কব নোৱাৰো। এদিন গধূলি মই আমাৰ আইক তুলসী ভেঁটিৰ ওপৰত শুই থকা দেখিছিলো। পিতাদেৱে মোক শোৱা পাটীৰপৰা তুলি আনি আই শুই থকা দেখুৱাই আকৌ শুৱাই থৈছিল। পিছদিনা ৰাতিপুৱা যেতিয়া মই আই আই কৰি চিঞৰিছিলো, তেতিয়া পিতাদেৱে মোক কোলাত লৈ কান্দিছিল আৰু তেওঁৰ কান্দোন দেখি ময়ো কান্দিছিলো......" কমলিনীৰ বাপেকে কেতিয়াবা কৰবালৈ গলে তাইক চন্দ্ৰহঁতৰ ঘৰত থৈ যায় আৰু দুয়ো বালি ধূলিৰে হাতী-ঘোঁৰা সাজি খেমালি-ধুমুলা কৰি থাকে। কেতিয়াবা কেতিয়াবা কটাকানিৰে দৰা কন্যা সাজে। মুঠতে চন্দ্ৰ আৰু কমলিনীৰ ঘৰ যদিও বেলেগ মিলা প্ৰীতিত দুয়ো একে ককাই-ভনীৰ দৰে। ইটোৱে সিটোক এখন্তক নেদেখিলে থাকিব নোৱাৰে।

( ৫ )

চন্দ্ৰৰ বয়স এতিয়া সাত বছৰ আৰু কমলিনীৰ পাঁচ বছৰ। দুয়ো ওচৰৰে প্ৰাইমেৰী স্কুলত পঢ়ে। চন্দ্ৰ দুই শ্ৰেণীৰ ওপৰ আৰু কমলিনী দুই শ্ৰেণীৰ তল। দুয়ো সদায় একেলগে স্কুললৈ যায়, একেলগে আহে, দুয়ো প্ৰায়েই একেলগে খায়, পঢ়ে, খেমালি কৰে। দুয়ো যেন একেজোপা গছৰে দুটি অভিন্ন ফলহে।

যথাসময়ত চন্দ্ৰই সেই স্কুল পাছ কৰি নগৰৰ ইংৰাজী স্কুলত ভৰ্ত্তি হলগৈ। কমলিনীয়েও শেষ কৰি আৰু তাৰ ঘৰত থৈ বোৱা কটা গোঁথা আদি কামবোৰ শিকিবলৈ ধৰিলে। চন্দ্ৰ ভাল লৰা—পঢ়া শুনাত ভাল, আচাৰ ব্যৱহাৰত ভাল, শ্ৰেণীতো প্ৰথম সদাই চন্দ্ৰ। শেষত চন্দ্ৰই সুখ্যাতিৰে ইংৰাজী স্কুলৰ শেষ পৰীক্ষা দি প্ৰথম স্থান অধিকাৰ কৰি ২০৲ টকীয়া জলবৃত্তি লাভ কৰিলে। এনে শুভ সম্বাদত ঘৰ-পৰৰ সকলোৰে মনত আনন্দৰ সীমা নোহোৱা হল। কমলিনীৰতো কথাই নাই। তাই এতিয়া গাভৰু। কৈশোৰৰ লীলা খেলা পৰিহৰি যৌৱনৰ দুৱাৰ দলিত আহি ভৰি দিছেহি। এই সময়ত সকলো মধুৰ, সকলো সুন্দৰ ◦ •।

চন্দ্ৰ আজি কলিকতালৈ যাব—কলেজত ভৰ্ত্তি হবলৈ। ঘৰত আজি ধুমধাম্। গাঁৱৰ ভাই বন্ধু সকলোটি আহি ভিতৰ নধৰা কৰিছেহি। সন্ধ্যা বেলি পৰোঁ পৰোঁ। বাঁহগছ কলাগছৰ আগত সোণালী কিৰণ পৰি এক অপূৰ্ব্ব সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে। এনে সময়তে চন্দ্ৰ শৈশৱৰ লগৰী কমলিনীৰপৰা বিদায় লবলৈ সিহঁতৰ ঘৰলৈ গল। কমলিনীৰ এপোনে মনত যিমান আনন্দ, চন্দ্ৰই এৰি যাব লগা পৰাত আনপোনে সিমান বেজাৰ। চন্দ্ৰই কমলিনীক মাতি কলে, "কমলিনী, বোধকৰোঁ জানা আজি ৰাতি মই কলিকতালৈ যাত্ৰা কৰিম। সঁচাকৈয়ে তোমাক আজি এৰি যাব লগা হোৱাত শোকতে মোৰ অন্তৰ দগ্ধ হৈছে। কিন্তু কি কৰিম? নগলেতো উপায় নাই। কৰ্ত্তব্যাধীন নৰ, কৰ্ত্তব্যৰ পিছে পিছে লৰিব লাগিবই। যিকি



নহওক, ঈশ্বৰে কৰিলে বন্ধত ঘৰলৈ আহিমেই। কাজে কাজেই পুনৰ দুয়োৰো দেখা সাক্ষাৎ হব। মাজৰ দিন কেইটাত চিঠি পত্ৰ দিবলৈ নেপাহৰিবা। ময়ো গৈয়েই তোমালৈ এখন চিঠি দিম। তাতে ঠিকনা লিখি পঠাম। চকুৰ আঁতৰেই মনৰ আঁতৰ বুলি নেভাবি ঘনাই চিঠি পত্ৰ লিখি থাকিবা।" চন্দ্ৰৰ কথা শুনি কমলিনীৰ চকু চুলচুলীয়া পৰি গল। শেষত বেজাৰত বিহ্বল আৰ্চলেৰে চকুলো মচি কবলৈ ধৰিলে, "সৰুৰে পৰা এই প্ৰায় আঠাইখিনি সময়তে দুয়ো একেলগে খেমালি কৰিছিলোঁ। এতিয়াৰপৰা কাৰ লগত তেনে কৰিম? মাতৃহীনা চিৰদুখিনী, চিৰ-অভাগিনী মই। কেতিয়াবা বেজাৰত কান্দিলে তুমিয়েই নানা কথা কৈ মনত পুনৰ শান্তি দিয়া। এতিয়া সাতদিন সাতৰাতি কান্দি চকু উখহালেও কোনে মোক একাষাৰ মিঠা মাত দি তাপিত পৰাণত শান্তি দিব? তোমাৰ অবিহনে আজি সকলো মই আন্ধাৰ দেখিছোঁ। যিকি নহওক, এই বিদায় সময়ত অভাগীৰ হৃদয়-ব্যথাৰ কথা কৈ তোমাৰ মনত দুখ দিব নোখোজোঁ। এতিয়ানো তোমাক কি দি বিদায় দিওঁ। চিৰ-দুখিনী মই। অতি চেনেহৰে আৰু প্ৰীতিৰে গঁথা এই ক্ষুদ্ৰ মালাধাৰিকে তোমাৰ চৰণত অৰ্পণ কৰিলোঁ। আজিৰপৰা জীৱন-মৰণৰ চিৰসহচৰ তুমি। তোমাৰ চৰণত এই অভাগীৰ মতি থাকিলেই জীৱন সাৰ্থক।" এই বুলি কমলিনীয়ে চন্দ্ৰৰ ডিঙিত মালাধাৰ পিন্ধাই সেৱা এটি কৰিলে। চন্দ্ৰই যাওঁ বুলি কমলিনীৰ পৰা বিদায় লৈ ঘৰৰ পৰা ওলাই আহিল। কমলিনীও ভিতৰলৈ সোমাই পাটীত দীঘল দি গুন্ গুন্ কৰি গাবলৈ ধৰিলে।

আকুল হিয়াৰ কৰুণ সুৰৰ বিদায়-গীতি ল'ই।
দীৰ্ঘশ্বাসে জনায় আবেগ হিয়াৰ হিয়ালই।
প্ৰাণে প্ৰাণে বিষাদ গঁথা,
চকুলোৰে মনৰ কথা,
ব্যাকুলতা বিৰহ ব্যথা,
জনায় তোমাল'ই॥

* * * *

[ ৬ ]

চন্দ্ৰ এতিয়া কলিকতাত। সপ্তাহত দুবাৰ-তিনিবাৰ কমলিনীলৈ চিঠি দি খা-খবৰ লৈ থাকে। চন্দ্ৰই ক্ৰমান্বয়ে মহা সুখ্যাতিৰে আই-এ, বি এ, এম-এ আটাই কেউটা পৰীক্ষা পাছ কৰিলে। চন্দ্ৰৰ নাম গোটেইখনতে ৰৈ ৰৈ গল। বাপেক মাকেও চন্দ্ৰৰ গুণ গৰিমা শুনি বৰ আনন্দ পালে। চন্দ্ৰই এতিয়া বিলাতলৈ যাবলৈ মন কৰি বাপেক মাকক অনুমতি খুজিলে। কিন্তু তেওঁলোকে প্ৰথমতে মান্তি নহৈছিল। শেষত চন্দ্ৰক বিলাতলৈ পঠাবলৈ বাধ্য হল।

চন্দ্ৰই পিতৃ-মাতৃক সেৱা সৎকাৰ কৰি, গাঁৱৰ ভাই-বন্ধুৰপৰা বিদায় লৈ আৰু হৃদয়ৰ ধন কমলিনীৰ পৰাও বিদায় লৈ বিলাত-যাত্ৰাৰ অৰ্থে ৰাওনা কৰিলে। সিবাৰ কলিকতালৈ যাওঁতেই কমলিনীৰ মনত অলপো সুখ নহৈছিল, সদায় চিন্তা ভাৱনাতে দিন গৈছিল। কিন্তু এতিয়া সাত সাগৰ, তেৰ নদী পাৰ হৈ যাব, গতিকে আগতকৈও বেছিকৈ তাই অন্তৰত আঘাত পালে। কিন্তু কি কৰিব? বাধা কৰিবতো নাপায়। গতিকে দুখে বেজাৰতে থাকিল আৰু চিঠি পত্ৰ দিবলৈ ঘনাই অনুৰোধ কৰিলে।

[ ৭ ]

চন্দ্ৰ এতিয়া বিলাতত। আজি চাৰি বছৰ হল, বিলাতৰ ভোগ বিলাসিতা আৰু কঠোৰ কৰ্ত্তব্যত পৰি ক্ৰমান্বয়ে কমলিনীলৈ পাহৰিবলৈ ধৰিলে। আগেয়ে সপ্তাহত দুখন-তিনিখন চিঠি দিও ক্ষান্ত নহৈছিল। কিন্তু বিলাত পায়েই ইমান দিনেও এটুকুৰা কাগজ কমলিনীৰ কাৰণে সৰি নপৰিল। কমলিনীয়ে দুখ-বেজাৰ কৰি বহুত চিঠি দিলে, কিন্তু নিৰুত্তৰ। তাই অবাক হল, সেইদিন ধৰি পুৰুষৰ ওপৰত তাইৰ বিশ্বাস নোহোৱা হ'ল; তাই সপ্নতো ভবা নাছিল যে চন্দ্ৰই তাইক ইমান সোনকালে পাহৰিব।

[ ৮ ]

কমলিনীৰ বয়স লাহে লাহে বাঢ়ি আহিবলৈ ধৰিলে। বাপেকেও তাইৰ উপযুক্ত দৰা বিচাৰি বিয়া দিবৰ কাৰণে

যো-যা কৰিলে। কমলিনীয়ে লাজ-কাজ কাতি কৰি থৈ বিয়া নেপাতিবলৈ বাপেকক বৰ অনুৰোধ কৰিলে। কিন্তু বাপেকে তাইৰ কথাত মান্তি নহল। শেষত আন এজনৰ লগত তাইৰ বিয়া হৈ গল। কমলিনীৰ মনত কিন্তু আৰু সুখ নহল। দিনে দিনে শুকাই ক্ষীণাই যাবলৈ ধৰিলে। এইদৰে দুখ আৰু চিন্তা ভাৱনাতে এদিন তাই সংসাৰৰ পৰা হাত সাৰি গুচি গল। মাত্ৰ ফাগুণৰ বেও্-বেৰিয়া বতাহত এটি প্ৰশ্ন ভাহি গল—

"কমলিনী সতী নে অসতী ?"

শ্ৰীগোলোকচন্দ্ৰ শৰ্ম্মা

---

# প্ৰীতি-উপহাৰ *

## দৰাটৈলে

কোৱা বন্ধু, কিয় আজি অত হাঁহি-মাত
    নৃত্য-গীত আনন্দৰ উঠে কলৰৱ
পদূলিত কলপুলি গধা আমপাত
    যুগল-মিলন হব—বিবাহ উছৱ।

তুমিয়েনে প্ৰাণসখি উছৱৰ বজা
    যাৰা আজি দুৰ্বাৰৰ লগৰী বিচাৰি
হৰধনু ভঙ্গ কৰি বিদেহ-সভাত
    অচিৰে কৰিবা লাভ জনক-জীয়াৰী!

আজি মাথোঁ অভিষেক নতুন ৰাজ্যত
    জিনিব লাগিব বজা ৰাখিবা মনত
নিচলা বন্ধুৰ তোৱা শুভ আশীৰ্বাদ
    হক এয়ে জয়যাত্ৰা সফল বৰত।

কৰ্ম্মময় জীৱনৰ আজিয়ে পাতনি
যোৱা বন্ধু আনাগৈ জীৱন-সঙ্গিনী।

## কইনাটৈলে

উছৱৰ ৰাণী হেৰা মইনা কইনা,
    গচকত জঁয়পৰা আদৰ-মালতী
সজাই হৃদয়কুঞ্জ ৰাখা সযতনে
    আহি পাব জীৱনৰ মোহন অথিতি।

ওৰণি তলত ৰাক ভাবেনে আনন্দ
    পিতৃকুল এৰি যোৱা চকুলো দুধাৰ
অচিনা অজানা জন আপোনাৰ কৰি
    বোৱাব লাগিব তুমি ধাৰ অমিয়াৰ।

শুভক্ষণে শুভলগ্নে মিলিবা দুজনে
    এনে দিন জীৱনত কেৱল এবাৰ
ৰথত যুঁজাক স্বামী তুমি যে সাৰথি
    সম্মুখত কৰ্ম্মক্ষেত্ৰ বহল সংসাৰ।

বহু জয়-পৰাজয় ঘাত প্ৰতিঘাত
জীৱন-মৰণ তাতে হব প্ৰতিভাত।

## যুগল-মিলন

ৰুক্মিণীক হৰি আনি কুণ্ডিলৰ পৰা
    শ্ৰীকৃষ্ণই দিছে আজি দ্বাৰকাত ভৰি
আদৰিছে দৈবকীয়ে সিংহ দুৱাৰতে
    উৰুলি জোকাৰ দিয়ে যত পুৰনাৰী।

শশীপ্ৰভা মহাদৈ, ভীষ্মক নৃপতি
    আৰু যত ভক্ত প্ৰজা আহিছে সবাই
উগ্ৰসেন মহাৰাজে আথেবেথে অতি
    সম্ভাষিছে সকলোকে হিয়া উদিয়াই।

কিনো চাবা বেহ ৰূপ নৱ দম্পতিৰ
    চকু চাঁত মাৰি ধৰে চাবকে নোৱাৰি
লক্ষ্মী-নাৰায়ণে আজি পৃথিৱীতে দুয়ো
    অৱতীৰ্ণ নৰৰূপে বৈকুণ্ঠ পাহৰি।

থিয় হোৱা দুয়ো সখি আকউ এবাৰ
যুগল-মিলন চাওঁ পুণ্য-প্ৰতিমাৰ।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

---

* ২৫ আহোণ (১৮৫২ শক) দিনা প্ৰিয় বন্ধু শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ শুভ পৰিণয় উপলক্ষে।—লিখক



# ৰবৰকুৱাৰ ভাবৰ বুৰ্বুৰণি

৫৪০৭/অ:

ৰবৰকুৱাৰ ভাবৰ বুৰ্বুৰণি অনেক, অলেখ। সেইবোৰ দিনৌ উঠে, মাৰ যায়; মাৰ যায় আৰু উঠে। কেতিয়াবা মন গলে তেওঁ তাৰে এটা দুটা কথা লেখি কাকতত ছপায়, কেতিয়াবা ফটা-কাকতৰ পাচিত পেলায়। আৰু কেতিয়াবা যৰে বুৰ্বুৰণি ততে উঠি নাচি-বাগি থাকি মৰিবলৈ তেওঁ এৰি দিয়ে। আজি তিনিশ-তিনিকুৰি বুৰ্বুৰণিৰ ভিতৰৰপৰা তিনটাক ধৰি আনি এই প্ৰবন্ধৰ থাটৈলত সুমালোঁ। যদি কোনোবাই সোধে ইমানবোৰ বুৰ্বুৰণিৰ ভিতৰত তেওঁৰ তিনটাত মন পৰিল কিয়? উত্তৰত কওঁ শুনা;—

মই আগেয়েও অনেকবাৰ কৈছোঁ, এতিয়াও কওঁ যে মই তিনিৰ পক্ষপাতী। কাৰণ এই সংসাৰত চকু মেলিলেই দেখিবা, যে তিনিৰেই পয়োভৰ সৰহ। আমাৰ তিনিজন ঘাই দেৱতা—ব্ৰহ্মা, বিষ্ণু, শিৱ। খৃষ্টধৰ্ম্মত (trinity) "ত্ৰিনিটি"—অৰ্থাৎ God the Father, God the Son, and God the Holy Ghost—অৰ্থাৎ পিতা ঈশ্বৰ, ঈশ্বৰৰ এক মাথোন পুত্ৰ যীশুখৃষ্ট ঈশ্বৰ, আৰু পবিত্ৰাত্মা ঈশ্বৰ। বৌদ্ধ ধৰ্ম্মত,—বুদ্ধ, ধৰ্ম্ম আৰু সঙ্ঘ। আমাৰ দৰ্শন শাস্ত্ৰত বা ধৰ্ম্ম শাস্ত্ৰত ত্ৰিগুণ, অৰ্থাৎ সত্ব, ৰজ আৰু তম। ঈশ্বৰৰ বামন অৱতাৰত ত্ৰিপাদ অৰ্থাৎ তিনটি ভৰি আছিল। আমাৰ শাস্ত্ৰত যদিও সাতখন স্বৰ্গ সাতখন পাতালৰ কথা আছে, তথাপি তিনিও প্ৰসঙ্গত ত্ৰিভুবন বা ত্ৰৈলোক্যৰ হে নাম ওলায়। হিৰণ্যকশিপু দৈত্যেন্দ্ৰই এই ত্ৰৈলোক্যক হে জয় কৰিছিল। "তিনিও লোকক তুমি জিনিলা অকলে" বুলি বৰ্ত্তামৰ্কই হিৰণ্যকশিপুক "ছাৰ্টিফিকিট" বা "কম-প্লিমেণ্ট" দি সান্ত্বনা কৰিছিল। আমাৰ সদাশিৱ ত্ৰিনয়ন আৰু তেওঁৰ হাতত ত্ৰিশূল। ধ্ৰুৱক গোসাঁয়ে ত্ৰৈলোক্যৰ ওপৰত থাপি থলে —

"সপত্নী মাতৃৰ বাক্যে বিদাৰিল মন।
ধ্ৰুৱে আসি আৰাধিলে তোমাৰ চৰণ॥
ত্ৰৈলোক্যৰ ওপৰে তাহাক থৈলা থাপি।
গোধিকাৰ পুচ্ছভাগে দেখিয়ো অদ্যাপি॥"

ধৰ্ম্মৰ চাৰিপাদৰ ভিতৰত কলিয়ে পৰীক্ষিত ৰজাৰ দিনত তপ, শৌচ, দয়া, এই তিনি পাদহে ভাঙিছিল। গঙ্গা, যমুনা, সৰস্বতীৰ সঙ্গম ত্ৰিবেনী, যত স্নান কৰিলে মুক্তি লাভ হয়। দাৰ্জিলিঙৰ ওচৰত তিনধৰীয়া অৰ্থাৎ যি ঠাইত নৈৰ তিনটা ধাৰ বা সোতাৰ মিল হৈছে। গুৱাহাটীৰ বশিষ্ঠাশ্ৰমত সন্ধ্যা, ললিতা, কান্তা এই তিনি সোতাৰ সমন্বয়। তিস্তা নৈয়ো তিনি সোতাৰ সঙ্গম। তন্ত্ৰমতাৱলম্বী তান্ত্ৰিকৰ triangle বা ত্ৰিভুজ মূল পদাৰ্থ। আয়ুৰ্ব্বেদ শাস্ত্ৰমতে বায়ু, পিত্ত, কফ এই তিনিটাই ঘাই, আৰু ত্ৰিদোষী হলেই শঙ্কটাপন্ন অৱস্থা। আমাৰ ঘুঘুয়া জ্বৰ নহৈ ৰবটৈক জ্বৰ উঠিলেই, আমিও কবলৈ নেৰোঁ যে তিদিকঁপে জ্বৰ উঠিল। গণিতশাস্ত্ৰত ত্ৰিভুজ, ত্ৰিকোণ সকলো ভুজ, কোণতকৈ চৰা। ইংৰাজীত ত্ৰিগণমেত্ৰি, আমাৰ ভাষাত ত্ৰিকোণমিতিৰ কথা কলেজৰ কোন ছাত্ৰে নাজানে? অঙ্কশাস্ত্ৰৰ ভিতৰত ত্ৰৈৰাশিক হাড়-মগজু। সইত্ খাওঁতেও আমি সইত, সইত, তিনি সইত, অৰ্থাৎ তিনিবাৰ সত্য খাওঁহক। আমি বৈষ্ণৱ সম্প্ৰদায়ৰ মানুহে নাম-প্ৰসঙ্গ কৰাৰ কথাতো তিনি প্ৰসঙ্গৰ কথা কওঁ, আৰু কৰোঁহক। আমাৰ ৰজাঘৰ বৃটিশ গৱৰ্ণমেণ্টৰ কথাকে নোচোৱা কিয়?—ৰজা king, লৰ্ডসভা (House of Lords) আৰু প্ৰজা সাধাৰণৰ সভা (House of Commons). আগৰ আমাৰ আহোম ৰজাৰ দিনটো ৰজাৰ ৰাজ্যশাসন যন্ত্ৰত তিনিখন হাত,—বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁই। আজি-কালিৰ কাছাৰি সৰতো তিনটা খোটালি—দেৱানী, ফৌজদাৰি, আৰু কলেক্টৰি। পেটৰ ফালৰপৰা চালেও দেখা যায় আমাৰ ভাত ৰান্ধিবলৈ হলেই তিনটা উধান লাগে। পলিটিক্স বা ৰাজনীতি ক্ষেত্ৰতে নোচোৱা কিয়? বিলাতত ৰাউণ্ড্ টেবোল কন্‌ফাৰেন্স্ বা ঘোৰাটাৰুৱা যিখন

মেল বহিছে, ভাৰতৰ দশা গণি ভাগ্যৰ সোৰ্ঁৱণী এখন কৰিবলৈ, তাতৈ তিনিটা প্ৰধান দৈৱজ্ঞ পণ্ডিত গৈছে; যথা,—তেজবাহাদুৰ ছাপ্ৰু, জয়াকৰ আৰু জিনা। আমাৰ দেশলৈকো চকু দিলে দেখিবা আমাৰ অসমত তিনিজন নামজলা নেতা;—ফুকন, বৰদলৈ আৰু চলিহা। মহাত্মা গান্ধিয়ে তিনটা ডাঙৰ খুটাত আউজে,—বাপ, পো নেহেৰু আৰু ছৰ্দাৰ বল্লভভাই পেটেল। আমাৰ অসমত আগৰ দিনত ডাঙৰ মানুহৰ তিনিজনী ঘৈণী থকাটো প্ৰচলিত ৰীতি আছিল; আৰু সেইদেখি সেই সকলে ডাঙৰ হৈ একঠা চাউল খাব্লৈ গল। বৰঘৈণী, মাজুঘৈণী আৰু সৰুঘৈণী, বৰলোক ডাঙৰীয়াৰ ডাঙৰীয়ানী তিনি ঘৈণী।

এজনীয়ে ৰান্ধে-বাঢ়ে, এজনীয়ে খায়।
এজনীয়ে খংকৰি মাকৰ ঘৰলৈ যায়॥

বঙালীৰ ভিতৰতো এনেবিধৰ কথা আছে,—যথা,

"বৃষ্টি পড়ে টাপুর টুপুর নদী এল বান।
শিবঠাকুরের বিয়ে হলে তিন কন্যা দান॥
এক কন্যা রাঁধেন বাড়েন, এক কন্যা খান।
এক কন্যা রাগ করে বাপের বাড়ী যান॥"

মানুহটো বুলিলেই আমাৰ তিনিটা মুখ্য ভাগৰ ককায়েকৰ লেখ পোৱা যায় বুলি কথাতে কয়,—তেহেলৈ তাৰ পিছত যিমানেই টিলৌটিপৌ ভায়েক থাকক। উদ্ভিদ ৰাজ্যতে নোচোৱা কিয়, চালেই দেখিবা নাৰিকল ফলৰ তিনটা চকু। বৰবকবাই এই ৰাজাধিৰাজ তিনি সংখ্যাৰ সম্পৰ্কে নিজৰ ফালে আঙুলিয়াই কিবা কব লাগিবনে? লাগে যদি কওঁ শুনা;—তেওঁৰ জীয়েক তিনি জনী। আৰু নো কি শুনিবা কি কম? সৰি সৰি তেওঁৰ এতিয়া নিভাঁজ স্বকীয় দাঁত তিনটা বৈছেগৈ— বাকীবোৰ পৰকীয়া। বঙালী বৈষ্ণৱ কবি চণ্ডীদাস জীয়াই থকাহেঁতেন তেওঁৰ অৱস্থা দেখি কিমানি সুখী হলহেঁতেন। টান মাতেৰে কবলৈ গলে কব লাগিব বৰবকবাৰ বাকীবোৰ দাঁত "কুয়াচুৰি!"

বাঁহীৰ সম্পাদকৰ লগত মিলিনা বৰবকবা তিনি-চুকীয়াৰ নগলহেঁতেন যদি সেই ঠাইডোখৰৰ নাম তিনিচুকীয়া নহৈ চাৰিচুকীয়া বা আঠচুকীয়া হলহেঁতেন।

এই প্ৰসঙ্গৰ অন্তত কওঁ যে বঙালী ভদ্ৰলোকৰ ঘৰত ঘৈণীয়েকে গিৰিয়েকৰ কথা আন কাৰবাক কব লাগিলে "তিনি" বোলে। যেনে "তিনি যাবেন না," বা "তিনি খেতে বসেছেন।" কিন্তু, তিনিৰ ঠাইত চাৰিৰ বা পাঁচৰ প্ৰচলন নহল কিয় বঙালী ভদ্ৰলোকৰ ঘৰত? ঘৈণীয়েকে গিৰিয়েকৰ কথা কওঁতে "তিনি খাবেন না"ৰ ঠাইত "চাৰি খাবেন না" নোবোলে কিয়? এইবোৰ এটাইবোৰ তিনি সংখ্যাৰ মহত্ব নিশ্চয় জানিবা। তেহেলৈ তুমি মানাই বা নানানা।

যি হওক, আজিলৈ এই খিনিতে ইতি কৰিলোঁ। যদি কোনোবাই সোধে, তুমি দেখোন তিনটা বুৰবকৰ কথা কবলৈ ওলাই, এটাবো কথা নকৈ তিনিৰ মাহাত্ম্যতে গাঠিলাগি ৰলা? মই কম, কপাল! মানুহে পাত্ৰে ঈশ্বৰে ভাঙে!

ৰূপাবৰ

---

# পুৰণি বাৰভূঞাৰ ৰাজ্যত এভুমুকি

অসম বুৰঞ্জীৰ সুপ্ৰসিদ্ধ বাৰভূঞাসকলৰ অভ্যুত্থানৰ উদয়-গিৰি উত্তৰ লখীমপুৰ চহৰৰ পুৰণি ঠাইবোৰ চাবৰ হেঁপাহ তাতালিখনৰেপৰা মনত পুহি আহিছিলোঁ। কৰ্ম্মহীনা ইচ্ছা বাকী দেখি ইয়াক ফলৱতী কৰিবৰ সময় আহিলত সোনকালকেই শুভক্ষণ বুলি ধৰি ললোঁ, আৰু যোৱা আহিনৰ (১৮৫২ শক) শুক্লা ষষ্ঠী দেওবাৰে পুৱাই বৰ্ত্তমান উত্তৰ লখীমপুৰ নগৰৰপৰা নাৰায়ণপুৰ অভিমুখে যাত্ৰা কৰিলোঁ। লগত "পাওা" দুজন ছাত্ৰ শ্ৰীমান ভগীৰথ দত্ত আৰু শ্ৰীমান থানেশ্বৰ বৰুৱা, আৰু বাৰ তিনিখন হুচকৰীয়া পিলপিলোৱা গাড়ী।



আৰিমত্ত ৰজাৰ মন্ত্ৰী সাগৰৰ কন্যা লক্ষ্মীৰ নামেই এই ঠাইৰ নাম লক্ষ্মীমপুৰ বা লখীমপুৰ হয় এই কথাত মতভেদ নাই। ৰায় বাহাদুৰ ৺মাধৱচন্দ্ৰ বৰদলৈ দেৱৰমতে পিতৃৰ ৰাজ্যত ৰাণী লক্ষ্মীয়ে এই ঠাইত তেওঁৰ ৰাজধানী পাতিছিল দেখি এই ঠাইৰ এই নাম। তাৰ আগতে এওঁৰ ককায়েক মনোহৰে পিতৃৰাজ্যত ৰাজত্ব কৰি বৰ্ত্তমান তেজপুৰৰ বিশ্বনাথত ৰাজত্ব পাতিছিল। প্ৰবাদ আছে, লক্ষ্মীয়ে কন্যাকালতে সূৰ্য্যদেৱতাক আৰাধনা কৰি তেওঁৰপৰা "ধাতু তাম্ৰকৰী" নামে এখন শাস্ত্ৰ লাভ কৰে, আৰু সেই শাস্ত্ৰত সকলো দেৱদেৱীৰ বীজ-মন্ত্ৰ থকাত তাৰে তেওঁক পুনৰ আৰাধনা কৰি সূৰ্য্যৰ বৰ স্বৰূপে শান্তনু আৰু শামন্ত নামে দুটি পুত্ৰ লক্ষ্মীয়ে লাভ কৰে। এই দুজনৰপৰাই বিখ্যাত বাৰ-ভূঞা কৈদৰ উৎপত্তি। এওঁলোকে ভালেমান দিন প্ৰবল প্ৰতাপেৰে পুৰণি কামৰূপৰ এই স্বৰ্ণপীঠ অঞ্চলত ৰাজত্ব কৰিছিল আৰু শেষত সৌমাৰপীঠৰ আহোম ৰজাৰ হাতত এওঁলোক যাটে।

বৰ্ত্তমান উত্তৰ লখীমপুৰ চহৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য কেৱল উত্তৰৰ লানি নিছিগা ডফলা পৰ্ব্বতশাৰীতেই কেন্দ্ৰীভূত বুলিব পাৰি। চহৰখন চাৰিওফালে এতিয়াও হাবিময়, ওচৰত ভাল নৈ নাই, মানুহৰ ঘন বসতি নাই। নগৰখনতো কাছাৰী ঘৰটোৰ বাহিৰে নগৰ বুলিব পৰা বিশেষ গুণ নাই; কিন্তু নগৰখনৰ ওচৰতে এই পৰ্ব্বতশাৰীৰ শোভাই এনে অনেক ত্ৰুটিৰ ক্ষতিপূৰণ কৰিছে বুলিব পাৰি। সঁচাকৈয়ে গোটেই অসমৰ কোনো নগৰতে এনে এটি দৃশ্যৰ উপমা নাই। এই পৰ্ব্বতশাৰী বৰ ওখ, যোৰহাট আৰু শিৱসাগৰৰো কোনো কোনো ঠাইৰপৰা দেখি। এই তিনিওখন ঠাইৰ কাৰণে এই পৰ্ব্বতবোৰে "বেৰমিটাৰ"ৰ দৰে কাম কৰে অৰ্থাৎ এই পৰ্ব্বতকেইটা এই ঠাই-কেখনৰপৰা মুকলি দেখিলে কেতিয়াও বৰষুণ নিদিয়ে। এই পৰ্ব্বতবোৰ লখীমপুৰ নগৰৰ নিচেই ওচৰ দেখি নগৰত আন দূৰ ঠাইতকৈ বৰষুণ বৰ সৰহ। ৰাতিপুৱা মাইকৈ খৰালিকেমাহ এই পৰ্ব্বতবোৰৰ ওপৰত বগা বগা ডাৱৰবোৰ উমলি ফুৰা আৰু গধূলি পছিমফাললৈ বেলি-প্ৰতিমাৰ বিসৰ্জ্জন-উৎসৱ আদিৰ অৱলীলা অতি মনোৰম।

সেই পুৱাত শৰতৰ স্বাভাৱিক নিৰ্ম্মলতা আৰু মনোহাৰিত্ব সকলো আছিল। আমি যিমান সোনকালে পাৰো ঘৰৰপৰা ওলাই গলোঁ। বাট ভাল, বতৰ ভাল; বাটৰ কাষৰ দুবৰিবোৰৰ ওপৰত মুকুতা যেন নতুন নিয়ৰৰ টোপাবোৰ, তাত বেলিৰ পোহৰ পৰি তিৰ্‌বিৰ্‌ কৰিছিল। বাটৰ দুয়ো কাষে প্ৰায়ে হাবি, তাৰপৰা চৰাই মাত, মাইকৈ কপৌৰ কুকলি শুনি হিয়া নাচি উঠে, শৈশৱৰ লীলাভূমি নিজৰ গাওঁখনিলৈ মনত পৰে। অ'ত ত'ত আশে-পাশে মানুহৰ বিৰল বসতি, কেতিয়াবা কেতিয়াবা তাৰপৰা অহা ঢেঁকীৰ মাত শুনি কিয় জানো লৰালি কালৰ সোঁৱৰণিৰ সুগন্ধি সঁফুৰাই মন আমোলমোল কৰি তোলে। সবাবো উপৰি উত্তৰৰ লানি নিছিগা ডফলা পৰ্ব্বতশাৰীয়ে সঁচাকৈয়ে মনত এটি ধাৰ নিছিগা আনন্দৰ সোঁত বোৱায়। তাৰ সেই নিৰ্ম্মল নীলা বৰণে সেই নৱদুৰ্ব্বাদল নৱমেঘশ্যাম শ্ৰীকৃষ্ণৰ কন্দৰ্পজয়ী জ্যোতিলৈ মনত পেলায় যাক দেখি ব্ৰজৰ সদৌ নৰ-নাৰী চিৰবিমোহিত হোৱাৰ কথা নকওঁৱেই, গাইবিলাকেও ঘাঁহ খাবলৈ এৰি তেওঁৰ মুখলৈ চাই ৰৈ থাকে।

উত্তৰ লখীমপুৰৰপৰা বিহপুৰীয়ালৈ ২১ মাইল। আমি ৮মান বজাত বঙা নৈ পাৰ হৈ বাটত লালুকত অলপপৰ জিৰাই এঘাৰমান বজাত নতুন দিক্ৰং বা দিক্‌ৰাই নৈ পাৰ হৈ অলপ পাছতে বিহপুৰীয়া পালোগৈ। তাতে শ্ৰীমান থানেশ্বৰৰ ঘৰত তেওঁলোক দুয়ো গা ধুই খোৱা-লোৱা কৰিলে আৰু মই নিজ ঠাইতে সেই-বিলাক কাম কৰি গৈছিলো দেখি মোক শ্ৰীমানে আনন্দৰেই অতিথি শুশ্ৰূষা কৰিলে। তেওঁক তাতে এৰি আমি দুয়ো তাৰ পাছত ধনপুৰ অভিমুখে পুনৰ যাত্ৰা কৰিলো আৰু বাটত নাৰায়ণপুৰ পাই শ্ৰীযুত চেনিচন্দ্ৰ শইকীয়াৰ দোকানত অলপ জলযোগ কৰি আৰু শ্ৰীমান ভগীৰথৰ ঘৰত সোমাই গলোগৈ। শ্ৰীমানে বাটত পুৰণি দিক্ৰং

ৰা দিক্‌ৰাই নৈ, পিছলা নৈ আৰু পিছলাপৰীয়া গড়, মহাপুৰুষ শ্ৰীমাধদেৱৰ জন্মস্থান আৰু বাহুলাসত্ৰ কোন ফালে আছে দেখুৱাই গৈছিল। এই পুৰণি দিক্রং বা দিক্‌ৰাই নৈয়েই কালিকাপুৰাণত বৰ্ণোৱা "কৰতোয়াং সমাৰভ্য যাবদ্দিকৰবাসিনী" বোলা কামৰূপৰ পূব সীমান্ত আছিল বুলি অনুমান কৰা হয়। ইয়াৰ পাৰতে ওচৰৰ থাম্‌টিগাওঁ আৰু তাতে তাৰ বৰ্ত্তমান থাম্‌টি ৰজাৰ পুতেক আমাৰ দুজন ছাত্ৰ শ্ৰীমান চৌমাংচা আৰু শ্ৰীমান চৌমাংকুঙৰ ঘৰ বুলি জানিব পাৰিলোঁ। এই দিক্‌ৰাই নৈয়েদি উজাই আহি ১৫৪৬ খৃষ্টাব্দত বিখ্যাত কোচ সেনাপতি চিলাৰায়ে কিছুদিনৰ কাৰণে আহোম-সকলক যুদ্ধত ঘটুৱায় আৰু সেই সুযোগতে তেওঁলোকৰ ৰাজধানী কোচবিহাৰৰপৰা নাৰায়ণপুৰলৈকে উত্তৰপাৰে বিখ্যাত গোসাঁইকমলাৰ আলি বন্ধোৱা হয়। কোচবেহাৰৰ ৰজাৰ সিংহদুৱাৰৰপৰা পোনে পোনে ওলাই অহা এই আলিৰ গুৰিছোৱাও কোচবেহাৰত দেখিবলৈ পাইছোঁ। সেই সময়ত স্বৰ্গদেৱ চুহুমুঙৰ পুত্ৰ চুক্লেমুং কোঁৱৰ ১৫৩৯ খৃষ্টাব্দত আহোমৰ ৰাজপাটত উঠি ১৫৪০ খৃষ্টাব্দত গড়গাওঁ নগৰ স্থাপন কৰি গড়গঞা ৰজা নামে জনাজাত হয়; এৱেই চিলাৰায়ে আহোম ৰাজ্যত এইদৰে সোমোৱা দেখি সৈন্য-সামন্ত গোটাই লৈ কোচ সেনাক আগভেটি ধৰি পিছলানৈৰ পাৰত কোঁঠমাৰি চিলাৰায়ক যুদ্ধত সম্পূৰ্ণৰূপে ঘটুৱাই ওলোটাই পঠিয়ায়।

আবেলি প্ৰায় চাৰিমান বজাত হৰনা ধলপুৰ পাই সেই ৰাতিৰ বাবে সাহিত্যানুৰাগী স্নেহাস্পদ বন্ধু শ্ৰীযুত হৰিপদ দত্তৰ ঘৰত আলহী হলো। তাতে কৈৱৰ্ত্ত সম্প্ৰদায়ৰ পুৰণি ভকতৰ এজন উদ্যোগী ডেকা শ্ৰীযুত গম্ভীৰচন্দ্ৰ দাসক লগ পাই তিনিও সেই আবেলি আৰু গধূলি সময়ত ধলপুৰ, নাৰায়ণপুৰ আৰু পুৰণি-ভকত ধৰ্ম্ম সম্প্ৰদায়ৰ বিষয়ে নানা কথা পাতিলো। তাৰ উপৰি "পেটুৱা গোসানী" বুলি ওচৰৰ এটা সৰু শিলামূৰ্ত্তিৰ আখ্যান ওলালত তাকো চাবলৈ গলোঁ। এই মূৰ্ত্তিটোৰ বিশেষত্ব ইমানেই যে তাক "পেটুৱা" নিচিন্তভাবে বুলিব পাৰিলেও "গোসাঁই" নে "গোসানী" সঠিক কৰ নোৱাৰি; কিন্তু সেইবুলি তাৰ পূজা-পাতল আৰু লগতে এমন প্ৰাণীৰ অনায়াসে বোজকাৰ চলাত একো বাধা ঘটা নাই। নাৰায়ণপুৰ নামৰ উৎপত্তিৰ বিষয়ে নিসন্দেহ হব নোৱাৰিলেও কোচ ৰজা নৰনাৰায়ণৰ নামৰ লগত ইয়াৰ সংশ্ৰৱ থকা বুলি বুজিব পাৰি। ধলপুৰৰ বিষয়ে কোনো কোনোৰ মতে আগেয়ে তাত ধল বা বানপানী সৰহ হোৱা বাবে আৰু আনৰ মতে তাৰপৰা হিমালয়ৰ ধল যেন বগা বৰফেৰে ঢকা ওখ পৰ্ব্বতশ্ৰেণী দেখি থকা গতিকে তাৰ সেই নাম। মহাপুৰুষ শ্ৰীমাধৱদেৱৰ জন্মস্থান আৰু বহুলা সত্ৰৰ বিষয়ে তেখেতসকলে মোক সবিশেষ একো জনাব নোৱাৰিলে আৰু মোৰো সেই বোৰ ঠাইলৈ যাবৰ বিশেষ সুবিধা নহল।

পিছদিনা পুৱাই কলাবাৰী দোল আৰু কলাবাৰী আদি চাবলৈ ওলালো। আগদিনা আবেলিয়ে মোৰ আন এজন "পাণ্ডা" ছাত্ৰৰ শ্ৰীমান চেনিৰাম শইকীয়াই নাৰায়ণপুৰৰপৰা আহি আমাৰ লগ ধৰিছিল, লগতে আমাৰ বন্ধু বৎসল গৃহস্থও ওলাল। লৈ আমি ক্ৰমে লখীমপুৰ জিলাৰ সীমা পাৰ হৈ দৰং জিলাৰ তেজপুৰ মহকুমাত সোমালো। তাৰপৰা কলাবাৰীমুৱা হৈ যাত্ৰাৰ শেষ সীমাত মোৰ পুৰণি শিক্ষাগুৰু শ্ৰীযুত শিশুৰাম কাকতীদেৱৰ ঘৰ সোমালোগৈ। সি আজি প্ৰায় কুৰি বছৰৰ কথা, শিৱসাগৰ হাইস্কুলৰ নিচেই তল-শ্ৰেণীত তেখেতে আমাক অঙ্ক শিকাইছিল। তেখেতে যদিও মোৰ গাত সেই পুৰণি ছাত্ৰত্বৰ একো চিন-মোকাম পাবৰ সুবিধা নাছিল আৰু এই প্ৰায় কুৰি বছৰে যদিও তেখেতক নেদেখাত পোনতে চিনি নোপোৱাৰ দৰে হৈছিল, তথাপি শেষত কথাবাৰ্ত্তা আৰু চিনাচিনি হৈ তেখেতক এটি প্ৰনাম জনাই আহিবলৈ পাই বৰ ভাল লাগিল। তাৰপৰা কামদেৱাল থান অলপ দূৰ হলেও তালৈ আমাৰ যোৱা নহল। উভতি আহোঁতে কলাবাৰীৰ দোলটো চাই অহা হল। দোলটি সম্প্ৰতি বৰ জীৰ্ণ অৱস্থাত, তললৈ ভালেখিনি বহি গৈছে। ইয়াতে পুৰণি দক্ষিণপাট সত্ৰ আছিল। আগেয়ে বোলে বিহুৰ হাটৰ নিমিত্তে এই দোল বিখ্যাত আছিল। ইয়াৰ ওচৰতে



এটি ডাঙৰ পুখুৰী। প্ৰায় নাৰায়ণপুৰৰপৰা ইয়ালৈকে ভালেমানখিনি কেঁওট, কলিতা আদি মানুহৰ গাঁও; যাইতে এই মানুহখিনিৰ দেহৰ গঠন আৰু নাক মুখৰ আকৃতি প্ৰকৃতিত আৰ্য্যৰ গঢ় বিশেষভাৱে চকুত পৰে। উত্তৰ লখীমপুৰত কিন্তু কেওঁট, কলিতা আৰু বামুণ আদি লোকৰ পৰিমান তাকৰ।

সেইদিনাই দুপৰীয়া ধলপুৰতে খাই-লৈ লগৰীয়াসকলক ঘৰে ঘৰে এৰি আকৌ বিহপুৰীয়া পালোঁহি। বিহ-পুৰীয়াত সেই ৰাতি আলহি থাকিলোহি, বাটত সেই-দিনা এজন আহোম ডেকাই চিনি পাই মোক অতি স্নেহেৰে ৰাতি অতিথি সংকাৰ কৰিলে। পিছদিনা অষ্টমীৰ পুৱাই ঘৰমুৱা হলো আৰু ওৰে বাট বৰষুণত তিতি তিতি দুপৰীয়া নিজ ৰহা ওলালোহি।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# ধানৰ বল হে ঘাই বল

ধনে মানুহক দেৱতা কৰিব পাৰে আৰু অধম পাষণ্ড কৰিও তুলিব পাৰে। ব্যক্তিগত ভাৱে যি কথা জাতি-গত ভাৱেও সেই একে কথা। ধনে যদিও যি কোনো মানুহক বা জাতিক অতিশয় অহঙ্কাৰী কৰি শক্তি-বল বঢ়াই দুৰ্জ্জন কৰি তোলে তথাপি ধন নহলে মানুহক জ্ঞান, বুদ্ধি, বল বঢ়াবলৈ একোৱে শিক্ষাৰ সহায় কৰিব নোৱাৰে। ইয়াৰ অভাৱত মানুহ অজ্ঞান পশু হৈ থাকিবলৈ বাধ্য যি হয়েই, চিৰকাল ধনৰ বল বঢ়া আন শক্তিমন্ত বিদেশী জাতিৰ গোলাম হৈ থাকিবলৈকো বাধ্য হয়। বৰ্ত্তমান যুগ-সমস্যাই আমি ভাৰতবাসীক কি শিক্ষা দিছে? আৰু আমি এতিয়া খাবলৈ নোপোৱা অৱস্থাত পৰিছো কিয়? ইয়াকে বোলে আমাৰ পূৰ্ব্ব-পুৰুষ আৰু বৰ্ত্তমান পুৰুষৰ কৰ্ম্মফল। কোনো বুৰঞ্জীয়েই প্ৰমাণ নকৰে যে কোনো জাতিৰ গোটেই জাতিটো যাৰ যেনে গুণ সেই অনুসাৰে কৰ্ম্মী হৈ উঠিলে আৰু গুণ কৰ্ম্ম বিভাগ অনুসাৰে কাম কৰা মানুহক ওখ চাপৰ বিচাৰ নকৰি ইটিয়ে সিটিক সন্মান বা মান সৎকাৰ নকৰিলে কেতিয়াবা স্বাধীন হব পাৰে বুলি। গুৰিত ভাৰতৰ হিন্দু জাতিৰ কৰ্ম্মফল কৈছে ধৰ্ম্মে, কৰ্ম্মৰে নিজা জাতিটিক ভাগ ভাগ কৰি পেলোৱা আৰু ধৰ্ম্মই কৰ্ম্মক ঘিণ কৰা। কৰ্ম্মৰ হেতুকে ধৰ্ম্ম-যাজকসকলে অস্পৃশ্য, স্পৃশ্য জাতৰ সংস্কাৰ বন্ধ কৰি যি জাতিভেদ সৃষ্টি কৰিলে সেয়ে ভাৰতৰ আৰ্য্যজাতিৰ চিৰকাল পতনৰ বনি হৈ পৰিল। বুৰঞ্জীয়েই প্ৰমাণ কৰে যেতিয়া যি কোনো জাতি প্ৰভাৱশালী বিক্ৰমী হৈ পৰে জাতিভেদৰ একো বাহবিচাৰ নথকাৰ বাবেহে। ইয়াৰ মানে কোনো কৰ্ম্মকেই ঘিণ নকৰা আৰু স্বজাতিক সৰু বৰ বিচাৰ নকৰি যি কোনো কৰ্ম্মৰ মানুহকেই সমান চকুৰে দেখা। হিন্দু জাতিৰ পতন যেতিয়াৰপৰা লাহে লাহে হবলৈ ধৰিলে তেতিয়াৰপৰা পুৰাণৰ নানা উপ-আখ্যানৰ কথাবিলাক ধৰ্ম্মৰূপে সমাজৰ ভিতৰত সোমাই অগণন পুৰুহিতৰ সংখ্যা বাঢ়ি উঠি ধৰ্ম্মক ভাগ ভাগ কৰি পেলালে যে এই কথাৰ ভুল নাই। এই কথায়েই জাতিৰ ভিতৰত সমান ভাৱে কৰ্ম্ম বুদ্ধি আৰু জ্ঞানৰ বিকাশৰপৰা উদ্ভৱ হোৱা বিজ্ঞান কৌশল একেবাৰে লোপ কৰি পেলালে। হাত ভৰিৰে পৰিশ্ৰম কৰি খাগে ফলৰ লাঘৱ হোৱা ভাৱটি যেতিয়াৰপৰা বৰ্ণাশ্ৰম ধৰ্ম্মৰ বিপৰীত আৰু বিকৃত মানে সমাজৰ ভিতৰত সোমাই কৰ্ম্ম কৰা মানুহক ডাঙৰ সৰু বাছিবলৈ ধৰিলে তেতিয়াৰেপৰাই ভাৰতৰ হিন্দু জাতিৰ দোখোৰ পতনৰ মূল কাৰণ হৈ পৰিল। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ এই চাৰিভাগ বৰ্ণাশ্ৰমীৰ ভিতৰত শূদ্ৰিবেহে হাল বাই খেতি কৰিব পায়, ওপৰত উল্লেখ কৰা তিনি শ্ৰেণী মানুহে শূদ্ৰিৰৰ পৰিশ্ৰম কৰা খেতিৰ ভাত উচ্চবৰ্ণ বোলাই বহি বহি খাই থাকিব পায়। এয়েই ভাৰতৰ হিন্দু জাতিক প্ৰায় দুহেজাৰ বছৰৰো ওপৰ হলহি পৰজাতিৰ

তলতীয়া কৰাৰ মূল কাৰণ বুলি ভাবিব লগা কথা। কোনো এখন দেশৰ চন হৈ পৰি থকা সাকৰা মাটি-খিনিহে বিদেশী জাতিক সেই দেশ অধিকাৰ কৰিবলৈ মাতি আনে যে ই পিৰাং কথা, ইয়াৰ প্ৰমাণ বহু দূৰত বিচাৰি চাব নালাগে, চাহ গছৰ জন্ম আসামৰ হাবিত হোৱা হলতো আসামৰ মাটিয়ে বিদেশী বিজাতিক মাতি আনি চাহ খেতি কৰাই ভাৰতৰ মানুহকেই কুলি কৰি পেলালে। আফ্ৰিকা মহাদেশৰ অজ্ঞান নিমাখিত নিগ্ৰোবিলাকে খেতি কৰি নিজদেশৰ মাটি অধিকাৰ কৰিব নোৱৰা হেতুকে য়ুৰুপীয় নানা জাতিৰ অধীন হৈ নিকাৰ ভুগি আছে। খোৱা লোৱা, পিন্ধা-উৰা প্ৰায় সকলো বস্তু সেই খেতিৰপৰা উৎপন্ন হয়. এতেকে খেতি শিকাইহে গুৰিতে খাই বিষ্ঠা। নৈমি-ষাৰণ্যত ঋষিসকলে সত্যযুগত এসময়ত তৰ্ক কৰোতে সোধা-সোধি কৰিছিল "কো ব্ৰহ্ম" ব্ৰহ্ম নো কাক বোলে? এজন ঋষিয়ে কৈ পেলালে "অন্নম্ হি ব্ৰহ্ম" অন্নয়েই ব্ৰহ্ম। বাস্তৱতে এই কথাটি দকৈ গমি চালে পোৱা যায় আমাৰ শৰীৰৰ পঞ্চ কোষৰ ভিতৰৰ খাই কোষটি হৈছে অন্নময় কোষ, এই কোষৰপৰা হে প্ৰাণময় কোষ। এতেকে অন্নই প্ৰাণ, অন্ন নহলে প্ৰাণ ৰক্ষা নপৰে; এই কাৰণেহে মনে ধৰে ঋষিয়ে অন্নক ব্ৰহ্ম বুলিছিল। দৰাচলতে ভালদৰে চিন্তা কৰি গমি চাবলৈ গলে অন্নবলেই হে ধনবল। অন্নৰ নিমিত্তেই সাল-সলনি কৰিবলৈ মুদ্ৰা বা টকা। আমাৰ অজ্ঞান প্ৰকৃতি-পুঞ্জক ভালদৰে বুজাব লগা হল টকা নো কিহক কয়? আমাৰ নজনা অজ্ঞা মানুহে বুজে যে সোণৰ, ৰিৰিৰ আৰু তামাৰ মোহৰক টকা বোলে। ইয়াৰ বাহিৰে ৰজাঘৰে বদলি কৰি দিয়াৰ অঙ্গীকাৰে একো একোখনি ধাৰ কৰা ৰছিদ যাক নোট বোলে সিও টকাৰ লগৰ। এনে টকা ৰজাঘৰে সোণ, ৰিৰি আৰু তাম, নোট আদি অপৰিমিতকৈ উলিয়াই আছে, তাকে প্ৰজাই খেতিৰ বস্তু দি সলাই টকা কৰি লৈছে। উলটি ৰজাৰ টকাৰেই ৰজাৰ খাজনা দিয়া হয় আৰু কাপোৰ-কানি আদি যি বস্তু লাগে কিনা হয়। তেন্তে খাজনা সুতুলিলে ৰজাৰ ভঁৰালৰ টকা কেনেকৈ কম হয় আৰু বিলাতে (ইংলণ্ডে) বা ভাৰতৰপৰা টকা কি প্ৰকাৰে নিয়ে? এই কথাটি অজ্ঞান সৰল প্ৰজাপুঞ্জক প্ৰত্যেক দেশ-হিতৈষি নেতাই বুজাই দিয়া বৰ লাগতিয়াল কথা। সোণ, ৰূপ বা তাম-পিতলেৰে গঢ়া মুদ্ৰা বা মোহৰক টকা নোবোলে, পৰিশ্ৰমকেহে টকা বোলে। ভাবি চোৱা, তুমি মুনিহ-তিৰোতা দুয়ো মিলি এহাল গৰুৰে যি খেতি কৰি ধান আদি শস্যবিলি নিজ মেহনতৰ ফল পাই ঘৰ চপালা সেয়ে তোমাৰ টকা। গধুৰ বস্তু-বিলাক সাল-সলনি কৰি পেলাই ৰূপ সোণৰ মুদ্ৰা ৰজাই আৰু ৰাইজে চলাই দিয়ে পৰিশ্ৰম কিনাৰ কাৰণেহে। আমি ভাৰতবাসী খাবলৈ নোপোৱা অৱস্থাত পৰিছোঁ কিয়? ভাবি চোৱা, তুমি মুনিহ-তিৰোতা দুয়ো গোট খাই মাঘ মাহৰপৰা হাল বাই তিনি পুৰা মাটি কই দাই কাটি তিনি শ পুৰা ধান পালা। তিনি শ পুৰা ধান তোমাৰ দুখ-পৰিশ্ৰম কৰাৰ ফল ৩০০৲ টকা। এই ধানখিনিৰ পৰা তোমাৰ মাহিলি ১২৲ টকা, বৈণীজনীৰ ৮৲ টকাকৈ দৰমহা ধৰিলে দুয়োৰো ভিতৰত ২০৲ টকা মাহিলি দৰমহা হয়, বছেৰকত অৰ্থাৎ বাৰ মাহত ২৪০৲ টকা হয়। ধানৰ ধন ৩০০৲ শৰ পৰা ২৪০৲ টকা দৰমহা বাবদ কাটিলে ৬০৲ টকা বাকী থাকে। এই টকাৰ ১৫৲ টকা আৰু উপকৰা খৰছ ৫৲ টকা ধৰি ২০৲ টকা বাদ দিলে ৪০৲ টকা বাকী থাকে। এই টকাৰে তোমাক কাপোৰ কিনিবলৈ আৰু লোণ তেল খাবলৈ নাটে, ইয়াৰ বাহিৰে সকাম হৰি-সেবাৰ বাবে তোমাৰ ভঁৰালত থোৱাৰ কাৰণে জমা ৰখা ২৪০ পুৰা ধানৰপৰাও ধান কিছু বেচিব লগা হয়, এই কাৰণে তোমাৰ বছৰ দিন খোৱাৰ নাটনি পৰাৰ বাবে তুমি মহাজন বেপাৰীৰ ধৰুৱা হব লগাত পৰে। যদি বাৰীত বা গতে ততে কপাহ খেতি কৰি ঘৰতে সূতা কাটি কাপোৰ বৈ পিন্ধিলাহেঁতেন আৰু ঘৰতে শাক পাচলি কৰি বাৰীখনিৰ ভিতৰতে সৰিয়হ কৰি তেল পেৰি খালাহেঁতেন তেনেহলে তুমি কাৰো ওচৰত ধাৰ-বাকী নকৰাকৈ সুখী থাকিলা'হেঁতেন।



মনত ভাবি চোৱা কাপোৰতেই আমাৰ বহু টকা যায়। এই টকা বিলাতলৈ যায়, আমাৰ দেশত নাথাকে। দেশত টকা নাথাকিলে দেশৰ কেনে দুৰ্গতি হয় এই কথা পিছৰ বাৰলৈ ৰাইজক বুজাম। ৰাইজসকল, বিদেশী কাপোৰ আৰু বস্ত্ৰ বৰ্জ্জন নকৰিলে আমাৰ ৰক্ষা নাই। বামুণ শূদ্ৰৰ বিচাৰ নকৰাকৈ হাতেৰে হাল বাই যদি খেতি নকৰোহঁক আমাৰ উদ্ধাৰ নাই। যি দেশত স্বয়ং ভগ-ৱানৰূপী হলিৰাম অৱতাৰ, সেই দেশৰ মানুহে কিয় হালক ঘিণ কৰে।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

---

# প্ৰাৰ্থনা

লাহে লাহে দিছে আয়ু-বেলি ভাটি
পছিমৰ আকাশত ;
ৰিণিকি-ৰিণিকি জীৱন-সন্ধিয়া
দেখা দিছে অদূৰত ।

ভয়তে কঁপিছে হাত ভৰি মোৰ
কিনো কৰোঁ হায়, হায় ;
লগত সাৰথি, পথ-প্ৰদৰ্শক,
কোনোটিও নাই, নাই ।

নকৰিলো আগে ধৰ্ম্ম-উপাৰ্জ্জন
কটালো মিছাতে দিন ;
এতিয়াহে তাৰ নৱ-জীৱনৰ
ভাল-বেয়া মাথোঁ চিন ।

নগলো আগেয়ে পুণ্যৰ বাটেদি
খোজ দলোঁ আওবাটে ;
কি হ'ব এতিয়া দশা মোৰ পাছে
—কাল-সন্ধিয়াই মাতে ।

নেবেহালো মই পুণ্যৰ বেহানি
মহা সদাগৰ হ'ই ;
কৰিলো কেৱল অধৰ্ম্ম-আৰ্জ্জন
বিষয়ত মতি থই ।

কি কৰো এতিয়া ভাবিয়ে নেপাওঁ
এনে দোমোজাত পৰি ;
ৰক্ষা কৰা মোক, শেষ সময়ত,
হে দয়াময় হৰি !

তুমি বিনে মোৰ নাই ৰক্ষাকৰ্ত্তা,
তুমি জগতৰ গুৰু ;
সি ভাবিহে নাথ, তয়ু চৰণত
কোটি নমস্কাৰ কৰোঁ ।

তোমাক পূজিলে গুচে পাপ-তাপ
বেদৰ বচন ইটি ;
দেখা দিবা প্ৰভু, পূজিম তোমাক
ৰাখি চৰণত মতি ।

কঁপিছে হৃদয় থাকি থাকি মোৰ
সংসাৰ-ঘূৰ্ণিত পৰি ;
ভৰ্ ভৰ্ কৰে দোমাৰ লাগিছে
পলস বোকাত ভৰি ।

নাই ৰক্ষাকৰ্ত্তা এনে বিপদত
তোমাৰ বাহিৰে আন ;
সি কাৰণে প্ৰভু, নিজ দয়া গুণে
কৰা মোক পৰিত্ৰাণ ।

তুমি সৰ্ব্বব্যাপী, সৰ্ব্ব-আত্মাজ্ঞান,
ভকতৰ কল্পতৰু ;
দুখীয়াৰ ধন দুখ তাপহাৰী
হে মোৰ হৃদয় গুৰু ।

কিহেৰে পূজিম তোমাৰেই বস্তু
যত আছে সংসাৰত ;
আমিও তোমাৰ কণা এটি মাত্ৰ
নৰ-ৰূপে আকাৰত ।

কৰোঁ স্তুতি-নতি ৰাখিবা মিনতি
হে মোৰ জীৱন-স্বামী ;
সংসাৰ-ক্ষেত্ৰত অকলশৰীয়া
তোমাৰ সন্তান আমি ।

নেজানো কৰিব পূজা আয়োজন
বেদ মন্ত্ৰ মাতি তন্ত্ৰ ;
মাথোঁ হৃদয়ৰ ভক্তি-মন্দিৰত
তোমাৰ চৰণ পূজোঁ ।

অনাথৰ নাথ, প্ৰাণৰ দেৱতা,
তুমি প্ৰভু চিন্তামণি ;
দুখীৰ দুখত গলি যাব জানো
তোমাৰ হৃদয় খনি ?

কৰিবাহে প্ৰভু, অন্তিম বেলিকা
দয়া দুখীয়াৰ প্ৰতি ;
পৰোঁ চৰণত হেজাৰেক বা
নিমাখিত মই অতি ।

ধৰিছেহি বেঢ়ি চাৰি ফালে আহি
সংসাৰ কষ্টই মোক ;
অতীতৰ কথা সুঁৱৰি সঘনে
উথলি উঠিছে শোক ।

জীৱন-সন্ধিয়া চাপিলে ওচৰ
নেপাহৰিবি মোক তুমি,
নিবা পাৰ কৰি ভৱ-বৈতৰণী
হে মোৰ জীৱন-স্বামী !

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন

---

# ৰূপালি ঢ'উ

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

সিদিনা নবেম্বৰৰ ২৩ তাৰিখে তেজপুৰৰপৰা গুৱাহাটীলৈ আহিছোঁ। পুৱা অতি প্ৰত্যুষতে সাৰ পালো। বাহিৰলৈ ওলায়েই দেখা পালো কঁপি থকা ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্য্য উদয় হৈছে। অতি মনোৰম।......দৃশ্যটো দেখি মন গল কৱিতা লিখো। সঁচাসঁচিকৈ হাতত পেন্সিল আৰু কাগজ লৈ চ'কী এখনত বহিলো। বহা মাত্ৰকে মোৰ নাচিবৰহে মন গল। ঘূৰি পকি চালো কেও উঠা নাই এবাৰ এপাক দিও। কিয় কব নোৱাৰিলো ডেকা কবি পাৰ্ব্বতী বৰুৱাৰ—"ঢেৰ' বলিয়া নয়ন ভৰি চা" গানটোৰ ভাব আৰু ছন্দই মোৰ মন আগুৰি পেলালে। তেওঁক এদিন সেই গানটোৰ ভাব লৈ নচা দেখিছিলো, মোৰো আঙুলীৰ মূৰবোৰ বেঁকাবেঁকি হৈ অ'ৰিয়েণ্টেল নাচৰ ঠাচত পাক খাব ধৰিলে। কি কৰিম ভাবি বিমোৰত পৰিলো। জানোচা নাচি থাকোতে কোনোবা ভদ্ৰলোকে উঠি আহি দেখা পায়। যাহক কোনোমতে নাচৰ ভাবটো তল পেলালো। হঠাৎ মনলৈ ভাব এটা আহিল। সন্মুখত তিৰ্ বিৰাই থকা কল কল ঢউবোৰ দেখি প্ৰাণত কৱিতা ওলাল—'ৰূপালি ঢ'উ !......

প্ৰথমে 'ঢ'উ দেখি' মোৰ গা 'হালিজালি' উঠিছিল কিন্তু এতিয়া মন গ'ল—'কলমেৰে ঠাবিব পেপা' এটা বজাবৰ। মনতে খুব গালো—ইমান গালো যে মই শুনি শুনি বিভোল হলো। কোনো নাই, মই আৰু মোৰ গান গোৱা মনটো !......সেইখিনিতে কিবা অভাব এটা অনুভৱ কৰিলো। ৰূপালি ঢ'উবোৰত পুৱাৰ কিৰণ আৰু 'মিৰি' (জাহাজখনৰ নাম)ৰ হাঁগোলনি লাগি যিদৰে এটা আন্দোলন উঠিছিল অকল সেই ঢউবোৰেই মোৰ প্ৰাণত এক, দুই, তিনি—অসংখ্য আন্দোলনৰ সৃষ্টি কৰিলে।......কোনো নাই ?—ৰূপালি ঢ'উবোৰে কলে তোমাৰ 'জীৱন' জাহাজৰ 'মন' মাস্তুলটোৰ সন্মুখত ৰূপালি ঢ'উ নাই ! সঁচাই নে ?...ভাবিলো কথাটো সঁচাই। মোৰো যে এখন মস্ত জাহাজ আছে যিখনত কেৱল মাথোঁ দুজন যাত্ৰী যাব পাৰে। পিছে ক'তা জাহাজ সজা কোম্পানীৰপৰা আজিও দেখোন কোনে সন্ধেদ নাই। যক্—চকুত পৰিল ৰূপালি ঢ'উবোৰ। এনে এটি পুৱাৰ বিমল আনন্দভৰা ৰঙা পোহৰৰ মাজেদি আহি মোৰ মুখত যি এটি বৰণৰ বোল ফুটি উঠিছে তাক দেখোন চাবলৈ ওচৰত কেও নাই ! সৌৱা সেই তিৰ্ বিৰাই থকা ৰূপালি ঢ'উবোৰত জিলিক্ জিলিক্কৈ বাৰে বাৰে কিমানবোৰ কণ কণ ফিৰিঙতি যেন মাণিক মুকুতাৰ জনম হৈছে ; কিন্তু সেই-বোৰ ধৰি আনি এটি এটিকৈ কাণে মূৰে পিন্ধাই দি গালত হাত ফুৰাই 'মইনা' 'সোণাই' বুলি মৰম কৰিবলৈ দেখোন মোৰ কোনো নাই।......

জাহাজ বহুত আহিল। উলটি চাই দেখিলো চাহ খাবৰ হল—চাহ খালো। ভাত খালো। গুৱাহাটী পালোহি ; কিন্তু সেই ৰূপালি ঢ'উবোৰ এতিয়াও চোন চকুৰ আগতে জিলিকি আছে ! কিবা এটা নোপোৱা বস্তু পোৱাদি সিহঁতক পাই যেন মই বৰ সুখী ; অথচ মোৰ দুখ কুলাই-পাচিয়ে নধৰা।

উঃ ! এনেকৈ যদি ৰূপালি ঢ'উবোৰ সদাই উঠে !

---



# মেলানি

ভালপোৱা বাই ভনী, বান্ধৱ কুটুম,—
সকলোকে মেলানি মাগিছোঁ ;
কামনা-বাসনা মোৰ দিছোঁ বিসৰ্জ্জন
এটি ভাব মনত জপিছোঁ।
নেচাবা, ই দুখীয়াক মৰম-চকুৰে
শুশুনাবা সান্ত্বনাৰ বাণী ;
হৃদয়-বীণাত মোৰ আকুলি বিকুলি
বাজি উঠে বিষাদ-ৰাগিণী।
নৰচোঁ, নিলিখোঁ আৰু সুন্দৰ কৱিতা,
কল্পনাক নধৰো সাৱটি ;
লুইতৰ পাৰত গৈ বহি মনে মনে
শেষবাৰ গাম গীত এটি।

সংসাৰ এতিয়া মোৰ বিষাদেৰে পূৰ
মাৰ গ'ল জীৱনৰ সুখ ;
ফুৰ্টে নাচি মন-প্ৰাণ পুনু আনন্দত
দেখিলেও প্ৰণয়ীৰ মুখ।
কৰিছিলো ভুলক্ৰমে কাৰবাক যদি
দায়-দোষ এই জীৱনত ;
—তাৰ বাবে সকাতৰে মাগিছো একোটি
ক্ষমা ভিক্ষা বিদায়-পৰত।
জাগিছিল পৰাণত কামনা-বাসনা,
ভাবিছিলো কল্পনাক লই ;
ৰচি যাম মহাকাব্য অমৰ-ছন্দেৰে
কবি শ্ৰেষ্ঠ কালিদাস হই।

কিন্তু, আজি সেই ভাব ৰ'ল অপূৰণ—
নিৰাশাত লেৰেলি শুকাল ;
আঁতৰিল নিমিষতে সুখৰ সপোন
জ্বলি উঠা চাকিটি নুমাল।

থাকিম অকলে বহি বিশ্ব-ভাৱনাত
নিৰাশাৰ বীণধ্বনি বাই ;
আজি মই ৰচি এই নিৰস কবিতা
সকলোকে মাগিলো বিদায়।

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন

---

# গাখীৰ আৰু গাখীৰৰপৰা কৰা আন আন বস্তু

পানী, চৰ্ব্বি, অন্নসাৰ, চেনি আৰু কেইটামান ধাতৱ পদাৰ্থই গাখীৰৰ মূল উপাদান। সকলো জন্তুৰ গাখীৰ এইবিলাক উপাদানেৰেই গঠিত। মাথোন জন্তুৰ জাতি অনুসৰি উপাদানবিলাকৰ মাত্ৰা কম-বেছি হয়

গাখীৰৰ ৰচণাপ্ৰনালী এক ৰহস্যময় ঘটনা। বৈজ্ঞানিকসকল আজিও এই বিষয়ে একমনা হব পৰা নাই। ১৮৪০ খৃষ্টাব্দলৈকে পাশ্চাত্য দেশত গাখীৰক তেজৰে এটা পৰিস্কৃত সংস্কৰণ বুলিয়েই ধৰি লৈছিল। বিজ্ঞানাগাৰত ৰাসায়নিক পৰীক্ষাই সেই ধাৰণা এতিয়া সম্পূৰ্ণ অমূলক বুলি প্ৰমাণ কৰিছে। ৰসায়ন-শাস্ত্ৰবিৎ পণ্ডিতসকলে পৰীক্ষা কৰি পাইছে যে তেজৰ উপাদান আৰু গাখীৰৰ উপাদান বেলেগ বেলেগ প্ৰকৃতিৰ বস্তু। গাখীৰত যি (protein) অন্নসাৰ আছে, জন্তুৰ শৰীৰৰ তেজত তেনে অন্নসাৰ নাই। গাখীৰত যি চেনি পোৱা যায় (milk-sugar) তেনে চেনি জন্তুৰ শৰীৰত হে নেলাগে প্ৰকৃতিৰ আন আন ঠাইতো আজিকো প্ৰভৃতি তেখেত-সকলে লগ পোৱা নাই। তাৰেপৰা তেখেতসকলৰ সিদ্ধান্ত গাখীৰ তেজ বা তেজৰ সংস্কৃত গঢ় নহয়।

তেনেহলে গাখীৰ ক'ৰ পৰা হয় ? তেখেতসকলে বহুত গৱেষণাৰ পাছত মত দিছে যে আহাৰৰ যি সাৰাংশ তেজে গ্ৰহণ কৰে, সেই সাৰাংশকে স্তন ভাগৰ মাংস-গ্ৰন্থিবিলাকে প্ৰকৃতিৰ কোনো যাদুকৰী শক্তিৰ প্ৰভাৱত গাখীৰত পৰিণত কৰে।

বিশেষ আচৰিত ঘটনা নঘটিলে কোনো জন্তুৰে স্তন ভাগৰ মাংস-পেশী (tissues) বিলাক সেই জন্তুৰ গৰ্ভসঞ্চাৰ নোহোৱা পৰ্য্যন্ত বৃদ্ধি নেপায়। যদি কোনো অজাত জ্ৰূণৰপৰা এক সাৰাংশ লৈ কোনো অনুঢ়া জন্তুৰ শৰীৰৰ তেজত মিহলি কৰি দিয়া হয়, তেন্তে সেই অনুঢ়া জন্তুৰ স্তনভাগৰ মাংসগ্ৰন্থিবোৰ অন্তঃস্বত্বা জন্তুৰ মাংস গ্ৰন্থিৰ দৰেই বৃদ্ধি পায়। ইয়াৰেপৰা পণ্ডিতসকলে স্থিৰ কৰে যে জ্ৰূণ গৰ্ভস্থ হৈ বৃদ্ধি হৈ গৈ থকাৰ লগে লগে গৰ্ভৰ ভিতৰৰ বীজ কোষত (ovary) এবিধ ৰাসায়নিক পদাৰ্থৰ সৃষ্টি হয়। তেজৰ লগত এই পদাৰ্থ স্তন-ভাগলৈ যায়। তাত এই পদাৰ্থই স্তন-ভাগক ভবিষ্যত সন্তানৰ আগ বাতৰি দি নতুন আলহীৰ শোধা-পোচাৰ কাৰণে দিহা-পোহা দিয়ে। গৰ্ভাৱস্থা যিমানে আগবাঢ়ি যায়, এই ৰাসায়নিক কটকীয়েও সিমানে খৰ-খেদা লগাই কাম কৰে। সন্তান ভূমিষ্ঠ হলেই কটকীৰ কামবো অন্ত হয়। কিন্তু কটকীয়ে গঢ়ি পৈণত কৰি থৈ যোৱা স্তনভাগৰ মাংস-গ্ৰন্থিবিলাকৰ গাখীৰ তৈয়াৰ কৰা কাম মহাপযোভৰেৰে তেতিয়াহে হবলৈ ধৰে। এই মাংস-গ্ৰন্থিবিলাকেই গাখীৰ তৈয়াৰ কৰে। কিন্তু কি গুণেৰে কৰে সি আজিও অবিদিত।

গাখীৰৰ ৰঙ বগা। এই ৰঙ গাখীৰত থকা পনিৰ (casein) আৰু চৰ্ব্বিয়ে দিয়ে। কোনো গাখীৰ অলপ হালধীয়াও দেখা যায়। এই হালধীয়া ৰঙ কেঁচা ঘাঁহত থকা 'কেৰটিন' নামৰ এক ৰঙিন পদাৰ্থৰপৰা গাখীৰলৈ আহে। এই হালধীয়া ৰঙে গাখীৰৰ কোনো সোৱাদ



নবঢ়ায়, হালধীয়া ৰঙ ভাল পোৱাৰ কাৰণ চকুৰ তৃপ্তিৰ বাহিৰে আন একো নহয়। গাখীৰত টেঙা আৰু খাৰ দুয়োটা গুণ আছে। গাখীৰ বেছিপৰ ৰাখিলে টেঙাগুণ বাঢ়ি যায়।

গাখীৰ সন্তানৰ কাৰণে আদৰ্শ খাদ্য। সন্তানে জীৱন-ধাৰণ কৰি দিনক দিনে বাঢ়ি আহিবলৈ যিবিলাক বস্তুৰ আৱশ্যক গাখীৰত সেই সকলোবিলাককে উপযুক্ত পৰিমাণে পাবলৈ আছে। সৰ্ব্ব-সাধাৰণ মানুহৰ পক্ষে বিহ হব পৰা বা নিয়মীয়া পাকস্থলীত কোনো ব্যাঘাত জন্মাব পৰা কোনো বস্তু গাখীৰত নাই।

সকলো জন্তুৰ গাখীৰতে সমান পৰিমাণে গাখীৰত থকা পদাৰ্থবিলাক নোপোৱাৰ কাৰণ (১) বিভিন্ন জাতি (২) বংশ (৩) আহাৰ (৪) গাখীৰতী অৱস্থাৰ সময় (৫) গাখীৰ খীৱোৱাৰ সময় (৬) গাখীৰৰ অংশ (৭) বছৰৰ ভাগ (৮) ব্যক্তিগত পাৰ্থক্য আৰু (৯) জন্তুৰ বয়স আদিৰ পাৰ্থক্য।

(১) জাতিৰ পাৰ্থক্য অনুসৰি গাখীৰৰ উপাদান বিলাকৰ তাৰতম্য :—

| জাতি | পানী (শতকৰা ভাগ) | চৰ্ব্বি (শতকৰা ভাগ) | অন্নসাৰ (শতকৰা ভাগ) | চেনি (শতকৰা ভাগ) | ধাতৱপদাৰ্থ (শতকৰা ভাগ) |
|---|---|---|---|---|---|
| মানুহ | ৮৬'৭ | ৪'১ | ১'২ | ৬'৯ | ০'২ |
| গৰু | ৮৫'৩ | ৫'৮ | ৩'৫ | ৪'৫ | ০'৭ |
| ম'হ | ৮১'২ | ৮'৭ | ৪'৩ | ৪'৯ | ০'৮ |
| ছাগলী | ৮৭'৬ | ৪'২ | ৩'৬ | ৪'০ | ০'৫ |
| ভেৰা | ৮২'৪ | ৫'৩ | ৭'১ | ৪'২ | ১'০ |
| ঘোঁৰা | ৯০'৭ | ১'২ | ২'০ | ৫'৭ | ০'৪ |
| উট | ৮৮'২ | ২'৫ | ৩'৬ | ৫'০ | ০'৭ |
| কুকুৰ | ৭৭'০ | ৯'৩ | ৯'৭ | ৩'১ | ০'৯ |
| মেকুৰী | ৮১'৬ | ৩'৯ | ৯'১ | ৪'৯ | ০'৫ |

(২) বংশৰ পাৰ্থক্য অনুসৰি গাখীৰৰ উপাদানবিলাকৰ তাৰতম্য :— সৰ্ব্ব-সাধাৰণ দেশীগৰু :—শতকৰা ৮৫'৩ পানী, ৫'৮ চৰ্ব্বি, ৩'৫ অন্নসাৰ ৪'৫ চেনি ০'৯ পদাৰ্থ ; সৰ্ব্বসাধাৰণ বিলাতী গৰু :—শতকৰা ৮৭.৩ পানী, ৩'৭ চৰ্ব্বি, ৩'৫ অন্নসাৰ, ৪'৮ চেনি, ০'৭ ধাতৱপদাৰ্থ। ভাৰতবৰ্ষ গীৰ আৰু জাফ্ৰাবাদী ম'হৰ চৰ্ব্বি শতকৰা ৬'৫ ভাগ, সিন্ধি গৰুৰ শতকৰা ৫'০ ভাগ আৰু হাৰিয়ানা গৰুৰ ৩'৫ ভাগ।

(৩) আহাৰৰপৰাও গাখীৰৰ উপাদানবিলাকৰ তাৰতম্য হয় কেঁচা ঘাঁহত গাখীৰৰ পৰিমাণ বৃদ্ধি হয়, চৰ্ব্বিৰ পৰিমাণ কমে। শুকান ঘাঁহত চৰ্ব্বিৰ আৰু আন আন উপাদানৰ পৰিমাণ বৃদ্ধি হয়, গাখীৰৰ পৰিমাণ কমে। এদা, জিৰা, গুৰ আদিয়ে গাখীৰৰ পৰিমাণ অস্থায়ী ভাৱে বঢ়াব পাৰে। কপাহৰ গুটি বা কপাহ গুটিৰ খলিহৈয়ে চৰ্ব্বিৰ কণিকাবোৰ টান কৰি মাখন তৈয়াৰি কৰাত সহায় কৰে। অকল ঘাঁহৰ ওপৰতে ৰখা গৰুৰ গাখীৰতকৈ খলিহৈ, মাহৰ চোকোৰা আদি দানা খোৱা গৰুৰ গাখীৰত অন্নসাৰ আদি উপাদানৰ মাত্ৰা বেছি হয়।

(৪) গাখীৰতী অৱস্থাৰ সময় অৰ্থাৎ পিয়নৰ আগ-ভাগ শেহ-ভাগৰ পাৰ্থক্য :—পিয়নৰ প্ৰথম দুমাহত সাধাৰণতে পিয়নৰ শেহ ভাগতকৈ গাখীৰৰ পৰিমাণ বেছি যদিও চৰ্ব্বিৰ ভাগ কম। তৃতীয় মাহৰপৰা চৰ্ব্বিৰ মাত্ৰা বাঢ়ি যায় আৰু গাখীৰৰ পৰিমাণ কমি আহে। গাভিনী গৰুৰ গাখীৰত পোৱালী জগিবৰ আগতে লোণৰ অংশ ইমান বাঢ়ে যে গাখীৰ মুখত দিয়া মাত্ৰকে আগে-ভাগে নিমখৰ সোৱাদ হে মুখত লাগে।

(৫) গাখীৰ খীৱোৱাৰ সময় লৈ গাখীৰৰ উপাদান-বিলাকৰ তাৰতম্য :—

সাধাৰণতে দিনত দুবাৰকৈ গাখীৰ খীৱোৱা হয়। পুৱাৰ গাখীৰতকৈ গধূলিৰ গাখীৰৰ পৰিমাণ কম, কিন্তু চৰ্ব্বিৰ পৰিমাণ বেছি পোৱা যায়। ইয়াৰ কাৰণ পুৱাৰ-পৰা গধূলিলৈ সময়ৰ যি দুৰত্ব ৰখা হয়, গধূলিৰপৰা ঘূৰি পুৱালৈ তাতকৈ সময়ৰ দুৰত্ব বেছি থাকে। যদি একে সমান পৰৰ পাছত পুৱা গধূলিৰ গাখীৰ লোৱা হয় তেন্তে গাখীৰৰ পৰিমাণ আৰু চৰ্ব্বিৰ পৰিমাণৰ একো তাৰতম্য নহয়।

(৬) গাখীৰৰ অংশ অনুসৰি উপাদানৰ তাৰতম্য :—

গাখীৰ খীৱাই গৈ থাকোঁতে যদি কেৰাটাও কেঁৰীয়াত গাখীৰ লোৱা হয় তেন্তে সেই বেলেগ বেলেগ কেঁৰীয়াৰ

গাখীৰত চৰ্ব্বিৰ ভাগ বেলেগ বেলেগ পৰিমাণে পোৱা যাব।

| | |
|---|---|
| প্ৰথমতে খীৰাই খোৱা কঁৰীয়াত চৰ্ব্বিৰ ভাগ শতকৰা | ১.৭ |
| তাৰ পাছতে খীৰোৱা কঁৰীয়াত চৰ্ব্বিৰ ভাগ শতকৰা | ১.৭৬ |
| ৩য় বাৰ খীৰোৱা কঁৰীয়াত চৰ্ব্বিৰ ভাগ শতকৰা | ২.৩০ |
| ৪ৰ্থ বাৰৰ কঁৰীয়াত চৰ্ব্বিৰ ভাগ শতকৰা | ৭.৪ |

শেহত চুচি খীৰোৱা গাখীৰত চৰ্ব্বিৰ ভাগ শতকৰা ১০।১২ ভাগ।

যি সকলে ঘৰতে গুৱালৰ গৰু অনাই আগত থাকি গাখীৰ খীৰাই লয়, সেইসকলে বৰ ঠগ খায়, যদিহে সেই একেজনী গৰুৰ গাখীৰকে কেবাঘৰতো সেইদৰে ঘৰতে গৈ গুৱালে খীৰাই দি আছে। প্ৰথম কিদৰে বিশেষ একো নেপায় বুলিলেই হয়। পুৰা বা গধূলি গাখীৰ খীৰাওঁতে ওলোৱা সকলোখিনি গাখীৰ একেলগে মিহলি কৰি, সেই গাখীৰ বেছিপৰ এনে হৈ থাকিবৰ কাৰণে কোনো ৰাসায়নিক পদাৰ্থৰ সংযোগ নকৰি যি গাখীৰ দিয়ে সেয়েহে প্ৰকৃততে খাটি গাখীৰ।

(৭) বছৰৰ ভাগ অনুসৰি উপাদানৰ তাৰতম্য :—

বতৰৰ সাল-সলনিৰ লগে লগে গাখীৰৰ উপাদান-বিলাকৰো পৰিমাণৰ তাৰতম্য ঘটে। পোৱা খাদ আদিৰ পৈণত অপৈণত অৱস্থা আৰু তাপ আদিৰ কাৰণেই এই তাৰতম্য।

জাৰকালি (নৱেম্বৰ—ফেব্ৰুৱাৰি) শতকৰা ৭.১৬ ভাগ চৰ্ব্বি।
জহকালি (মাৰ্চ্চ—মেই) শতকৰা ৬.৯৪ ভাগ চৰ্ব্বি।
বাৰিষা (জুন—অক্টোবৰ) শতকৰা ৬.৮৬ ভাগ চৰ্ব্বি।

(গাখীৰত চৰ্ব্বি বেছি থাকিলে আন আন স্থূল-পদাৰ্থৰ (solids) পৰিমাণো বেছি থাকে। যি গাখীৰত চৰ্ব্বিৰ মাত্ৰা কম সেই গাখীৰত স্থূল পদাৰ্থৰ পৰিমাণো কম।)

(৮) ব্যক্তিগত পাৰ্থক্য—(individuality) একে বংশৰে, একে বয়সৰে দুজনী গৰুৰ একে পৰিমাণৰ উপাদান থকা গাখীৰ দিয়া কেতিয়াও পোৱা নেযায়। অলপ নহয় অলপ তাৰতম্য থাকিবই। আনকি একে জনী গাইৰ গাখীৰতে দিনৌ তাৰতম্য দেখা যায়।

(৯) বয়স অনুসৰি তাৰতম্য :—

৪ৰ্থ। ৫ম পিয়নত গায়ে সকলো পিয়নতকৈ বেছি গাখীৰ দিয়ে। তাৰ পাছৰপৰা বয়স বাঢ়ি অহাৰ লগে লগে গাখীৰৰ পৰিমাণ কমি আছে।

তলত দিয়া ছটা পিয়নৰ তাৰতম্য চাওক :—

| পিয়ন | ১ম | ২য় | ৩য় | ৪ৰ্থ | ৫ম | ৬ষ্ঠ |
|---|---|---|---|---|---|---|
| মুঠ গাখীৰ পাউণ্ড হিঃ | ৪৭৫৪ | ৫০৬০ | ৫৬৪৮ | ৬১৭৫ | ৬৩৪১ | ৬৩৩৯ |
| শতকৰা চৰ্ব্বিৰ ভাগ | ৪.৫৮ | ৫.১০ | ৫.০৯ | ৪.৮২ | ৪.৬৮ | ৪.৬৯ |

দেশী গৰু ম'হৰ গাখীৰৰ চৰ্ব্বিৰ উচ্চতম আৰু নিম্নতম পৰিমাণ তলত দিয়া দৰে পোৱা গৈছিল :—

| | চৰ্ব্বি | চৰ্ব্বিৰ বাহিৰে আন আন স্থূল পদাৰ্থ |
|---|---|---|
| গৰুৰ গাখীৰ শতকৰা | ২.৯— ৯.০ | ৮.০—১১.১ |
| ম'হৰ গাখীৰ শতকৰা | ২.৫—১২.৬ | ৮.২—১২.২ |

গাখীৰ পানীতকৈ গধুৰ। গাখীৰৰ গুৰুত্ব ১.০২৮ৰ পৰা ১.০৩৪ লৈকে পোৱা গৈছে। এই গুৰুত্বলৈ গাখীৰত পানী-জোখা-যন্ত্ৰেৰে (Lactometer) অনেক সময়ত গাখীৰৰ শুদ্ধতা অশুদ্ধতা ধৰিব পাৰি। কিন্তু অগাইটং চোৰৰ আগত এই অস্ত্ৰৰ একো প্ৰভাৱ নাই।

তলত দিয়া তালিকা চাওক :—

| মিহলোৱা বস্তু বা আন ঠগামি | গাখীৰৰ গুৰুত্ব |
|---|---|
| পানী মিহলালে … … | কমিব। |
| অলপ পৰিমাণে সৰ কাঢ়ি নিলে (skimming) … | বাঢ়িব। |
| অলপ পৰিমাণে সৰ কাঢ়ি পানী মিহলালে | ঠিকতে ৰব পাৰে। |
| সৰকঢ়া গাখীৰ আৰু পানী দুয়োটা ভাল গাখীৰত মিহলালে … | ঠিকতে ৰব পাৰে। |

গতিকে অকল Lactometer কে সাৰোগত কৰি থাকিলে চকুত ধুলি মাৰিবৰ পূৰা সম্ভৱ। ডাঙৰ ডাঙৰ চহৰত বেচিবলৈ অনা গাখীৰত চৰ্ব্বি আৰু আন আন স্থূলপদাৰ্থ আৰু গাখীৰৰ গুৰুত্ব তিনিওকে পৰীক্ষা কৰি শুদ্ধাশুদ্ধ চাই হে চৰকাৰৰ ঘৰৰপৰা গাখীৰ বেচিবলৈ হুকুম দিয়া হয়। তেতিয়া তলত দিয়া দৰে চোৰ ধৰা পৰে।—

| মিহলোৱা বস্তু | চৰ্ব্বি ভাগ | আনস্থূল পদাৰ্থ ভাগ | গুৰুত্ব |
|---|---|---|---|
| পানী | কম | কম | কম |
| অলপ পৰিমাণে সৰ কঢ়া | কম | বেছি | বেছি |
| অলপ পৰিমাণে সৰ কাঢ়ি পানী মিহলোৱা … | কম | ঠিক | ঠিক |
| অলপ পৰিমাণে সৰ কাঢ়ি পানী আৰু চেনী বা আটাগুৰি আদি মিহলোৱা … | কম | বেছি | বেছি |
| সৰ-কঢ়া গাখীৰ মিহলোৱা | কম | বেছি | বেছি |
| সৰ-কঢ়া গাখীৰ আৰু পানী দুয়ো মিহলোৱা … | কম | ঠিক | ঠিক |
| ম'হৰ গাখীৰত পানী মিহলাই গৰু গাখীৰ বুলি দিয়া… | ঠিক | ঠিক | কম। |

গাখীৰ কেচুৱাৰ কাৰণে কোনো এক সুনিপুণ হাতে তৈয়াৰ কৰা এটা অতি উপাদেয় আহাৰ। ইমান যত্নেৰে আৰু আগ পাছ গুণি তৈয়াৰ কৰা যে ভাবিলে অবাক্ হব লাগে। প্ৰত্যেক জন্তুৰে গাখীৰৰ উপাদান বিলাকৰ পৰিমাণবিলাক এনে সুশৃঙ্খল আৰু উপযোগীভাবে সংযোগ কৰিছে যে যি জন্তুৰ যেনে প্ৰকৃতি, যেনে আৱশ্যক আৰু যিমান মাত্ৰাৰ প্ৰয়োজন—তাৰ চুলি এডালৰো হীন-দেঢ়ি নাই।

আজি কালি কেচুৱা লৰা-ছোৱালীক মাকৰ গাখীৰতকৈ গৰুৰ গাখীৰ খুওৱা এটা এৰিব নোৱাৰা ফেশ্যন হৈ পৰিছে। মানুহৰ গাখীৰ আৰু গৰু গাখীৰৰ উপাদান-বিলাকৰ পৰিমাণৰ ভিতৰত বহুতো তাৰতম্য আছে। কাৰণ এই গাখীৰ সৃজন কৰিবৰ দিনা বেলেগ বেলেগ উদ্দেশ্যৰে সৃজা হৈছিল। সেই কাৰণে পৰস্পৰৰ গাখীৰ পৰস্পৰক দিব লগা হলে তাক যাক দিয়া হয় তাৰ উপযোগী কৰি দিব লাগিব। নহলে তাৰ পৰা বিশেষ উপকাৰ আশা কৰিব নোৱাৰি।

আমি সৰ্ব্বসাধাৰণতে গৰুৰ গাখীৰকে কেচুৱা লৰা-ছোৱালীক দিওঁ। মানুহৰ গাখীৰতকৈ গৰুৰ গাখীৰত অন্নসাৰ বেছি অথচ গৰুৰ গাখীৰতকৈ মানুহৰ গাখীৰত চেনি বেছি। গতিকে গৰু-গাখীৰৰ এই তাৰতম্য গুচাই তাক লৰা ছোৱালীয়ে খাবৰ উপযুক্ত কৰি লব লাগিব। ইউৰোপ-আমেৰিকা দেশত লৰা-ছোৱালীহে নেলাগে, কুকুৰ, ঘোঁৰা আদিৰ পোৱালীকো এনেদৰে তোলা হয়। এই উপাদানবিলাকৰ তাৰতম্য গুচাই কোনো জন্তুৰ মাতৃস্তনৰ নিচিনা অৱস্থালৈ অনা গাখীৰক ইউৰোপত MODIFIED MILK ৰূপান্তৰিত গাখীৰ বোলে।

প্ৰথমতে গৰু-গাখীৰত পানী মিহলাই তাৰ অন্নসাৰৰ অংশ মানুহৰ গাখীৰৰ অন্নসাৰৰ অংশৰ সমান কৰি লোৱা যায়। তেতিয়া সেই পানী মিহলোৱা গাখীৰৰ চৰ্ব্বিৰ অংশ বহুতো কমে। তাত সৰ মিহলাই সেই চৰ্ব্বিৰ অংশ মানুহৰ গাখীৰৰ চৰ্ব্বিৰ অংশৰ সমান কৰি, পাছত চেনি মিহলোৱা হয়—বিশেষকৈ Milk-Sugar। এই গাখীৰ তেতিয়া মানুহৰ গাখীৰৰ দৰে হয়। তলত এটা উদাহৰণ দিয়া হল।—

| শতকৰা | অন্নসাৰ ভাগ | শতকঃ চেঃ ভাগ | শতকঃ চৰ্ব্বিৰ ভাগ |
|---|---|---|---|
| গৰু গাখীৰ | ৩.৫ | ৪.৫ | ৫.৮ |
| মানুহৰ গাখীৰ | ১.২ | ৬.৯ | ৪.০ |

আধেৰ গৰু-গাখীৰ লওক। ধৰক সেই গাখীৰৰ উপাদান ওপৰত দিয়া দৰে। তাক মানুহৰ গাখীৰৰ দৰে কৰিবলৈ আনিব লাগে।

গৰু গাখীৰৰ অন্নসাৰ ৩.৫ মানুহৰ গাখীৰৰ ৩ গুণ গতিকে আদসেৰ গাখীৰত একসেৰ পানী মিহলালে সেই অন্নসাৰৰ পৰিমাণ শতকৰা ১.২ ভাগ হব। পানী মিহলালত এতিয়া গাখীৰৰ পৰিমাণ দেৰ সেৰ হল আৰু তাৰ উপাদানবিলাকৰ শতকৰা ভাগ হল—

| অন্নসাৰ | চেনি | চৰ্ব্বি |
|---|---|---|
| ১.২ | ১.৫ | ২.০ (প্ৰায়) |

মানুহৰ গাখীৰত চৰ্ব্বি থাকে শতকৰা ৪ ভাগ। যি সৰ আনিছে তাত ধৰক শতকৰা ৩৫ ভাগ চৰ্ব্বি আছে, তেন্তে ওপৰত থকা পানী মিহলোৱা গাখীৰৰ

চৰ্ব্বিৰ ভাগ ২ৰ পৰা ৪ লৈ তুলিবলৈ হলে সেই গাখীৰৰ ১৫ ভাগৰ ১ ভাগ পৰিমাণৰ সৰ দিলে হে হব। গতিকে সৰ লাগিল প্ৰায় ৮ তোলা।

তেন্তে আমাৰ এই সান-মিহলি গাখীৰৰ উপাদান-বিলাকৰ শতকৰা ভাগ হল—

| অন্নসাৰ | চৰ্ব্বি | চেনি |
|---|---|---|
| ১.২ | ৪.০ | ১.৫ |

এতিয়া চেনি লগা হল। চেনি শতকৰা এশ ভাগ চেনি বুলি ধৰি লওক। ১.৫ ভাগ চেনিক ৬.৯ লৈ তুলিবলৈ হলে প্ৰায় মিহলি গাখীৰৰ ২০ ভাগৰ ১ পৰিমাণ চেনি দিব লাগিব অৰ্থাৎ ৬ তোলা।

তেতিয়া এই গাখীৰ মানুহৰ গাখীৰৰ সমান হল। গাখীৰত ওপৰত উল্লেখ কৰা পদাৰ্থবিলাকৰ বাহিৰেও 'ভিটামিন' বোলা এবিধ বস্তু প্ৰচুৰ পৰিমাণে থকাৰ কাৰণে গাখীৰ পৰিপূৰ্ণ আহাৰ (perfect food) বুলি ধৰা হয়। এই ভিটামিন আহাৰত বিদ্যমান নহলে আহাৰ, বিজুলী-কণা (electric spark) নলগোৱা মটৰ-গাৰীৰ গেছৰ দৰে শক্তিহীন।

(আগলৈ)

শ্ৰীথানেশ্বৰ হাজৰিকা

(বি, এ; আই, ডি, ডি)

৫৪০৭/অ:


## অনুৰোধ

সিদিনা কথাত মোৰ, তুমি চিৰদিন
পতিয়ন নেযাবা সোণাই;
বাটে-ঘাটে লগ পালে নিদিবা পুনৰ
মিচিকিয়া হাঁহিটি বিলাই।
জ্বলিছে হিয়াত মোৰ আজি বহুদিন
নিৰাশাৰ চিতাৰ অগনি;
তুমি তাত আহি আৰু নিদিবা অকণো
যতনেৰে ঢালি চেঁচা পানী।
জ্বলক, জ্বলিছে মোৰ সেই চিতা জুই,—
তাৰ বাবে নকৰো বেজাৰ;
জীৱনৰ লীলা শেষে তাতে মাৰ যাম
মচি লই চকুলো দুধাৰ।
তুমি মোক ভাল পোৱা,—জানো এই কথা,
—মুক্ত কণ্ঠে কৰিছোঁ স্বীকাৰ;
কিন্তু সোণ, সাঁচি থোৱা গুপুত কথাটি
পূৰ্ণ আৰু নহব তোমাৰ।
এৰি দিয়া মোৰ ভাব, নলবা নলবা
টানি তাক আৰু বুকুলই;
লোৱা যদি পৰস্তত টুকিবা চকুলো
মোৰ সেই শ্মশানত গই।
ভাল পোৱা যাকে তুমি দিয়া তাৰ বাবে
প্ৰেম-ভৰা অন্তৰ বিলাই;
নেচাবা, নেচাবা মোক, সুমুহিবা আৰু—
অনুৰোধ কৰিছোঁ, সোণাই!

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন

৫৪০৮/অ:
১৫.৮.৯৯

বাঁহী ৪—



পরলোকগত মৌলানা মহম্মদ আলী